## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


| | | |
|---|---|---|
| ❐ ভাৰতীয় প্ৰতিষ্ঠানসমূহ বিদেশলৈ কিয় যায়? | ✍ ভি এন বালাসুব্ৰমন্যম<br>✍ নিক'লাছ ফৰছান্স | ৩ |
| ❐ ভাৰতত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ স্থিতি | ✍ ছজিন ছিন | ৮ |
| ❐ ৰাজ্যসমূহত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ আঞ্চলিক অসমতা ঃ এক অধ্যয়ন | ✍ ড° এছ আৰ কেশৱ | ১২ |
| ❐ আওপুৰণি আইন ঃ প্ৰবাসী ভাৰতীয়ৰ বাবে এটা সমস্যা | ✍ অনিল মালহোত্ৰা | ২০ |
| ❐ খুচুৰা খণ্ডত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ গতিধাৰা ঃ বিকাশৰ উৎস অথবা ভাবুকি | ✍ লীনা অজিৎ কৌশল | ২৫ |
| ❐ বহিৰ্দেশৰ সৈতে ভাৰতৰ অৰ্থনৈতিক বন্ধন ঃ নতুন দিল্লীৰ পৰা আঁতৰত নিৰীক্ষণ | ✍ ত্ৰিদেৱ সিং মাইনী | ২৯ |
| ❐ বিশৃঙ্খল অভিযোজন আৰু পাশ্বৱৰ্তী সম্ভাব্য | ✍ দেৱনাথন | ৩৩ |
| ❐ পল্লৱিত অসংগঠিত অৰ্থনীতি ঃ আনুষ্ঠানিকতাকৰণৰ দিশে কৌশলৰ উপাদান | ✍ অনুপ কুমাৰ সৎপথী<br>✍ কালাইয়াৰাচন এ | ৩৬ |
| ❐ কেন্দ্ৰীয় চৰকাৰৰ 'দক্ষ ভাৰত' গঢ়াৰ পৰিকল্পনা | ✍ ড° অনিল কুমাৰ শইকীয়া | ৪৩ |
| ❐ কৰ্মী জনসংখ্যাৰ অনুপাত আৰু অৰ্থনৈতিক উন্নয়ন | ✍ মীৰা বালা বৰা | ৪৫ |
| ❐ অসমৰ এৰী শিল্প ঃ আৰ্থ-সামাজিক দিশৰ উন্নয়নত ইয়াৰ ভূমিকা | ✍ ড° অম্লজ্যোতি গগৈ | ৪৮ |
| ❐ ধুবুৰী জিলাৰ পথ পৰিবহন আৰু ইয়াৰ সম্ভাৱনা | ✍ ড° কিংশুক চক্ৰৱৰ্তী | ৫১ |
| ❐ অৰ্থনৈতিক সংস্কাৰ আৰু বিদেশী পুঁজি বিনিয়োগ | ✍ যতীন শইকীয়া | ৫৩ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ ৰাজেশ কে ঝা
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 45 No. 10**
পঞ্চচত্বাৰিংশ বৰ্ষ ঃ দশম সংখ্যা
ডিচেম্বৰ ঃ ২০১৪


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে

পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে, কে, বি, পথ, নিউ কলনি গৃহ নং ৭, চেনিকুঠি
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ জ্যোতি প্ৰিণ্টাৰ্চ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

## এই সংখ্যাৰ প্ৰসংগত

# প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ৰাজনৈতিক অৰ্থনীতি

ভাৰতে ছয় দশকৰো অধিক পূৰ্বে অদৃষ্টৰ প্ৰভাৱৰ সৈতে ইয়াৰ পূৰ্ব নিৰ্দ্ধাৰিত পথত বহুদূৰ আগুৱাই আহিল। মাত্ৰ গংগা নহয়, মিছিছিপি, ৱাংজে, ডানিয়ুব, নীল আৰু আমাজানতো তেতিয়াৰে পৰা বহু পানী বৈ গ'ল। বিশ্বৰ অৰ্থনৈতিক বাস্তৱে কঠোৰ পৰিৱৰ্তন সহ্য কৰিছে। ৰাষ্ট্ৰীয়তাবাদী বিশ্বৰ শক্তিশালী আহ্বানে কুৰি শতিকাৰ মাজভাগত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ ঔপনিৱেশিক বিৰোধী সংগ্ৰামৰ ঐতিহাসিক নেপথ্যত উদয় হোৱা উজ্বলহীনতা নিৰীক্ষণ কৰিছে। আজিৰ বিশ্ব বহু দূৰলৈকে আন্তঃসংযোজিত আৰু আধা শতিকাৰ পূৰ্বেই ৰাষ্ট্ৰসমূহৰ অদৃষ্ট অত্যন্ত শক্তিশালীভাৱে একেলগে প্ৰৱাহিত হৈ আছে। বিখ্যাত ইতিহাসবিদ এৰিক হবছ্‌বওমৰ গ্ৰন্থৰ শিৰোনামা আৱাহন কৰি ক'ব পাৰি যে "সাম্ৰাজ্যৰ যুগে" 'বিপ্লৱৰ যুগ'ৰ জন্ম দিলে যিটোৱে 'মূলধন যুগ'ৰ বাৰ্তাবাহক হ'বলৈ বিপ্লৱৰ সম্পূৰ্ণ হিচাপে ওলাই আহিল, যিহেতু আমি ২১ শতিকাৰ বিশ্বত পদাৰ্পণ কৰিলোঁ। বিশ্বৰ অৰ্থনৈতিক ব্যৱস্থাৰ কাঠামো বৰ্তমান বিশ্বৰ এটা অংশৰ পৰা আন এটা অংশলৈ মূলধনৰ বৃহৎ প্ৰৱাহৰদ্বাৰা অধিক শক্তিশালী হৈ উঠিছে। আন্তঃসংযোজিত বিশ্বৰ সম্পূৰ্ণ বিস্তাৰ আৰু শক্তিয়ে গোলকীয়কৰণ হোৱা বিশ্ব অৰ্থনীতিৰ সাৰভাগ নিহিত হৈ থকা বিত্ত সম্পৰ্কীয় জটিল নেটৱৰ্ক গভীৰভাৱে পৰীক্ষা কৰিবলৈ আৰু অনুধাৱন কৰিবলৈ আমাৰ ওপৰত দায়িত্ব অৰ্পণ কৰে।

ভাৰতৰ ক্ষেত্ৰত, পূৰ্বৰ বছৰবোৰত আমদানি প্ৰতিষ্ঠাপন ঔদ্যোগীকৰণ (আই এছ আই) আৰ্হিৰে আৰম্ভ কৰা, বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ লগত যতদূৰ জড়িত ভাৰতৰ অৰ্থনৈতিক কাঠামোৰ কিছুমান স্পষ্ট পৰ্যায় চিনাক্ত কৰিব পাৰি। ভাৰতৰ প্ৰৱাহিত বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ আৰ্হি বিদেশী প্ৰত্যক্ষ বিনিয়োগ বিৰোধী কালছোৱাৰ (১৯৬৯-৭৫) পৰা ক্ৰমান্বয়ে নিৰ্বাচিত বিদেশী প্ৰত্যক্ষ বিনিয়োগ প্ৰৱাহলৈ (১৯৭৫-৯১) আৰু অৱশেষত ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰৰ পাচত বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰৱাহৰ সপক্ষে যুক্তিলৈ ক্ৰমবিকশিত হোৱাটো পৰিলক্ষিত হৈছে। অৰ্থনৈতিক নীতিৰ এই পৰ্যায়বোৰ ভাৰতীয় ৰাজনীতিতো সম্পূৰ্ণ ভালকৈ চিনাক্তকৰণ কৰিব পৰা পৰ্যায়। সামগ্ৰিক সামাজিক আৰু ৰাজনৈতিক প্ৰসংগত অৰ্থনৈতিক নীতিৰ পৰিৱৰ্তন লক্ষ্য কৰাটো অধিক বাস্তৱসন্মত আৰু সঠিক হ'ব য'ত এই নীতিসমূহ সংলগ্ন আৰু বাস্তৱায়িত কৰা হৈছে। স্বাধীনতা লাভ কৰাৰ পাচৰ কেইটামান দশকত ভাৰতে অনুসৰণ কৰা অৰ্থনৈতিক বিকাশ আৰ্হিৰ বিষয়ে যেতিয়া বিতৰ্ক হ'ব পাৰে, এইটোও মানি ল'ব লাগিব যে, গোলকীকৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ ভাৰতে এটা শক্তিশালী বহনক্ষম অৰ্থনৈতিক আন্তঃগাঁথনি আৰু প্ৰতিষ্ঠানিক ব্যৱস্থা গঢ়ি তুলিছে।

দেশত বিদেশী প্ৰত্যক্ষ বিনিয়োগ আকৰ্ষণ কৰিবলৈ প্ৰতিষ্ঠানিক সংস্কাৰ হ'ল নীতি সফলতা লাভৰ বাবে চাবিকাঠী। প্ৰতিৰক্ষা উৎপাদন, নিৰ্মাণ, খুচুৰা আদি খণ্ড বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ বাবে মুকলি কৰি দিয়া হৈছে। 'মেইক ইন ইণ্ডিয়া' উদগনি আৰু ভাৰতত বিনিয়োগ কৰিবলৈ বিদেশী কোম্পানীসমূহক আমন্ত্ৰণৰ জৰিয়তে ভাৰতক নিৰ্মাণ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ চৰকাৰ সক্ৰিয়ভাৱে লক্ষ্যত উপনীত হোৱাৰ পথত অগ্ৰসৰ হৈছে। ১৯৯২ চনত মুঠ ঘৰুৱা উৎপাদনলৈ ভাৰতলৈ হোৱা বিদেশী প্ৰত্যক্ষ বিনিয়োগ নেটৱৰ্কৰ প্ৰৱাহ ০.১ শতাংশ হোৱাৰ বিপৰীতে ২০১১ চনত ইয়াৰ পৰিমাণ ১.৭%লৈ বৃদ্ধি হয় আৰু ইয়াৰ পৰিমাণ অধিক বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

বিদেশী প্ৰত্যক্ষ বিনিয়োগ ভাৰতত মুঠ স্থিৰ মূলধন গঠনৰ (চমুকৈ জি এফ চি এফ) অধিক গুৰুত্বপূৰ্ণ উপাদান হৈ পৰিছে আৰু ২০১১ চনত ই মুঠ বৰঙণিৰ ৬.৪% পৰ্যায় স্পৰ্শ কৰিছে।

সি যি কি নহওক, বৰ্তমানৰ নিৰ্ণায়ক বৈশিষ্ট্য হ'ল— গোলকীকৰণ প্ৰক্ৰিয়াই আগবঢ়োৱা সুবিধাসমূহ কেনেদৰে উদ্ভাৱন আৰু ব্যৱহাৰ কৰিব পৰা যায়। স্পষ্টভাৱে, যদিহে সামাজিক, পাৰিপাৰ্শ্বিক আৰু ৰাজনৈতিক দিশৰ পৰা বাধাপ্ৰাপ্ত নহয় তেনেহ'লে ই সফল হ'ব। বিদেশী পুঁজি আকৰ্ষণ কৰিবলৈ অৰ্থনৈতিক উদগনিৰ সফলতা সমাজৰ সকলো স্তৰৰ লোকৰ বিশেষকৈ এই প্ৰক্ৰিয়াত জীৱিকা আৰু পৰিৱেশ প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা আৰু আলৈ-আথানিত ভোগা আৰু উপান্তসকলৰ পৰা সন্মতি আদায় কৰাৰ ওপৰত নিৰ্ভৰ কৰিছে। আমি যদি এই দৃষ্টি হেৰুৱাও তেনেহ'লে বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ কামধেনু প্ৰায় দুই দশকৰ পূৰ্বে বাণিজ্য আৰু বিনিয়োগৰ নামত যুক্তিযুক্ততা বিচৰা ইষ্ট ইণ্ডিয়া কোম্পানীৰ অশৰীৰি ছাঁয়াই নিষ্প্ৰভ কৰি পেলাব পাৰে।

# ভাৰতীয় প্ৰতিষ্ঠানসমূহ বিদেশলৈ কিয় যায়?


**ভি এন বালাসুব্ৰমন্যম***
**নিক'লাছ ফৰছান্স***

**I. পাতনি ঃ**

সম্প্ৰতি ভাৰত আৰু চীনে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ (এফ ডি আই)ৰ ক্ষেত্ৰখনত যে কেৱল উদাৰীকৰণেই কৰিছে এনে নহয়, দেশ দুখনে বিদেশত বিনিয়োগকাৰীৰূপেও মূৰ দাঙি উঠিছে। ভাৰতৰ বিনিয়োগৰ পৰিমাণ চীনতকৈ কম যদিও ভাৰতৰ এফ ডি আই-ৰ সংৰচনা মূলতঃ প্ৰস্তুতকৰণ আৰু সেৱাক লৈ গঢ়ি উঠিছে, উন্নত ৰাষ্ট্ৰসমূহত ইয়াৰ সবল উপস্থিতি, অধিকাৰৰ আধাৰত বৈদেশিক বজাৰত প্ৰৱেশৰ পদ্ধতিয়ে বিশেষকৈ আমেৰিকা আৰু বৃটেইনত ভাৰতক আন উদীয়মান আৰ্থিক বিনিয়োগকাৰী দেশতকৈ পৃথকৰূপে প্ৰতিষ্ঠা কৰিছে। ভাৰতৰ বিনিয়োগৰ এই বৈশিষ্ট্যসমূহ ফঁহিয়াই চোৱাটো প্ৰয়োজন। এই নিবন্ধত ভাৰতৰ প্ৰতিষ্ঠানসমূহৰ অনন্য পৰিচালনা দক্ষতাৰ বাবেই যে এইসমূহে বিনিয়োগ কৰিব পাৰিছে তাৰ সপক্ষে যুক্তি দাঙি ধৰা হৈছে।

**II. বিদেশত ভাৰতৰ বিনিয়োগৰ পৰিমাণ আৰু ধৰণ**

ভাৰতৰ এফ ডি আই-ৰ মুঠ পৰিমাণ ১৯৯০ চনৰ ১২৪ নিযুত ডলাৰৰ পৰা ২০১১ চনলৈ ১১১,২৫৭




নিযুত ডলাৰলৈ বৃদ্ধি পাইছে। উন্নয়নশীল দেশসমূহৰ মুঠ অ' ডি আই-ৰ পৰিমাণৰ ই ৩ শতাংশ। (তালিকা-১)

ভাৰতৰ অ' ডি আই চীনতকৈ চকুত লগা ধৰণে বেলেগ— চীনৰ বিনিয়োগৰ অধিকাংশ তেল আৰু কেঁচা সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল; ভাৰতৰ বিনিয়োগ প্ৰস্তুতকৰণ আৰু সেৱাৰ ওপৰত নিৰ্ভৰশীল। (তালিকা-২)

তৃতীয়তে, ভাৰতৰ ৫০ শতাংশতকৈ অধিক অ' ডি আই উন্নত দেশসমূহত কিন্তু চীনৰ ৭৫ শতাংশতকৈ অধিক অ' ডি আই উন্নয়নশীল দেশসমূহত।

২০০৮ চনৰ শেষলৈ বৃটেইনত আমেৰিকাৰ পাচতেই ভাৰতৰ স্থান।

চতুৰ্থতে, ভাৰতৰ অ' ডি আই-ৰ বিকাশ মূলতঃ আৰ্জিত। ২০১০ চনৰ আগষ্টত আটাইতকৈ বেছি উপাৰ্জিত দহখন দেশৰ ভিতৰত ভাৰত দ্বিতীয় স্থানত আছিল। উদীয়মান অৰ্থনৈতিক শক্তিসমূহৰ ভিতৰত সীমান্তৰ সিপাৰৰ

তালিকা-১ ঃ **চীন আৰু ভাৰতৰ অ' ডি আই (নিযুত ডলাৰ)**

| দেশ | ১৯৮১ | ১৯৮৫ | ১৯৯০ | ১৯৯৫ | ২০০০ | ২০০৫ | ২০০৬ | ২০০৭ | ২০০৮ | ২০০৯ | ২০১০ | ২০১১ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| চীন | ৩৯ | ৯০০ | ৪,৪৫৫ | ১৭,৭৬৮ | ২৭,৭৫৮ | ৫৭,২০৬ | ৭৩,৩৩০ | ৯৫,৭৯৯ | ১,৪৭,৯৪৯ | ২,২৯,৬০০ | ২,৯৭,৬০০ | ৩৬,৫৯৮ |
| ভাৰত | ৮০ | ৯৩ | ১২৪ | ৪৯৫ | ১,৭৩৩ | ৯,৭৪১ | ২৭,০৩৬ | ৪৪,০৮০ | ৬২,৪৫১ | ৭৭,২০৭ | ৯২,৪০৭ | ১১,১২৫ |

**উৎস ঃ** ইউ এন চি টি এ ডি (www.unctd.org/fdistatistics)

*জি এন বালাসুব্ৰমন্যম লাংকেষ্টাৰ ইউনিভাৰ্ছিটিৰ লাংকেষ্টাৰ ইউনিভাৰ্ছিটি মেনেজমেণ্ট স্কুলৰ ডেভেলপ্‌মেণ্ট অৰ্থনীতিৰ অধ্যাপক আৰু নিক'লাছ ফৰছান্স এক্সিটাৰ ইউনিভাৰ্ছিটিৰ এক্সিটাৰ বিজনেছ স্কুলৰ আন্তৰ্জাতিক কৌশলগত ব্যৱস্থাপনা বিভাগৰ অধ্যাপক

তালিকা-২ ঃ **চীন আৰু ভাৰতৰ অ' ডি আই**

| | ভাৰত | | | | চীন | | | |
|---|---|---|---|---|---|---|---|---|
| | ২০০০/০১ৰ পৰা ২০০৬/০৭লৈ (বিলিয়ন ডলাৰ) | % মুঠ বিনিয়োগৰ অংশ | ২০০৮/০৯ৰ পৰা | % মুঠ বিনিয়োগৰ অংশ | ২০০৪ৰ পৰা ২০০৭লৈ (বিলিয়ন ডলাৰ) | % মুঠ বিনিয়োগৰ অংশ | ২০০৮ৰ পৰা ২০১০লৈ (বিলিয়ন ডলাৰ) | % মুঠ বিনিয়োগৰ অংশ |
| প্ৰাথমিক খণ্ড | ১.০৬ | ০.৬৪ | ৪.৯৪ | ৮.৫৩ | ১৬.৯৩ | ২৬.০ | ২৫.৯৩ | ১৪.৩০ |
| খণ্ড | ১০.৯৮ | ৪৩.৪৬ | ২৫.৯৬ | ৪৫.০০ | ৬.০৬ | ৯.০ | ১৪.১৮ | ৭.৮৩ |
| খণ্ড | ১৩.২২ | ৫২.০০ | ২৬.৯৩ | ৪৬.৫৪ | ৪২.৩৪ | ৬৫.০ | ১৪১.১৪ | ৭৭.৮৭ |
| মুঠ | ২৫.২৬ | | ৫৭.৮৬ | | ৬৫.৪৩ | | ১৮১.২৪ | |

**উৎস ঃ** ইউ এন চি টি এ ডি (www.unctd.org/fdistatistics)

এম এণ্ড এ আদান-প্ৰদানৰ ২৪ শতাংশ অংশ ভাৰতৰ। ২০০০-২০০৯ চনৰ ভিতৰত ভাৰতীয় প্ৰতিষ্ঠানসমূহৰ ১৩৪৭ চামিলকৰণ আৰু উপাৰ্জন হ'ল ৭২ বিলিয়ন ডলাৰ।

তালিকা-৩ ঃ **ভাৰতীয় কোম্পানীসমূহৰ অধিকৃত আৰু চামিলকৰণৰ ভৌগোলিক বিতৰণ, ২০০০-২০০৯**

| দেশ | ২০০০ | ২০০১ | ২০০২ | ২০০৩ | ২০০৪ | ২০০৫ | ২০০৬ | ২০০৭ | ২০০৮ | ২০০৯ | মুঠ |
|---|---|---|---|---|---|---|---|---|---|---|---|
| আমেৰিকা | ২২ | ১২ | ৯ | ১৭ | ২০ | ৩৫ | ৪৩ | ৬২ | ৭৬ | ২৭ | ৩২৩ |
| ইউ কে | ৫ | ২ | ৮ | ১১ | ৭ | ১৬ | ২৬ | ২০ | ৩৬ | ১২ | ১৪৩ |
| আমে + ইউ কে | ২৭ | ১৪ | ১৭ | ২৮ | ২৭ | ৫১ | ৬৯ | ৮২ | ১১২ | ৩৯ | ৪৬৬ |
| কানাডা | ০ | ০ | ০ | ০ | ০ | ২ | ৫ | ৯ | ৭ | ৯ | ৩২ |
| অন্যান্য | ৩৪ | ২৯ | ৫২ | ৪৭ | ৪৭ | ৯১ | ১১১ | ১১২ | ১৯৮ | ১৪১ | ৮৪৯ |
| মুঠ | ৬১ | ৪৩ | ৮০ | ৭৪ | ৭৪ | ১৪৪ | ১৮৫ | ২০৩ | ৩১৭ | ১৮৯ | ১৩৪৭ |

**উৎস ঃ** থমছন ৰান বেংকাৰ (২০১০)

টেট্‌লী টী, জাগুৱাৰ এণ্ড লেণ্ড ৰোভাৰ, ক'ৰাছ ষ্টীল (কেউটা টাটাৰ মালিকানাধীন), ৱাইট এণ্ড মেকে, দ্য স্কটিছ ডিষ্টিলেৰী প্ৰতিষ্ঠানৰ মাল্য (ভাৰতীয় উদ্যোগী) আৰু ছফ্‌টৱেৰত বহুসংখ্যক বিনিয়োগ সংবাদ মাধ্যত জিলিকিছে।

## III. পৰম্পৰাগত ব্যাখ্যা

বিদেশত প্ৰতিষ্ঠানসমূহে ধন বিনিয়োগ কৰাৰ কাৰণ হ'ল বজাৰৰ প্ৰতিকূলতা আৰু পণ্য ৰপ্তানিৰ বাবে বিকল্পৰ ক্ষেত্ৰত আহি পৰা প্ৰতিষ্ঠানিক প্ৰতিবন্ধকতা। ষ্টিফেন হাইমাৰ (১৯৭৬)ৰ পৰ্যবেক্ষণ ইয়াত আলোচনা আৰু ব্যাখ্যা কৰা হৈছে যাতে বিদেশৰ ক'ত বিনিয়োগ কৰা হয়, সেই সন্দৰ্ভত বাছনি কৰিব পৰা যায়। ষ্টিফেনৰ অ' এল আই তত্ত্বৰ সৈতে ভাৰত চীনৰ বিদেশত প্ৰত্যক্ষ বিনিয়োগ (অ' এল আই)ৰ সৈতে জড়িত (প্ৰধান ২০১১, বাকলী ২০০৭, কুমাৰ ২০০৭, নানেনকাম্প ২০১০)। ভাৰতৰ সৈতে জড়িত বিষয়সমূহৰ অগ্ৰণী অধ্যয়ন চলাইছে জয়প্ৰকাশ প্ৰধানে। তেওঁ সংবাদ মাধ্যম আৰু চৰকাৰী উৎসৰ অপ্ৰকাশিত তথ্যসমূহৰ পৰা যথেষ্ট সংখ্যক তথ্য আহৰণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছে।

প্ৰধানৰ বিশ্লেষণ অনুসৰি উচ্চ শ্ৰম উৎপাদনশীলতা, বিভিন্ন ক্ষেত্ৰত ব্যয়, উল্লিখিত ধৰণৰ পৰিচালনাৰ দক্ষতা, ৰপ্তানি আৰু ১৯৯১ চনৰ পাচৰ উদাৰীকৰণ পদক্ষেপসমূহেই হ'ল ভাৰতীয় শিল্পপতি প্ৰতিষ্ঠানসমূহ বিদেশলৈ যোৱাৰ কাৰক। অৱশ্যে ইয়াৰ ফলত ভাৰতীয় প্ৰতিষ্ঠানসমূহৰ মালিকানাৰ সুবিধা কেনে ধৰণৰ সেই সন্দৰ্ভত বিতৰ্কৰ অৱকাশ আছে। মূলধনকেন্দ্ৰিক উদ্যোগসমূহত প্ৰতিষ্ঠানসমূহৰ উপস্থিতি আৰু উৎপাদন প্ৰক্ৰিয়াৰ উচ্চ মূলধনী ব্যৱস্থাৰ পৰা

নিঃসৃত হয় উচ্চ শ্ৰম উৎপাদন-শীলতা। উদাৰীকৰণৰ আগৰ আমদানিৰ ফলত সৃষ্টি হোৱা ঔদ্যোগিকৰণৰ যুগৰ বৈশিষ্ট্য হ'ল এই দুটা বিষয় (ভাগৱতী আৰু দেশাই, ১৯৭০, পানাগাৰিয়া ২০০৮)। প্ৰকৃততে ভাৰতীয় প্ৰস্তুতকৰণ খণ্ডত অধিকাংশ উপ-শাখা চীনৰ তুলনামূলক উপ-শাখাতকৈ বহু বেছি মূলধনকেন্দ্ৰিক।

প্ৰধানৰ ভাৰতীয় প্ৰতিষ্ঠানসমূহৰ বিশ্লেষণত অন্তৰ্ভুক্ত চলকসমূহৰ তালিকাৰ প্ৰথমটো হ'ল পৰিচালনাৰ দক্ষতা। সঁচাকৈয়ে ভাৰতীয় ফাৰ্মৰ পৰিচালনাৰ দক্ষতাই মালিকানা স্বত্ব সুবিধা প্ৰদান কৰে, যি প্ৰতিষ্ঠানসমূহক প্ৰভাৱান্বিত কৰিবলৈ যথেষ্ট। বিভিন্ন ধৰণে আৰোপিত পৰিচালনাৰ দক্ষতা সহজে পৰিমাপ কৰিব নোৱাৰি। প্ৰধানে ইয়াক পৰিমাপ কৰিছে প্ৰতিষ্ঠানসমূহৰ সম্পদৰ প্ৰতিটো গোটৰ লাভৰ অৱনতিকৰণ, ৰপ্তানিকৃত জ্ঞানৰ বাবে প্ৰদান কৰা ৰয়েল্টি, বিক্ৰয় ব্যয় আৰু উদ্যোগ আৰু খণ্ডসমূহৰ মালিকানা আৰু ধৰণৰ কাল্পনিক চলকৰ সংহতিৰে। পৰিচালনাৰ দক্ষতাৰ বাবে লাভ কৰা আয় পৰিমাপ কৰা হয় প্ৰকৃত লাভতকৈ লাভৰ প্ৰাক্কলন স্তৰৰ তাৰতম্যৰে। এইটো হ'ল পৰিচালনাৰ দক্ষতা নিৰ্ণয় কৰা উদ্ভাৱনশীল পদ্ধতি। এয়া পৰিচালকসকলৰ সহজাত গুণ। অৱশ্যে এই ব্যৱস্থাৰ ক্ষেত্ৰত এটা সমস্যাই দেখা দিব পাৰে; ই কেৱল মুঠ মূলধনী লাভহে প্ৰতিফলিত কৰিব পাৰে, যেনে— মূল্য নিৰ্দ্ধাৰিত দৰমহাৰ মান। যদি দৰমহাৰ হাৰ কম বা নিযুক্তিৰ স্তৰ নিম্ন, মূল্য নিৰ্দ্ধাৰিতৰ পৰা দৰমহা বাদ দিলে যি অৱশেষ থাকিব সেয়া উচ্চ হ'ব।

পৰিচালনাৰ দক্ষতাই সাংগঠনিক দক্ষতাকো সামৰি লয়। উৎপাদন ক্ৰিয়াৰ কব-ডগলাছ ধৰণত ইয়াক 'A term' ৰূপে চিহ্নিত কৰা হয়। ভাৰতীয় অৰ্থনীতিৰ মুঠ কাৰক উৎপাদনশীল বিকাশৰ প্ৰাক্কলন মতে উত্তৰ-উদাৰীকৰণ কালছোৱাত ই বিশেষ বৃদ্ধি পোৱা নাই (দেব কুসুম ২০১০, গ'ল্ডাৰ আৰু কুমাৰ, ২০০২, সেন ২০০৭)। গ'ল্ডাৰ আৰু কুমাৰৰ অধ্যয়ন অনুসৰি, ভাৰতীয় প্ৰস্তুতকৰণ খণ্ডত মুঠ কাৰক উৎপাদনশীলতা বিকাশৰ বাৰ্ষিক হাৰ উত্তৰ-উদাৰীকৰণৰ সময়ত প্ৰাক-উদাৰীকৰণৰ কালছোৱাতকৈ অৱনমিত হৈছে। এই অৱনমনৰ কাৰণৰূপে তেওঁলোকে আঙুলিয়াব খোজে সামগ্ৰিকভাৱে ভাৰতীয় প্ৰস্তুতকৰণ প্ৰতিষ্ঠানৰ কম পৰিসৰৰ উপযোগিতালৈ। অন্য এটা অধ্যয়ন (মুখাৰ্জী আৰু মজুমদাৰ, ২০০৭) অনুসৰি ১৯৮০ চনৰ পৰা ২০০০ চনলৈ ভাৰতীয় সংগঠিত নিৰ্মাণকাৰী উদ্যোগত কাৰিকৰী পৰিৱৰ্তনৰ বিতং বিশ্লেষণ দাঙি ধৰা হৈছে আৰু এই সমীক্ষাও একে ধৰণৰ সিদ্ধান্তত উপনীত হৈছে।

অধিকাংশ নিৰ্মাণকাৰী ফাৰ্মৰ ক্ষেত্ৰত কাৰিকৰী দক্ষতাৰ অভাৱক বিনিয়োগৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ প্ৰয়োজনীয় পৰিচালনাৰ দক্ষতাৰ অভাৱৰূপে চিহ্নিত কৰাটো উচিত নহয়। এয়া কেৱল কঠোৰ শ্ৰম আইন আৰু উদ্যোগ গ্ৰহণৰ ক্ষেত্ৰত আমোলাতন্ত্ৰৰ বাধা প্ৰদানৰ অভিপ্ৰায়ৰ বাবে হোৱা দেখা যায়। পৰিচালকসকলে মূলধন বৃদ্ধিৰ প্ৰযুক্তিৰ জৰিয়তে সৰ্বোচ্চ লাভৰ বিকল্প গ্ৰহণ কৰিব পাৰে।

পূৰ্বতে উল্লেখ কৰা ধৰণে পৰিসাংখ্যিক ফলাফলে দেখুৱায় যে অধিক লাভ অৰ্জনকাৰী প্ৰতিষ্ঠানসমূহৰ বিদেশলৈ যোৱাৰ প্ৰৱণতা থাকে। কিন্তু লাভ অৰ্জনকাৰী সকলো প্ৰতিষ্ঠানেই বিদেশলৈ যাবলৈ সক্ষম নহয়। বিদেশত বিনিয়োগ কৰা বহু ব্যৱসায়িক প্ৰতিষ্ঠানেই বিনিয়োগৰ বাবে আন্তঃৰাষ্ট্ৰীয় মূলধনী বজাৰৰ পৰা পুঁজি সংগ্ৰহ কৰাৰ সম্ভাৱনা থাকে। বিদেশত থিতাপি ল'ব খোজা ব্যৱসায়িক প্ৰতিষ্ঠানে অনন্য মালিকানাৰ সুবিধা লাভ কৰে, যাক বিপদ শংকা ল'ব পৰা আৰু পৰিচালনাৰ দক্ষতা থকা উদ্যমিতা বুলি অভিহিত কৰিব পাৰি। এই সন্দৰ্ভত উদীয়মান অৰ্থনীতিৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ ভিতৰত ভাৰতীয় প্ৰতিষ্ঠানসমূহ অনন্য হ'ব পাৰে। ভাৰতীয় পৰিচালকসকলৰ এই অনন্য গুণসমূহ কেনেকৈ আৰু ক'ৰ পৰা আহে?

**বিদেশলৈ যোৱা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ অনন্য বৈশিষ্ট্যসমূহ ঃ**

বিদেশলৈ যোৱা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক প্ৰভাৱান্বিত কৰা কাৰকবোৰ সাধাৰণীকৰণ কৰাটো অসম্ভৱ (ৰামমূৰ্তি ২০০৮, আত্ৰেয়ী আৰু ছয়ীদ ২০১৩, আঠুক'ৰালা ২০০৯)। উত্থিত বজাৰৰ অধিকাংশ ব্যৱসায়িক প্ৰতিষ্ঠানেই বিদেশত বিনিয়োগ কৰাৰ এটা কাৰণ হ'ল তিষ্ঠি থকা ব্যৱসায়িক প্ৰতিষ্ঠানত নিহিত কাৰিকৰী প্ৰযুক্তিগত দক্ষতা আহৰণ কৰাটো। এয়া বিদেশত প্ৰত্যক্ষ বিনিয়োগকাৰী প্ৰতিষ্ঠানৰ সম্পত্তি আহৰণৰ তথাকথিত কাৰ্যগতি। তিষ্ঠি থকা ব্যৱসায়িক প্ৰতিষ্ঠান উপাৰ্জনৰ বাবে প্ৰয়োজন পৰিচালনাৰ দক্ষতা, কিন্তু এয়া পাৰিসাংখ্যিক সমীক্ষাত উল্লেখ কৰা ধৰণৰ নহয়। ই অন্য শ্ৰেণীৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ সম্পদৰ উৎপাদনশীলতা আৰু প্ৰকৃতিৰ চিনাক্ত-কৰণ, সেইবোৰৰ বজাৰৰ সম্ভাৱনীয়তা, বিদেশত কাম কৰাৰ ক্ষেত্ৰত বিপদশংকা আদি অন্তৰ্ভুক্ত কৰে; আটাইতকৈ ডাঙৰ কথা, বিদেশৰ কোনো স্থানত ব্যৱসায় পৰিচালনা কৰাৰ দক্ষতা।

অতিৰিক্তভাৱে আৰ্জিত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ পুনৰুজ্জীৱিত কৰিব লাগিব পাৰে, সেইবোৰৰ উৎপাদন-কেন্দ্ৰিক সুবিধা থাকিব পাৰে, কিন্তু বজাৰ বিচাৰি উলিওৱা আৰু উন্নয়ন কৰাৰ ক্ষেত্ৰত সেইবোৰ অদক্ষতাৰ বাবে ৰুগ্ন হ'ব পাৰে। ভাৰতীয় পৰিচালক যি বিদেশত বিনিয়োগ কৰে তেওঁলোকৰ এনে ধৰণৰ দক্ষতা থকা যেন লাগে, বা কেইন্‌ছে অভিহিত কৰা সংজ্ঞা উদ্যোগীৰ 'জান্তৱ উদ্দীপনা'। এয়া উদ্যোগীৰ এনে এটা প্ৰতিভা যে ই কেইবাটাও ভাৰতীয় প্ৰতিষ্ঠানক আগবঢ়াই লৈ গৈছে, বিশেষভাৱে উল্লেখযোগ্য হ'ল টাটা। আন্তঃৰাষ্ট্ৰীয় মূলধনী বজাৰত বিনিয়োগৰ বাবে আৱশ্যকীয় মূলধন যোগাৰ কৰাৰ ক্ষেত্ৰত এই প্ৰতিভা দৰকাৰ। নাথানিয়েল লেফৰ ভাষাত (১৯৭৯)□'উদ্যমিতাই উন্নততৰ তথ্য প্ৰতিফলিত কৰিব পাৰে, অধিক জৰুৰীভাৱে কল্পনা, যি বাস্তৱিকতে নতুন সুযোগৰ বিপদশংকা আৰু অনিশ্চয়তা হ্ৰাস কৰে, যিবোৰ অন্য বিনিয়োগকাৰীসকলে অৱজ্ঞা বা নাকচ কৰে।'

উদ্যমিতা সন্দৰ্ভত অধ্যয়নে উদ্যমিতাক দুটা বহল ভাগত ভাগ কৰে— প্ৰয়োজনীয়তা উদ্যমিতা আৰু সুযোগ উদ্যমিতা (ক'ষ্টাৰ আৰু ৰাজ, ২০০৮)। প্ৰথমটো উদ্ভৱ হয় যেতিয়া নিযুক্তিৰ সুযোগৰ অৱনতি ঘটে আৰু চাকৰি সন্ধানীসকল নিজে নিজে উৎপাদন সুবিধা প্ৰতিষ্ঠা কৰিবলৈ বাধ্য হয়। সুযোগ নিৰ্ভৰ উদ্যমিতা পৰিলক্ষিত হয় যেতিয়া ব্যৱসায়িক প্ৰতিষ্ঠানে নতুন বজাৰ দখলৰ উপায় উদ্ভাৱন কৰে। উত্তৰ উদাৰীকৰণ যুগত বিদেশত বিনিয়োগ কৰা ভাৰতীয় ব্যৱসায়িক প্ৰতিষ্ঠান সুযোগ সন্ধানীৰ ভাগত পৰিব পাৰে।

ভাৰতীয় ফাৰ্মৰ উদ্যমিতা প্ৰবৃত্তি আৰু দক্ষতা ভাৰতীয় অৰ্থনীতিৰ কেইবাটাও অনন্য বৈশিষ্ট্যৰ ভিতৰুৱা। এইবোৰৰ সৰ্বপ্ৰথম হ'ল বুৰঞ্জীৰ পৰা উত্তৰাধিকাৰ সূত্ৰে আহৰণ কৰা। ভাৰতৰ জাতি আৰু সম্প্ৰদায়েৰে ভৰা ব্যৱসায়িক উদ্যমিতাৰ বুৰঞ্জী দীঘলীয়া। এইসমূহৰ ভিতৰত অগ্ৰণী হ'ল বণিয়া আৰু মাৰৱাৰীসকল; ব্ৰিটিছ সাম্ৰাজ্যবাদী যুগত ভাৰতৰ বৈদেশিক বাণিজ্যত বিনিয়োগ কৰাৰ ক্ষেত্ৰত মূলতঃ এই বণিক আৰু সুতখোৰসকলে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। হিন্দু বা মুছলমানৰ সৈতে কোনো সম্পৰ্ক নথকা পাৰ্চীসকল আছিল একক বৈশিষ্ট্যৰে সমুজ্জ্বল। তেওঁলোকে ব্ৰিটিছ আৰু ভাৰতীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ মাজৰ যোগসূত্ৰ গঢ়ি তুলিছিল।

ভাৰতৰ ব্যৱসায়িক গোষ্ঠীসমূহৰ এটা অধ্যয়নত হৰিশ দামোদৰনে (২০০৮) ব্ৰিটিছ আৰু পাৰ্চীৰ মাজৰ বিশেষ সম্পৰ্ক চিহ্নিত কৰিছিল ঃ "হিন্দু বা মুছলমান মূলসুঁতিৰ অংশ নোহোৱাকৈ, কোনো ৰাজনৈতিক আকাংক্ষা পুহি নৰখাকৈ আৰু ভাৰুচ, ছুৰাট আৰু দমনৰ বন্দৰসমূহৰ ওচৰত থকা বাবে বাণিজ্যিক প্ৰভাৱযুক্ত হৈ পাৰ্চীসকল থলুৱা দালাল, মধ্যভোগী আৰু চালানকাৰীৰূপে নিযুক্তিৰ বাবে আদৰ্শ বিবেচিত হৈছিল।" (দামোদৰন, ২০০৮, পৃঃ ১৪)। ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰে তেওঁলোকৰ ব্যৱসায়িক সম্পৰ্ক ব্যাপক আছিল। ইয়াৰ বাবেই ঊনবিংশ শতিকাত চীনৰ সৈতে লাভদায়ক কানিৰ বেপাৰত যুক্ত হ'বলৈ তেওঁলোকে ব্যৱসায় সম্প্ৰসাৰিত কৰিছিল।

কপাহ, চাহ, ৰেচম আৰু অন্য কেঁচা সামগ্ৰীৰ বিশ্বৰ বজাৰখনত পাৰ্চী আৰু বণিয়াসকলৰ আগ্ৰহ আছিল। ভাৰতীয় ব্যৱসায়ীসকলৰ বৈশিষ্ট্যসমূহৰ অন্যতম হ'ল তেওঁলোকৰ ভাৰতীয় আৰু ইউৰোপীয়ান উভয় সংস্কৃতিৰ সৈতে মিলিজুলি কাম কৰাৰ দক্ষতা আছিল। তীৰ্থংকৰ ৰয় (২০১১)ৰ মতে, "ভাৰতীয়সকলে সম্প্ৰদায়সমূহৰ ৰীতি-নীতিৰ অনানুষ্ঠানিক আৰু কৰ্প'ৰেট আইনৰ আনুষ্ঠানিক জগতৰ মাজত ইউৰোপীয়সকলতকৈ অধিক স্বচ্ছন্দ্য-ভাৱে কাম কৰিছিল। তেওঁলোকে এই দুই সামাজিক ক্ষেত্ৰত সুষমভাৱে বিচৰণ কৰিব পাৰিছিল, আৰু তেওঁলোকে ইয়াক ইউৰোপীয়ান ৰাজনৈতিক জোঁট-সমূহৰ মাজেৰে কাম কৰিবলৈ সুবিধা-ৰূপে ব্যৱহাৰ কৰিছিল।"

ভাৰতীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ মাজৰ উদ্যমিতা প্ৰতিভাৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা আগবঢ়োৱা দ্বিতীয়টো কাৰক হ'ল ব্যৱসায়িক গোষ্ঠীসমূহৰ অস্তিত্ব, অধিকাংশই পৰিয়ালতান্ত্ৰিক। ২০০২-২০০৮ চনৰ কালছোৱাত বৈদেশিক আৰ্জিত সম্পদৰ প্ৰাক্‌কলিত সংখ্যা ১৩৪৭ৰ তিনি-চতুৰ্থাংশ স্বীকৃত ব্যৱসায়িক প্ৰতিষ্ঠানে গ্ৰহণ কৰিছিল। একাষৰীয়া হৈ থকা প্ৰতিষ্ঠানতকৈ এই সংখ্যা বেছি। গোষ্ঠীকেন্দ্ৰিক ব্যৱসায়িক প্ৰতিষ্ঠান ভাৰতত নতুন নহয়; এনে প্ৰতিষ্ঠান উদীয়মান অৰ্থনীতিৰ দেশতো আছে। কিন্তু ভাৰতীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ এটা বৈশিষ্ট্য হ'ল পৰিয়ালকেন্দ্ৰিক ব্যৱসায়। যি গোট-সমূহে গোষ্ঠী গঠন কৰে, বৈচিত্ৰ্যপূৰ্ণ পণ্য আৰু সেৱাও উৎপাদন কৰে; কিন্তু সেইসমূহে একেলগে বিপদশংকা ভগাই লয়, একেলগে তথ্য আৰু বিনিয়োগৰ অংশীদাৰ হয় আৰু শ্ৰমিক তথা ব্যৱস্থাপনাৰ প্ৰশিক্ষণত বিনিয়োগ কৰে। গোষ্ঠীসমূহে মূলধনী অনুষ্ঠান আৰু

বজাৰৰ অনুপস্থিতিৰ অভাৱ পূৰণ কৰে; যি উন্নত দেশশমূহত বিপদশংকা আৰু পৰিকল্পনা উজু কৰি তোলে।

ঐতিহাসিক যুগৰে পৰা বৰ্তমানলৈ ভাৰতীয় ব্যৱসায়ৰ উদ্যমিতা দক্ষতালৈ বৰঙণি যোগোৱা তৃতীয়টো কাৰক হ'ল শিক্ষা ব্যৱস্থা, যি ভাৰতৰ বাবে অনন্য। তীৰ্থংকৰ ৰয় (২০১১)ৰ পৰ্যবেক্ষণ মতে, ঔপনিৱেশিক কালছোৱাত ভাৰতৰ শিক্ষা ব্যৱস্থা জাতিভিত্তিক আছিল ঃ "সকলো ক্ষেত্ৰতে শিক্ষাৰ চাহিদাৰ ঐতিহাসিক ধৰণ কেইটামান জাতি আৰু সম্প্ৰদায়ৰ প্ৰতি পক্ষপাতমূলক আছিল কাৰণ সেই লোকসকল শিক্ষাৰ সেৱা সন্দৰ্ভত উত্তৰাধিকাৰ সূত্ৰে জড়িত আছিল। যি গোষ্ঠীৰ চিকিৎসা, শৈক্ষিক, লিখা-মেলাৰ সৈতে জড়িত বৃত্তিৰ সৈতে সংস্পৰ্শ আছিল (প্ৰাক-ঔপনিৱেশিক কালত) তেওঁলোকেহে শিক্ষা, চিকিৎসা আৰু ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত ঔপনিৱেশিক কালত প্ৰৱেশ কৰিছিল। এই শ্ৰেণীসমূহে নতুন বিদ্যালয়-মহাবিদ্যালয়ত আগ্ৰহেৰে পঢ়া-শুনা কৰিছিল; আনহাতে অন্যান্য জাতি-সম্প্ৰদায়ৰ কম সংখ্যকেহে অধ্যয়নৰ সৈতে জড়িত হৈছিল বা আধাতে পঢ়া-শুনা এৰি দিছিল। তিনিখন বন্দৰ মহানগৰী মাদ্ৰাজ, মুম্বাই আৰু কলকাতাত সাক্ষৰ চাকৰি কৰা পৰিয়ালৰ ধাৰা আৰু চাকৰি বৃত্তিৰ পাৰস্পৰিক সম্পৰ্ক আছিল; সেই মতে শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰো দেখা গৈছিল। শিক্ষা ব্যৱস্থা আছিল সম্পূৰ্ণ জাতিভিত্তিক আৰু তেনে বৃত্তিসমূহত প্ৰৱেশ কৰিবলৈ বিচৰাসকলৰ দ্বাৰাই এই ব্যৱস্থাত আধিপত্য বিস্তাৰ হৈছিল। এনেকৈয়ে অভিজাত শ্ৰেণীৰ লোকসকল শিক্ষাৰ প্ৰাথমিকৰ পৰা উচ্চতৰ স্তৰলৈ আগবাঢ়ি গৈছিল। এই শিক্ষা ব্যৱস্থাই অভিজাতসকলৰ চাহিদা আৰু প্ৰয়োজন পূৰণ কৰিছিল আৰু জনসাধাৰণৰ বাবে প্ৰাথমিক শিক্ষাই গুৰুত্ব পোৱা নাছিল। এই জাতিভিত্তিক শিক্ষা, অসামৰিক সেৱা আৰু চাকৰিৰ বাবে মূলতঃ কেন্দ্ৰীভূত আছিল আৰু ই ছফ্‌ট্ৱেৰ আৰু সেৱা অৰ্থনীতিৰ ভিত্তি তৈয়াৰ কৰে। উল্লেখযোগ্য যে ভাৰতৰ হৈ বিদেশত বেছিকৈ বিনিয়োগ কৰা গোষ্ঠীসমূহৰ এয়া অন্যতম।

ভাৰতীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ পৰিচালনাৰ দক্ষতাৰ বিকাশত অৰিহণা যোগোৱা চতুৰ্থ কাৰক হ'ল বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত ভাৰতীয় সকলৰ বিক্ষিপ্ত উপস্থিতি। শেহতীয়া দশকৰ শেষৰছোৱাৰ তথ্য অনুসৰি বৃটেইনত ভাৰতীয়ৰ সংখ্যা ১৬ লাখ আৰু ই দেশখনৰ জনসংখ্যাৰ ১.৮ শতাংশ। আমেৰিকা যুক্তৰাষ্ট্ৰত এই সংখ্যা ২৮ লাখ আৰু ই দেশখনৰ জনসংখ্যাৰ ৩.৯ শতাংশ।

বিদেশত ভাৰতীয় বিনিয়োগৰ চমকপ্ৰদ বিকাশৰ আৰু দুটা ব্যাখ্যা হ'ব পাৰে। ভাৰতৰ ভূমিতকৈ বিদেশৰ ভূমিত ব্যৱসায় পৰিচালনা কৰাটো সহজ। সংবাদ মাধ্যমৰ শেহতীয়া প্ৰতিবেদন অনুসৰি, চৰকাৰী নিয়ন্ত্ৰণ ব্যৱস্থাৰ লেহেমীয়া গতিৰ বাবেই ভাৰতীয় ব্যৱসায়ীসকল হতাশাত ভোগে।

দ্বিতীয়তে, ভাৰতৰ আকৰ্ষণীয় ঘৰুৱা বজাৰৰ উপস্থিতিত বিদেশৰ বজাৰৰ আকৰ্ষণে ঊনবিংশ শতিকাৰ ইংৰাজ-সকলৰ অভিজ্ঞতাৰ প্ৰতিফলন ঘটায়।

**সামৰণি**

এই নিবন্ধই যুক্তি দৰ্শায় যে ভাৰতৰ বিদেশত বিনিয়োগৰ উল্লেখনীয় বিকাশৰ আটাইতকৈ ডাঙৰ কাৰণটো হ'ল ব্যৱসায়ীসকলৰ উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা উদ্যমিতা গুণ। এই নিবন্ধত ব্যৱসায়িক গোষ্ঠীৰ মূল আৰু অন্য উদীয়মান অৰ্থনীতিৰ ক্ষেত্ৰত নথকা কিন্তু ভাৰতীয় ব্যৱসায়িক প্ৰতিষ্ঠান-সমূহৰ উদ্যমিতা গুণৰ অৰ্থনৈতিক আৰু সামাজিক কাৰকসমূহ বিচাৰ কৰা হৈছে। ১৯৯০ৰ দশকত নীতি-নিৰ্দেশনা, বাধ্যবাধকতা আদি প্ৰত্যাহাৰ কৰাৰ পাচত উদ্যোগীসকলৰ 'জান্তৱ প্ৰবৃত্তি' সম্পূৰ্ণৰূপে বিকশিত হয় আৰু বাণিজ্য আৰু বিনিয়োগৰ জৰিয়তে বিশ্ব অৰ্থনীতিত অংশগ্ৰহণ কৰাৰ আকাংক্ষা সজীৱ হৈ উঠে। আন্তঃৰাষ্ট্ৰীয় বজাৰত কাম কৰিবলৈ সহায় কৰা উদ্যমিতা এই ব্যৱস্থাই প্ৰতিভা, বজাৰৰ সুযোগ আৰু বিনিয়োগৰ চিনাক্তকৰণ, সাংগঠনিক ক্ষেত্ৰত ভাৰতীয় প্ৰতিষ্ঠানসমূহক মালিকানাৰ সুযোগ আনি দিয়ে। ❒

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# ভাৰতত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ স্থিতি

ছজিন ছিন*

বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক "সীমান্তৰ সিপাৰৰ নিৰ্দিষ্ট অৰ্থব্যৱস্থাৰ বাসিন্দাই আন এটা অৰ্থব্যৱস্থাত স্থিতি লাভ কৰা স্বাৰ্থৰ উদ্দেশ্যলগ্নী কৰা"ৰূপে পৰিচয় প্ৰদান কৰা হয়। আন কথাত ক'বলৈ গ'লে ভাৰতলৈ "এফ ডি আই-ৰ আগমন হ'ল প্ৰবাসী প্ৰতিষ্ঠান অথবা ভাৰতৰ বাহিৰত বাস কৰা ব্যক্তিৰ দ্বাৰা কোনো ভাৰতীয় কোম্পানীত বিনিয়োগ কৰা।" কেৱল সম্পত্তিৰ গৰাকী স্বত্ব আহৰণ কৰাই নহয়, তদুপৰি বিদেশী বিনিয়োগকাৰীয়ে দেশখনত থকা উদ্যোগৰ ব্যৱস্থাপনাতো সিদ্ধান্ত নিৰ্ণয়েৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। দীৰ্ঘকালীন বিনিয়োগ আৰু ব্যৱস্থাপনাৰ কাম-কাজত অংশগ্ৰহণ সন্দৰ্ভত বিদেশী প্ৰত্যক্ষ বিনিয়োগক (এফ ডি আই) সেই দেশখনৰ বাবে আন্তৰ্জাতিক মূলধন বিনিয়োগ কৰাত সহায়কৰূপে বিবেচনা কৰা হয়। এফ ডি ই-ৰ অন্তঃস্ৰোতৰ দুই বিপৰীতমুখী দিশ সত্ত্বেও— এটা হ'ল ভাল আৰু আনটো বেয়া— অৰ্থনৈতিক বৃদ্ধি সাধনৰ সৈতে ইয়াৰ সম্বন্ধ থকা হেতু প্ৰকাশমান হোৱা বহু বজাৰৰ অৰ্থব্যৱস্থাই নিজৰ অৰ্থনৈতিক বিকাশৰ বাবে এফ ডি আই-ৰ অন্তৰ্নিহিত প্ৰবাহৰ ফলত লাভৱান হোৱা দেখা যায়।

যোৱা দুটা দশক কাল ধৰি বহু বিকশিত বজাৰৰ অৰ্থব্যৱস্থাত এফ ডি আই-ৰ অন্তঃস্ৰোত একেলেঠাৰিয়ে বৃদ্ধি পাইছে। তেনে অৰ্থব্যৱস্থাৰ ভিতৰত ভাৰত আৰু চীনৰ কথা উল্লেখ কৰিব পাৰি (ৰাষ্ট্ৰসংঘৰ চি টি এ ডি, ২০১০ৰ প্ৰতিবেদন অনুযায়ী)। সুবিধা গ্ৰহণকাৰী অৰ্থব্যৱস্থাৰ দেশৰূপে সম্প্ৰতি চীন সম্ভাৱনাৰ শীৰ্ষত আছে আৰু ভাৰত ভিন্নদেশীয় নিগমসমূহৰ কাৰণে তৃতীয় উমৈহতীয়া লক্ষ্য স্থলৰূপে পৰিগণিত হৈছে। এই দুই দেশৰ বিকশিত বজাৰৰ অৰ্থব্যৱস্থাই নীতিৰ পৰিৱৰ্তন আৰু প্ৰশাসনীয় নীতি-নিয়ম সু-নিয়াৰি কৰি এফ ডি আই-ৰ সোঁত বোৱাবৰ কাৰণে আকৰ্ষণ কৰিছে। এই গতিধাৰাৰ অন্তৰালত থকা গুৰুত্বপূৰ্ণ কাৰণ হ'ল এফ ডি আই-ৰ অন্তঃস্ৰোতৰ হিত সাধনকাৰক বৈশিষ্ট্যৰ পৰা স্থিতি লাভ কৰিছে। সেই বৈশিষ্ট্যৰাজি হ'ল— নিয়োগ, মূলধনী সামগ্ৰী আৰু সা-সুবিধা, উৎপাদনক উৎসাহ প্ৰদানৰ অৰ্থে প্ৰযুক্তিৰ হস্তান্তৰকৰণ, পৰিচালনামূলক কাম-কাজত বিনিয়োগকাৰীৰ অংশগ্ৰহণৰ জৰিয়তে কোম্পানীসমূহৰ স্বচ্ছতাৰ দিশৰ উন্নতি সাধন আৰু ৰূপায়ণ কৰা দেশখনত ঘৰুৱা বিনিয়োগকো উজ্জীৱিত কৰাৰ প্ৰয়াস। এছিয়াৰ কেইখনমান বিকাশশীল ৰাষ্ট্ৰৰ আৰ্হিৰূপে উক্ত দুয়োখন দেশে তেনে প্ৰসায় কৰাত মনোনিৱেশ কৰিছে আৰু তেনে আৰ্হি দেখুওৱা দেশকেইখন হ'ল দক্ষিণ কোৰিয়া, টাইৱান, হংকং আৰু ছিঙ্গাপুৰ। এই দেশকেইখনে দেখুৱাইছে কেনেদৰে তেওঁলোকৰ অৰ্থনৈতিক বিকাশৰ বাবে এফ ডি আই-ৰ অন্তঃস্ৰোতৰ সম্পদখিনি ভালদৰে কামত লগাব পাৰি। ইয়াৰ বাহিৰেও এফ ডি আই অন্তঃস্ৰোতক "চলিত মুদ্ৰাৰ ক্ষেত্ৰত দেখা দিয়া সংকট আৰু আন্তৰ্জাতিক মুদ্ৰানিধিৰ উদ্ধাৰৰ বাবে পাব পৰা ঋণ" ব্যৱস্থাক কম প্ৰয়োজন হোৱাৰূপে গণ্য কৰিব পৰা যায়। মূলধনী সংকটৰ সময়ত বৈদেশিক বিনিময় মুদ্ৰা কিছু পৰিমাণে সঞ্চয় কৰি ৰাখি এই কাম কৰা হয়।

## ভাৰত এফ ডি আই প্ৰবাহৰ নীতি পৰিৱৰ্তন

ভাৰতৰ ক্ষেত্ৰত এফ ডি আই-ৰ আগমনক আদৰাৰ বিষয়ত অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহৰ বৰ্দ্ধিতভাৱে পৰিৱৰ্তন ঘটে। তাৰ কাৰণ হ'ল ১৯৭০ৰ দশকৰ মাজভাগৰ পৰা ইয়াৰ বজাৰখনৰ গোলকীয় বজাৰৰ সৈতে সমন্বয় সাধন হয়। এফ ডি আই-ৰ গতিধাৰাৰ নীতি তিনিটাৰ বিভিন্ন স্তৰৰ জৰিয়তে বিকাশ সাধন হয়। সেই স্তৰকেইটা হ'ল— (১) এফ ডি আই বিৰোধী (এণ্টি-এফ ডি আই) ১৯৬৯-৭৫, (২) নিৰ্বাচিত এফ ডি আই (১৯৭৫-৯১) আৰু (৩) এফ ডি আই পক্ষ (প্ৰ' এফ ডি আই) ১৯৯১ চনৰ পৰা আগলৈ। এফ ডি আই বিৰোধী কালছোৱাত তেতিয়াৰ চৰকাৰখনে

*ছজিন ছিন ছিঙ্গাপুৰৰ নেচনেল ইউনিভাৰ্ছিটিৰ ইনষ্টিটিউট অব ছাউথ এছিয়ান ষ্টাডিজৰ এগৰাকী ৰিছাৰ্চ এছ'চিয়েট। তেওঁৰ গৱেষণাৰ আগ্ৰহী বিষয় ভাৰতৰ অৰ্থনীতি আৰু ৰাজনীতিৰ দিশত পৰিস্ফুট হৈছে।

দুখীয়া লোকসকলৰ পৰা ৰাজনৈতিক সমৰ্থন বিচৰাৰ উপায় ৰূপে ১৯৬৯ চনত ঘৰুৱা বেংকবোৰ ৰাষ্ট্ৰীয়কৰণ কৰা কামত মনোনিৱেশ কৰিছিল। ইয়াৰ বাহিৰেও বিদেশী মুদ্ৰা বিধিবদ্ধ কৰিবৰ বাবে বৈদেশিক বিনিময় নিয়ামক আইন প্ৰচলন কৰিছিল। এই আইনখনৰ মূল কথা হ'ল বৈদেশিক মুদ্ৰা কামত লগোৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে একচেটীয়া ভূমিকা গ্ৰহণ কৰিব পাৰিছিল। উদাহৰণস্বৰূপে বৈদেশিক মুদ্ৰা সন্দৰ্ভত কোনো ৰাজ্যিক সংস্থাই কোনো কাম-কাজত অংশগ্ৰহণ কৰিব নোৱাৰে। এই অধিকাৰ কেৱল ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ ক্ষেত্ৰতহে থাকে আৰু ই হ'ল কেন্দ্ৰীয় চৰকাৰৰ অধিকৃত এনে লেন-দেনৰ প্ৰতিষ্ঠান। নিৰ্বাচিত এফ ডি আই-ৰ আগমন কালত ভাৰতৰ অৰ্থব্যৱস্থাৰ ৰূপান্তৰ ঘটে আৰু সেই ৰূপান্তৰ গতিৰ বিধি-নিয়মসমূহ সহজ কৰাৰ দিশত আগবাঢ়ে। তেতিয়াৰ চৰকাৰে ভাৰতীয় উদ্যোগত অংশগ্ৰহণ কৰিবলৈ বিদেশৰ মূলধনী ব্যৱস্থাক উৎসাহিত কৰিছিল। ১৯৭৬ বৰ্ষটোৰে ভাৰতৰ অৰ্থনৈতিক উন্মেষ সাধনৰ বাবে পৰিৱৰ্তিত সময়ৰূপে গতি লোৱা দেখা গৈছিল। আন্দ্ৰে ফ্ৰেংকে ক'বৰ দৰে— "অধিক উপযুক্তভাৱে বৃহৎ আৰু বিদেশৰ মূলধনৰ সুবিধাক ভালদৰে কামত লগাবৰ কাৰণে স্থিতি আৰু অৱস্থাক ভালদৰে চম্ভালিবলৈ লোৱা হয় তথা অন্যান্য অৰ্থনৈতিক খণ্ডসমূহ আৰু ৰাজনৈতিক স্বাৰ্থৰ সম্পৰ্কিত বিষয়সমূহকো চোৰা-চিতা কৰা হয়।"

উল্লিখিত পৰিৱৰ্তনৰ ছবিখন স্পষ্ট হয় যেতিয়া ৰাজীৱ গান্ধী চৰকাৰে বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ সোঁত ব'বৰ কাৰণে সমৰ্থন জনায়। তেলৰ মূল্য বৃদ্ধি আৰু ৮০ৰ দশকত বিশ্বত মুদ্ৰা সংকোচনৰ পৰা গা-কৰি উঠা বিত্তীয় সংকটৰ অৱস্থাত ৰাজীৱ গান্ধীয়ে বহি:ঋণৰ তুলনাত বিদেশৰ বিনিয়োগৰ পৰা লাভৰ সম্ভাৱনা কিমান তাক বুজি উঠিছিল। তেওঁ এইবুলি কৈছিল ঃ "বিদেশৰ বিনিয়োগৰ সন্দৰ্ভত আমাৰ নীতি পৰিষ্কাৰ। ই খোলা দুৱাৰৰ নীতি নহয়। আমাৰ নিজাববীয়া স্থিতিৰ ওপৰত নিৰ্ভৰ কৰি বিদেশৰ বিনিয়োগক অনুমতি দিছো। এই অনুমতি বিদেশৰ কিছু শতাংশ হাৰৰ ইকুইটীৰ ভিতৰতে বিস্তৃতি খণ্ডত বিনিয়োগ কৰিবলৈ দিয়া হৈছে। এই শতাংশ হাৰ উচ্চ প্ৰযুক্তিৰ এলেকাত ৰেহাই হ'ব পাৰে অথবা ৰপ্তানিৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগাব লগা হ'লে তেনে কৰা হ'ব পাৰে।... যোৱা কেইবছৰমানৰ পৰা বহি:ঋণৰ বিস্তৃতি সাধন হৈছে; আৰু এইটোৰে আমাৰ বৰ্দ্ধিত প্ৰয়োজনীয়তা তথা তাক সামৰি ল'ব পৰা সামৰ্থ্যৰ কথাকে প্ৰতিবিম্বিত কৰিছে। কিন্তু প্ৰত্যক্ষ বিনিয়োগৰ সোঁত তেনেই কম। তথাপি ঋণ লোৱাতকৈ প্ৰত্যক্ষ বিনিয়োগ সাধনৰ ক্ষেত্ৰত কিছু সুবিধা আছে। ঋণ ঘূৰাই দিব লাগিব— তেহেলৈ বিনিয়োগ উৎপাদনমূলক হওকেই বা নহওক। বিনিয়োগে বহিঃ সোঁতৰ পথ মুকলি কৰে উৎপাদন আৰম্ভ হোৱাৰ পাচতহে আৰু সেয়াও যেতিয়া লাভৰ মুখ দেখা যায়। ...আমি বিদেশৰ বিনিয়োগৰ বৃহৎ পৰিমাণ গ্ৰহণ কৰিব পাৰো আমাৰ অৰ্থনীতিৰ প্ৰতি সুব্যৱস্থাৰ দিহা কৰি। ইয়াৰ বাবে নিয়ম-নীতিসমূহ খৰতকীয়া কৰাৰ উপৰিও অনাৱশ্যক জঞ্জালবোৰ দূৰ কৰিব লাগিব।" (ৰাজীৱ গান্ধী, ১৯৮৮)

পাচত ১৯৯০ৰ দশকৰ আগভাগত বিত্তীয় কঠিনতাই এফ ডি আই-ৰ অন্তঃস্ৰোত এলেকাত নতুন অৰ্থনৈতিক নীতিৰ সূচনা কৰে। মণ্টেক সিং আহলুৱালিয়াই এখন নীতি বিষয়ক শ্বেতপত্ৰৰ দৰে 'পেপাৰ' তৈয়াৰ কৰে আৰু সেই পত্ৰই অৰ্থনৈতিক সংস্কাৰ সাধনৰ বাবে মূল আৰ্হিস্বৰূপ হয়। সেই সময়ছোৱাত অৰ্থাৎ ১৯৯১ চনৰ পৰা ১৯৯৬ চন পৰ্যন্ত আহলুৱালিয়াই বিত্তমন্ত্ৰীৰূপে সেৱা আগবঢ়াইছিল। অৰ্থনৈতিক সংস্কাৰৰ কাম ১৯৯১ চনত ৰূপায়ণ কৰা হৈছিল। সংস্কাৰ সাধনৰ জৰিয়তে বিদেশী বিনিয়োগকাৰীয়ে ইকুইটীৰ ক্ষেত্ৰত বৃদ্ধি কৰিব পৰা পৰিমাণ বহু খণ্ডৰে ঘৰুৱা কোম্পানীবোৰৰ ক্ষেত্ৰত 'পেইড-আপ কেপিটেল'ৰ ৪০%ৰ পৰা ৫১%লৈকে বৃদ্ধি কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। দেয়-ধন আদায়ৰ সংকটৰ দ্বাৰা উৎসাহিত কৰা এই নীতিৰ পৰিৱৰ্তনে এফ ডি আই-ৰ আগমনৰ গতি প্ৰবাহিত হ'বলৈ সুবিধা প্ৰদান কৰে।

এফ ডি আই-ৰ আগমনৰ বাবে নীতি পৰিৱৰ্তনৰ ক্ষেত্ৰত অতি বৈশিষ্ট্যপূৰ্ণ বিষয়টো হ'ল ১৯৯১ চনত প্ৰণয়ন কৰা 'ফৰেইন এক্সচেঞ্জ মেনেজমেণ্ট এক্ট'। সেই সময়ছোৱা আছিল প্ৰ'-এফ ডি আই অৰ্থাৎ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক সমৰ্থন জনোৱা কাল। ১৯৭৩ চনত প্ৰচলন কৰা 'এফ ই আৰ এ' (ফৰেইন এক্সচেঞ্জ ৰেগুলেচন এক্ট)-ৰ তুলনাত 'এফ ই এম এ' (ফৰেইন এক্সচেঞ্জ মেনেজমেণ্ট এক্ট)-ই দেশৰ কিছুমান সংস্থাক বৈদেশিক মুদ্ৰাৰে কাম-কাজ চলোৱাৰ ক্ষেত্ৰত ৰিজাৰ্ভ বেংকৰ উপৰিও অংশগ্ৰহণকাৰীৰূপে স্বীকৃতি প্ৰদান কৰে। তেনে এটি সংস্থা হ'ল ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অব ইণ্ডিয়া, যাক চমুকৈ 'ছেবি' বুলি কোৱা হয়। এই 'ছেবি' আৰু ৰিজাৰ্ভ বেংক ফৰেইন ইনষ্টিটিউচনেল ইনভেষ্টমেণ্ট আৰু এফ ডি আই-ৰ

গতিধাৰাৰ ক্ষেত্ৰত ঘাইকৈ জড়িত থাকে আৰু ই সেইবোৰ গতি-বিধি পৰ্যবেক্ষণ কৰে। তাৰ কাৰণে কোনো অনুমতি লোৱাৰ প্ৰয়োজন নহয়। ইয়াৰ স্বয়ংক্ৰিয় পথৰ অধীনত বিভিন্ন ঔদ্যোগিক খণ্ডত বিদেশী বিনিয়োগকাৰীসকলক অধিক সহজভাৱে বাণিজ্যিক লেনদেন কৰিবলৈ দিয়া হয়। অন্য পথ অৱলম্বন কৰাৰ পৰা দূৰৈত থাকিবলৈ দিয়া হয়। ইয়াৰ অন্যথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ অধীনস্থ ছেক্ৰেটৰীয়েট ফৰ ইণ্ডাষ্ট্ৰিয়েল এছিষ্টেঞ্চ (এছ আই এ) আৰু বিত্ত মন্ত্ৰালয়ৰ অধীনস্থ ফৰেইন ইনভেষ্টমেণ্ট প্ৰমোচন ব'ৰ্ডে স্বয়ংক্ৰিয় পথৰ পৰা বাদ দিয়া প্ৰস্তাৱসমূহ পৰীক্ষা কৰে। এনে পৰিস্থিতিত'ফেমা'ৰ কাৰ্য আৰম্ভ কৰাৰ পৰা এফ আই পি বি প্ৰস্তাৱ অনুমোদন তথা নাকচৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। এই প্ৰমোচন ব'ৰ্ড মতে প্ৰস্তাৱসমূহ নিষ্পত্তিকৰণৰ অৰ্থে 'ছিঙ্গল উইণ্ডো ক্লিয়েৰেন্স'ৰ সুবিধা আগবঢ়োৱা হয়— যাৰ জৰিয়তে বিদেশৰ বিনিয়োগকাৰীয়ে ৰঙা টেপৰ ফিটাৰ মেৰপেচ হ্ৰাস কৰি কম সময়ৰ ভিতৰতে বিভিন্ন সংস্থাক প্ৰস্তাৱ দাখিল কৰাটো সূচল হয়। ভাৰতৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰীয়ে উপযুক্ত প্ৰশাসনৰ ওপৰত জোৰ দিছে আৰু 'কাম, মেক ইন ইণ্ডিয়া' শ্লোগান বাস্তৱায়িত কৰিবৰ বাবে সহজ-সৰল প্ৰশাসনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ভাৰতক বিদেশৰ বিনিয়োগকাৰীসকলৰ বাবে গোলকীয় কেন্দ্ৰস্থল কৰাৰ লক্ষ্যৰেই তেওঁ এই আহ্বান জনাইছে। তেওঁ এফ ডি আই শব্দকেইটা 'ফাষ্ট ডেভেলপ ইণ্ডিয়া'ৰূপে ব্যৱহাৰ কৰিছে— যাৰদ্বাৰা তেওঁ 'সু-প্ৰশাসনৰ তিনিটা স্তম্ভ'ত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ এটা স্তম্ভ হ'ল অনুজ্ঞা পত্ৰবিহীন তথা নিয়ামক ব্যৱস্থাৰ অবিহনে সহজভাৱে ব্যৱসায় কৰিব পৰাকৈ উন্নতি সাধন কৰা। দ্বিতীয়টো হ'ল ঔদ্যোগিক কৰিডৰৰূপে আন্তঃগাঁথনিক সক্ষম কৰি তোলা আৰু তৃতীয়টো হ'ল প্ৰতিৰক্ষা, নিৰ্মাণ তথা ৰে'লৱেৰ দৰে খণ্ডবোৰত এফ ডি আই-ৰ কাম মুকলি কৰা। প্ৰস্তুত আৰু আন্তঃগাঁথনি খণ্ডকে ধৰি চৰকাৰে বিভিন্ন খণ্ডৰ ওপৰত আলোকপাত কৰিছে। তেনে খণ্ডবোৰ হ'ল— বিমান, বায়'টেক, ৰসায়ন, খনিজ, তেল আৰু গেছ, ফাৰ্মাচিউটিকেল, পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ উদ্যোগ। ভাৰতীয় উদ্যোগলৈ এফ ডি আই-ৰ প্ৰৱহমান গতিয়ে ভাল ফল দেখুৱাব বুলি চৰকাৰৰ দৃঢ় বিশ্বাসৰ ওপৰত ভিত্তি কৰি বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ বাবে প্ৰয়াস কৰিবলৈ লোৱা হৈছে।

**ৰাজ্যসমূহলৈ এফ ডি আই-ৰ গতি**

২০১১ চনত এফ ডি আই-ৰ মুঠ বিনিয়োগৰ পৰিমাণ আছিল প্ৰায় ৩২ বিলিয়ন মাৰ্কিন ডলাৰ। এই পৰিমাণে মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ৩ শতাংশ অধিকাৰ কৰে। ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু বিত্তমন্ত্ৰীৰ দৰে ঘাই ৰাজনৈতিক নেতাসকলৰ ইচ্ছা হ'ল এফ ডি আই-ৰ গতিময়তাৰ এলেকাবোৰত বিস্তৃতভাৱে অৰ্থনৈতিক সংস্কাৰ সাধন কাৰ্যক সমৰ্থন জনোৱা। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ দৃঢ় সমৰ্থন থকা সত্বেও ৰাজ্য পৰ্যায়ত এফ ডি আই-ক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত যথেষ্ট ভিন্নতা দেখা যায়। লগত দিয়া তালিকাত কেইখনমান নিৰ্বাচিত ৰাজ্যত এফ ডি আই-ৰ সোঁতৰ তথ্য দাঙি ধৰা হৈছে। ২০০০ চনৰ এপ্ৰিলৰ পৰা ২০১৪ চনৰ জুন পৰ্যন্ত দাঙি ধৰা পৰিসংখ্যাত ৰাজ্যসমূহৰ মাজত থকা প্ৰভেদ সুস্পষ্ট। উদাহৰণ স্বৰূপে মহাৰাষ্ট্ৰ আৰু দিল্লীয়ে বিনিয়োগক যথেষ্ট আকৰ্ষণ কৰিছে। তামিলনাডু, কৰ্ণাটক, গুজৰাট, অন্ধ্ৰ প্ৰদেশ, মজলীয়া গোটৰ আৰু পশ্চিম বঙ্গ আৰু ওড়িছাৰ দৰে ৰাজ্যত ইয়াৰ গতি নিম্ন স্তৰত আছে।

তলৰ তালিকাখনত দেখুওৱা পৰিসংখ্যাবোৰলৈ চাই এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন মনত উদয় হয়। সেই প্ৰশ্নটো হ'ল— এফ ডি আই-ৰ সোঁত তথা

**ৰিজাৰ্ভ বেংকৰ আঞ্চলিক কাৰ্যালয়ৰ পৰা আহৰণ কৰা এফ ডি আই-ৰ ইকুইটীৰ ধাৰা** (এপ্ৰিল ২০০০ - জুন ২০১৪)

| আঞ্চলিক কাৰ্যালয় | পৰিব্যাপ্ত ৰাজ্য | ক্ৰমবৰ্দ্ধমান সোঁত কোটি টকাৰ লেখত | মুঠ অন্তঃস্ৰোতৰ শতাংশ হাৰ |
|---|---|---|---|
| মুম্বাই | মহাৰাষ্ট্ৰ | ৩২০,২৮১ | ৩০ |
| নতুন দিল্লী | দিল্লী | ২১৪,৮২০ | ২০ |
| চেন্নাই | তামিলনাডু | ৬৯,১৬১ | ৬ |
| বেঙ্গালুৰু | কৰ্ণাটক | ৬২,৪৩১ | ৬ |
| আহমদাবাদ | গুজৰাট | ৪৫,২৯২ | ৪ |
| হায়দৰাবাদ | অন্ধ্ৰ প্ৰদেশ | ৪৩,৮১৭ | ৪ |
| কলকাতা | পশ্চিম বঙ্গ | ১৩,৫৩২ | ১ |
| ভুবনেশ্বৰ | ওড়িছা | ১,৯৬২ | ০.২ |

**উৎস ঃ** ভাৰত চৰকাৰৰ ইণ্ডাষ্ট্ৰিয়েল পলিচী এণ্ড প্ৰমোচন বিভাগৰ এফ ডি আই বিষয়ক তথ্য।

ব্যাপক আকাৰত বিনিয়োগৰ পৰিৱেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত কেইখনমান ৰাজ্য কিয় অধিক সফল হৈছে— যি ক্ষেত্ৰত আনবোৰ হোৱা নাই? বিধি-নিয়মসমূহ কেন্দ্ৰীয় পৰ্যায়ত এফ ডি আই-ৰ সমৰ্থিত সোঁতৰ পিনে গতি কৰিবলৈ উদ্ভাৱন কৰা সত্ত্বেও কিয় এনে হৈছে?

এই ক্ষেত্ৰত লক্ষ্যণীয় দিশটো হ'ল ওড়িছাৰ দৰে বহু ৰাজ্যত বিনিয়োগৰ ভূমিকা নিম্ন মানৰ। সেই ৰাজ্যবোৰ সঘনেই এফ ডি আই-ৰ বিৰুদ্ধে সমাজৰ পৰা শক্তিশালী ৰূপত বিৰোধিতাৰ সন্মুখীন হৈছে। উদাহৰণস্বৰূপে দক্ষিণ কোৰিয়াৰ উদ্যোগ পোহাং ষ্টীল কোম্পানী মাটিৰ আবণ্টন পাবলৈ কঠিন সময়ৰ সন্মুখীন হয়। জগৎসিংপুৰত স্থানীয় সমাজে ইয়াৰ বিৰুদ্ধে প্ৰবল বিৰোধিতা কৰে। এই প্ৰকল্পটোৰ কাৰণে ফৰেইন ৰাইটছ এক্টৰ স্থিতি সম্বন্ধে তদন্ত কৰা কাৰ্যবাহী কমিটীৰ মতে ওড়িছা চৰকাৰে মাটি অধিগ্ৰহণ কৰাৰ পূৰ্বে স্থানীয় গাঁওবাসীৰ সৈতে ঐক্যমতত উপনীত হ'বৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব নিবিচাৰে। তদন্ত প্ৰক্ৰিয়া ওচৰৰ পৰা অনুসৰণ কৰি থকা মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ এগৰাকী বিচাৰকে ৰাজ্য চৰকাৰৰ আইন-শৃংখলা ভাগি পৰাৰ কাৰণেই সমাজৰ বিৰুদ্ধাচৰণে অধিককৈ গা কৰি উঠে বুলি মত ব্যক্ত কৰে।

ঠিক তেনেদৰে পশ্চিম বঙ্গৰ চিঙ্গুৰৰ নেন' কাৰখানা সন্দৰ্ভত মাটি অধিগ্ৰহণ বিষয়টো উল্লেখ কৰিব পাৰি। তাতো টাটা কোম্পানীয়ে সংগ্ৰাম কৰিবলগীয়া হয়। সমাজৰ পৰা তীব্ৰ বিৰোধিতা আহে। এই ক্ষেত্ৰত পুনসংস্থাপনৰ বিষয়টো বিবেচনা কৰাৰ সন্দৰ্ভত আৰু মাটি অধিগ্ৰহণৰ প্ৰক্ৰিয়া কালত মাটিৰ মূল্য থিৰ কৰাত ৰাজ্য চৰকাৰে দুৰ্বলভাৱে বিষয়টো উপস্থাপন কৰিছিল। ফলস্বৰূপে সমাজৰ বিৰোধী গোটসমূহৰ সৈতে আপোচ মীমাংসা কৰাত ৰাজ্যখনে দক্ষতা প্ৰদৰ্শন কৰিব নোৱাৰিলে আৰু প্ৰশাসনীয় স্তৰত উপযুক্তভাৱে কেনে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব তাক লৈও দোমোজাত পৰে। আন কথাত ক'বলৈ গ'লে এফ ডি আই-ক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকাৰ মাজত যথেষ্ট প্ৰভেদ আছে। প্ৰশাসনীয় খেলি-মেলি আৰু এফ ডি আই-ৰ প্ৰক্ৰিয়াত বিৰোধিতা কৰা পক্ষসমূহৰ সৈতে বুজাবুজিলৈ আহি সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ক্ষমতাৰো হীনদেঢ়ি ঘটা দেখা যায়। দেশখনৰ বহু ৰাজ্যিক নেতাই নিজৰ ৰাজ্যলৈ এফ ডি আই আকৰ্ষণ কৰিবৰ বাবে দক্ষতা প্ৰদৰ্শন কৰা দেখা যায়। সেয়ে আন ৰাজ্যবোৰৰ এনে হতাশাজনক কাৰ্যৰ বিপৰীতে ৰাজ্যবিশেষৰ ৰাজনৈতিক তথা সামাজিক দিশৰ প্ৰাসঙ্গিক বিষয়বোৰ বিবেচনা কৰি অনুকূল পৰিৱেশ সৃষ্টি কৰা প্ৰয়োজন হ'ব। ❐

## 'পয়োভৰা'ৰ গ্ৰাহক অন্তৰ্ভুক্তি মূল্য

### ভাৰতত

| | | |
|---|---|---|
| এবছৰত | ঃ | ১০০.০০ টকা |
| দুবছৰত | ঃ | ১৮০.০০ টকা |
| তিনি বছৰত | ঃ | ২৫০.০০ টকা |

### চাৰ্ক দেশসমূহৰ বাবে

| | | |
|---|---|---|
| এবছৰত | ঃ | ৫৩০.০০ টকা |
| অন্যান্য দেশৰ বাবে এবছৰত | ঃ | ৭৩০.০০ টকা |

গ্ৰন্থগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ পত্ৰৰ প্ৰয়োজন)। গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা ডিমাণ্ড ড্ৰাফ্‌ট, ইণ্ডিয়ান পোষ্টেল অৰ্ডাৰ, মনি অৰ্ডাৰ যোগে জমা দিব পাৰি। পঠোৱাৰ ঠিকনা ঃ

'সম্পাদক' পয়োভৰা, প্ৰকাশন বিভাগ
কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং ঃ ২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ৰাজ্যসমূহত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ আঞ্চলিক অসমতা ঃ এক অধ্যয়ন

**ড° এছ আৰ কেশৱ***

**প্ৰস্তাৱনা ঃ**

বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক বিশ্বত প্ৰবাহিত আন সকলো মূলধনী ব্যৱস্থাতকৈ আগত ঠাই দিবলৈ বিচৰা হয়; কিয়নো ই হ'ল ঋণবিহীন বিত্তীয় মূলধন। দেশ এখনৰ চলিত অৰ্থনীতিত এই বিনিয়োগে বিভিন্ন ধৰণে উৎসাহিত কৰে। বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ ক্ৰমে সেই দেশৰ নিয়োগ বৃদ্ধিৰ পথ প্ৰশস্ত কৰে। তেনেদৰে উপাৰ্জন আৰু সঞ্চয়ৰ ক্ষেত্ৰতো ই প্ৰভাৱ পেলায়। শেহতীয়া যান্ত্ৰিক সামগ্ৰী, ষ্টেট-অব-আৰ্ট প্ৰযুক্তি, দক্ষতা, পৰিচালনমূলক জ্ঞান আৰু সেই দেশখনৰ প্ৰস্তুত সামগ্ৰীৰ ৰপ্তানি তথা সেৱাক বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ উৎসাহিত কৰে। ই উপভোক্তাসকলৰ প্ৰতি বিস্তৃত আৰু বিভিন্ন পছন্দৰ সুবিধা আগবঢ়ায়; কাৰণ কোম্পানীবোৰে গ্ৰাহকক গুণমানবিশিষ্ট সামগ্ৰী যোগান ধৰিবলৈ প্ৰতিযোগিতা কৰে। এনে প্ৰতিযোগিতাই ঘৰুৱা একচেটীয়া ব্যৱসায়ক অকামিলা কৰে আৰু মূল্য হ্ৰাস কৰাৰ নিশ্চয়তা প্ৰদান কৰে। তেনে দেশৰ কৰ্পোৰেট কৰ ৰাজহৰ ক্ষেত্ৰতো বিদেশৰ প্ৰত্যক্ষ বিনিয়োগে বৰঙণি যোগায়।

বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ ইতিবাচক দিশটো প্ৰতিপাদ্যমূলকভাৱে ঠিকেই; কিন্তু বাস্তৱ ক্ষেত্ৰলৈ চালে এয়া আংশিকভাৱেহে সত্য। এনে বিনিয়োগে কেতিয়াবা কেতিয়াবা শেহতীয়া প্ৰযুক্তি আৰু নিয়োগৰ ক্ষেত্ৰত আশানুৰূপ সা-সুবিধা সৃষ্টি কৰিব নোৱাৰে। অৱশ্যে বহু অৰ্থনীতিত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ ইতিবাচক দিশটোৱে আনবোৰ বিষয়ক চেৰ পেলায়। চৰকাৰসমূহে বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক আকৰ্ষণ কৰিবৰ বাবে নানা ধৰণৰ ৰেহাই আৰু উদগনি ব্যৱস্থা ঘোষণা কৰি ইখনে-সিখনৰ লগত প্ৰতিযোগিতা কৰে। তেনে চৰকাৰবোৰে কেৱল মাটি, পানী, বিদ্যুৎ আৰু অন্য ৰাজহুৱা সা-সুবিধাহে যে ৰেহাই হাৰত (ৰাজসাহায্য প্ৰদানেৰে) যোগান ধৰে তেনে নহয়, তদুপৰি কৰ দিব নলগা অৰ্থাৎ টেক্স হলিডে', অবিতৰণমূলক লাভৰ ক্ষেত্ৰত ৰেহাই, অতিৰিক্ত সংকোচন বানচ আদিৰ ৰূপতো ৰেহাই প্ৰদানৰ ব্যৱস্থা কৰে।

কিন্তু অধিক পৰিমাণৰ ৰেহাই আৰু উদগনি ব্যৱস্থাৰ সত্বেও বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ ৰাশি এখন দেশৰ সকলো অৰ্থনীতিলৈকে সমানে নাযায়। কোনো অৰ্থব্যৱস্থাত এনে বিনিয়োগৰ সোঁতৰ গতি অধিক দেখা যায় আৰু ই বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ গতিধাৰাৰ ক্ষেত্ৰত আঞ্চলিক পৰ্যায়ত অধিকভাৱে অসমতাৰ পথ সূচনা কৰে। বিশ্বৰ বহু দেশতো এনে হোৱা দেখা যায়। ভাৰতৰ ৰাজ্যবোৰৰ ক্ষেত্ৰতো এই কথা সত্য; কিয়নো প্ৰত্যক্ষ বিনিয়োগৰ সন্দৰ্ভত এনেধৰণৰ আঞ্চলিক অসমতা পৰিলক্ষিত হোৱা দেখা যায়।

**নিৰ্ণায়ক অনুকূল পৰিৱেশ**

কেইখনমান ৰাজ্যত প্ৰত্যক্ষ বিনিয়োগৰ সোঁত অধিক হোৱা আৰু তাৰ ফলত যি আঞ্চলিক অসমতাই দেখা দিয়ে তাৰ গুৰুত্বপূৰ্ণ কাৰণ হ'ল বিনিয়োগৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত বিনিয়োগকাৰীক প্ৰভাৱান্বিত কৰাৰ কাৰক শক্তিসমূহ। এফ ডি আই-ৰ গতিধাৰাত প্ৰভাৱ পেলোৱা কাৰকবোৰৰ সন্দৰ্ভত আন্তৰ্জাতিক বিত্ত নিগমে বহু বিষয় চিহ্নিত কৰিছে আৰু সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— বজাৰৰ আকাৰ তথা ইয়াৰ সম্ভাৱনীয় বৃদ্ধি ক্ষমতা, ৰাজনৈতিক আৰু অৰ্থনৈতিক স্থিৰতা, আন গুৰুত্বপূৰ্ণ বজাৰৰ সৈতে যোগসূত্ৰ, প্ৰশিক্ষিত জনশক্তিৰ প্ৰাপ্ততা আৰু বেতন গাঁথনি তথা ঔদ্যোগিক আৰু প্ৰতিষ্ঠানমূলক আন্তঃগাঁথনি।

ডানিঙৰ অধ্যয়নত এইটো দেখুওৱা হৈছে যে বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক অধিক আকৰ্ষণ কৰাৰ কাৰণবোৰ হ'ল— বজাৰৰ আকাৰ, শ্ৰমিকৰ খৰচ, প্ৰাকৃতিক সম্পদৰাজিৰ প্ৰাপ্ততা, আবয়ৱিক আৰু মানৱ আন্তঃগাঁথনিৰ গুণগত দিশ, উদগনিমূলক ব্যৱস্থা, মূল অৰ্থনৈতিক স্থিতিৰ পৰিৱেশ তথা প্ৰতিষ্ঠানমূলক পৰিগাঁথনি। বৈদেশিক বাণিজ্যৰ ভাৰতীয় প্ৰতিষ্ঠানে এইকেইটা বিষয় চিহ্নিত কৰে— (১) সাধাৰণ আইন-শৃংখলা ব্যৱস্থা (২) আন্তঃগাঁথনি (৩) অনুকূল ঔদ্যোগিক সম্পৰ্ক (৪) প্ৰশিক্ষিত তথা উৎপাদনসূচক কৰ্মবাহিনী (৫) সামাজিক আন্তঃগাঁথনিৰ সুবিধা (৬) বিনিয়োগকাৰীৰ

***ড° এছ আৰ কেশৱ বাঙ্গালোৰ বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ স্নাতকোত্তৰ বিভাগৰ অধ্যাপক**

অনুকূল পৰিৱেশ (৭) ৰাজনৈতিক স্থিৰতা (৮) সময় মতে এফ ডি আই-ৰ বাবে সেউজ সংকেত আৰু অনুমোদন (৯) কম আমোলাতান্ত্ৰিক মেৰ-পেচ আৰু (১০) উদগনি আৰু ৰেহাই ব্যৱস্থা।

**বিনিয়োগ আকৰ্ষণৰ বাবে ৰাজ্যৰ মাজত প্ৰতিযোগিতা**

ভাৰতৰ সৰহভাগ ৰাজ্যৰ এই বিশ্বাস যে বিদেশৰ প্ৰত্যক্ষ বিনিয়োগে অগ্ৰগতিৰ প্ৰক্ৰিয়া উৎসাহিত কৰিব আৰু সেয়ে বহু উদগনিমূলক ব্যৱস্থাৰে তেনে বিনিয়োগক আকৰ্ষণ কৰিবলৈ প্ৰয়াস কৰে। তেনে উদগনিমূলক ব্যৱস্থাৰ ভিতৰত উল্লেখযোগ্য হ'ল বেংকৰ পৰা ৰেহাই সুতৰ হাৰ, বহু বিক্ৰী কৰ আৰু আবকাৰী কৰ উঠাই লোৱা, কৰ পিছুৱাই দিয়া আঁচনি আৰু বিদ্যুৎ শক্তিৰ বাবে হ্ৰাস মূল্যত কৰৰ হাৰ তথা নিৰ্দিষ্ট কালৰ বাবে সম্পত্তি কৰ ৰেহাই কিম্বা উঠাই লোৱা।

ৰাজ্যবোৰে প্ৰায়ে গুৰুত্ব প্ৰদান কৰিব লগা উদ্যোগসমূহ চিহ্নিত কৰে আৰু ব্যৱসায় আৰম্ভ কৰিবৰ বাবে তৈয়াৰী আন্তঃগাঁথনিৰ যোগান ধৰে। ফলস্বৰূপে ঔদ্যোগিক, কৃষি সংসাধন আৰু আই-টি পাৰ্ক গঢ়ি উঠে। ৰাজ্যবোৰে চিঙ্গল উইণ্ডো ক্লিয়েৰেঞ্চ পদ্ধতিও আৰম্ভ কৰে— যাৰদ্বাৰাই মাটি পঞ্জীয়নৰ পৰা আৰম্ভ কৰি অন্যান্য অনুসৰি প্ৰদানৰ কামবোৰ কৰিব পাৰে। কাৰ্য সাধনৰ গতি সহজ কৰিবলৈ নিয়মাৱলীবোৰ সৰল কৰে, দুৰ্নীতি হ্ৰাস তথা স্বচ্ছতা প্ৰদানৰ বাবেও প্ৰয়াস কৰে।

**ৰাজ্যসমূহত প্ৰত্যক্ষ বিনিয়োগ**

ওপৰত উল্লেখ কৰা সকলোবোৰ ব্যৱস্থা সত্বেও ৰাজ্যসমূহৰ মাজত এফ ডি আই-ৰ গতিধাৰাত ভালেখিনি অসমতা আছে। এই ৰাজ্যবোৰক বিভিন্ন ধৰণে শ্ৰেণীকৰণ কৰা হৈছে। এটা হ'ল অধিক মাত্ৰাত এফ ডি আই-ৰ সোঁত বোৱা ৰাজ্য, আন এটা হ'ল মজলীয়া ধৰণৰ গতি অব্যাহত থকা ৰাজ্য; আৰু শেষৰ বিধ হ'ল নিম্ন গতিৰ প্ৰত্যক্ষ বিনিয়োগ প্ৰবাহিত ৰাজ্য। ২০০০ চনৰ এপ্ৰিল মাহৰ পৰা ২০১৩ চনৰ এপ্ৰিল মাহৰ ভিতৰত এই গতিধাৰা নিৰ্ণয় কৰা হয় (১নং তালিকাত দ্ৰষ্টব্য)।

ভাৰতত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ ধাৰা ছখন ৰাজ্যত অধিক পৰিলক্ষিত হয়। ৰাজ্যকেইখন হ'ল মহাৰাষ্ট্ৰ, নতুন দিল্লী, তামিলনাডু, কৰ্ণাটক, গুজৰাট আৰু অন্ধ্ৰ প্ৰদেশ। এই ৰাজ্যকেইখনে ২০০০ চনৰ এপ্ৰিল মাহৰ পৰা ২০১৪ চনৰ জুন মাহৰ ভিতৰত ৬,৯৩,৬৪১ কোটি টকা ক্ৰমবৰ্দ্ধমানভাৱে এফ ডি আই-ৰ লগ্নীক আকৰ্ষণ আৰু ই ভাৰতত মুঠ যি পৰিমাণৰ এফ ডি আই-ৰ অন্তঃপ্ৰৱেশ ঘটিছে তাৰ ৭০ শতাংশ অধিকাৰ কৰিছে। মহাৰাষ্ট্ৰত সেই কালছোৱাত অকলেই ৩০ শতাংশ (৩,২০,২৮১ কোটি টকা) এফ ডি আই লগ্নী কৰে আৰু ইয়াৰ ভিতৰত মুম্বাইতেই সৰ্বাধিক পৰিমাণৰ প্ৰত্যক্ষ বিনিয়োগ কৰা হয়। মুম্বাই কেৱল ভাৰতৰ বাণিজ্যিক ৰাজধানী নহয়, বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰো ৰাজধানী।

মহাৰাষ্ট্ৰৰ পিচতে নতুন দিল্লী। ইয়াৰ এফ ডি আই-ৰ পৰিমাণ হ'ল ২,১৪,৮২০ কোটি টকা (২০ শতাংশ)। তাৰ পিচত তামিলনাডু - ৬৯,১৬১ কোটি টকা (৬ শতাংশ), কৰ্ণাটক - ৬২,৪৩১ কোটি টকা (৬ শতাংশ), গুজৰাজ - ৪৫,২৯২ কোটি টকা (৪ শতাংশ) আৰু অন্ধ্ৰ প্ৰদেশ - ৪৩,৮৩১ কোটি টকা (৪ শতাংশ)।

২০০০ চনৰ এপ্ৰিল মাহৰ পৰা ২০১৪ চনৰ জুন মাহৰ কালছোৱাত ৪,৫০০ কোটি টকাৰ পৰা ৪০,০০০ কোটি টকালৈকে এফ ডি আই আকৰ্ষণ কৰা ৰাজ্যসমূহক মজলীয়া এফ ডি আই আকৰ্ষিত ৰাজ্যৰূপে বিবেচনা কৰা হয়। সেই ৰাজ্যবোৰ হ'ল— পশ্চিম বঙ্গ, ছিকিম, ৰাজস্থান, পঞ্জাৱ, হাৰিয়ানা, হিমাচল প্ৰদেশ, মধ্য প্ৰদেশ, ছট্টিশগড় আৰু কেৰালা।

সেই একে কালছোৱাত ৪,৫০০ টকাতকৈ কম পৰিমাণৰ এফ ডি আই আকৰ্ষিত ৰাজ্যবোৰক কম এফ ডি আই-ৰ ৰাজ্যৰূপে বিবেচনা কৰা হয়। তেনে ৰাজ্যকেইখন হ'ল— গোৱা, ওড়িছা, অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, বিহাৰ আৰু ঝাৰখণ্ড।

ৰাজ্যবোৰৰ ৰাজধানী চহৰকেইখনে সৰহভাগ এফ ডি আই-ক আকৰ্ষণ কৰে। লগতে এইটো স্পষ্ট যে কৰ আৰু অন্যান্য বিত্তীয় ৰেহাই সত্বেও এফ ডি আই-ৰ গতিয়ে মাত্ৰ কেইখনমান চহৰততহে অধিকভাৱে স্থিতি লাভ কৰে। এনে অসমতাৰ কাৰণ কি তাক চালি-জাৰি চাবলৈ হ'লে ৰাজ্যবোৰৰ মূল অৰ্থনৈতিক দিশটোক ইয়াত বিশ্লেষণ কৰিবলৈ লোৱা হৈছে।

**আঞ্চলিক অসমতাৰ কাৰণ**

ভাৰতত এফ ডি আই-ৰ অন্তঃস্ৰোতৰ ক্ষেত্ৰত সৃষ্টি হোৱা আঞ্চলক অসমতাৰ কাৰণ বহুত। তাৰ ভিতৰত গুৰুত্বপূৰ্ণ কাৰণবোৰ হ'ল— বৃহৎ বজাৰ, দক্ষতাপূৰ্ণ ব্যক্তিৰ প্ৰাপ্ততা, অৰ্থনৈতিক অগ্ৰগতি, ভাল আন্তঃগাঁথনি, অধিক অৰ্থনৈতিক স্বাধীনতা আৰু ব্যৱসায়িক পৰিৱেশৰ প্ৰতি সহজ-সৰল গতি।

**জনসংখ্যাৰ ঘনতা, সাক্ষৰতা আদিৰ প্ৰভাৱ**

এফ ডি আই-ক আকৰ্ষণৰ কাৰণ হ'ল বিশাল বজাৰ— য'ত জনসংখ্যা,

তালিকা নং-১

| ৰিজাৰ্ভ বেংকৰ পঞ্জীয়ন কাৰ্যালয় | পৰিব্যাপ্ত ৰাজ্য | ২০১৩-১৪ (এপ্ৰিল-মাৰ্চ) | ক্ৰমবৰ্দ্ধমান গতি এপ্ৰিল (এপ্ৰিল '০০' - জুন ২০১৪ | মুঠ অন্তঃস্ৰোত % হাৰ |
|---|---|---|---|---|
| **ৰাজ্যসমূহলৈ অধিক মাত্ৰাত এফ ডি আই সোঁত** | | | | |
| মুম্বাই | মহাৰাষ্ট্ৰ, দাদ্ৰা আৰু নগৰ হাভেলি, ডমন আৰু ডিউ | ২০,৫৯৫ | ৩২০,২৮১ | ৩০ |
| নতুন দিল্লী | দিল্লী, উঃ প্ৰদেশ আৰু হাৰিয়ানাৰ অংশ | ৩৮,১৯০ | ২১৪,৮২০ | ২০ |
| চেন্নাই | তামিলনাডু, পুডুচেৰী | ১২,৫৯৫ | ৬৯,১৬১ | ৬ |
| বেঙ্গালুৰু | কৰ্ণাটক | ১১,৪২২ | ৬২,৪৩১ | ৬ |
| আহমদাবাদ | গুজৰাট | ৫,২৮২ | ৪৫,২৯২ | ৪ |
| হায়দৰাবাদ | অন্ধ্ৰ প্ৰদেশ | ৪,০২৪ | ৪৩,৮১৭ | ৪ |
| **মজলীয়া এফ ডি আই সোঁতৰ ৰাজ্য** | | | | |
| কলকাতা | পশ্চিম বঙ্গ, ছিকিম, আন্দামান আৰু নিঃ দ্বীপপুঞ্জ | ২,৬৫৯ | ১৩,৫৩২ | ১ |
| জয়পুৰ | ৰাজস্থান | ২৩৩ | ৬,৩৬০ | ০.৬ |
| চণ্ডীগড় | চণ্ডীগড়, পঞ্জাৱ, হাৰিয়ানা, হিমাচল প্ৰদেশ | ৫৬২ | ৬,১৪৮ | ০.৬ |
| ভূপাল | মঃ প্ৰদেশ, ছত্তীশগড় | ৭০৮ | ৫,৫৯৫ | ০.৫ |
| কোচি | কেৰালা, লাক্ষাদ্বীপ | ৪১১ | ৪,৮৭৫ | ০.৪ |
| **কম মাত্ৰাৰ এফ ডি আই প্ৰভাৱিত ৰাজ্য** | | | | |
| পানাজী | গোৱা | ১০৩ | ৩,৬৬০ | ০.৪ |
| ভুবনেশ্বৰ | ওড়িছা | ২৮৮ | ১,৯২৬ | ০.২ |
| কানপুৰ | উঃ প্ৰদেশ, উত্তৰাঞ্চল | ১৫০ | ১,৯৬২ | ০.২ |
| গুৱাহাটী | অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা | ৪ | ৩৫২ | ০ |
| পাটনা | বিহাৰ, ঝাৰখণ্ড | ৯ | ২২৮ | ০ |
| উল্লেখ নকৰা অঞ্চল | | ৫০,২৮৩ | ২৮৬,৬০৪ | ২৬ |
| সৰ্বমুঠ | | ১৪৭,৫১৮ | ১,০৭৬,০৯৩ | ১০০% |

**উৎস ঃ** এছ ই এ ৱেবছাইটত প্ৰাপ্ত পৰিসংখ্যাৰ পৰা যুগুতাই উলিওৱা হৈছে।

পঢ়া-শুনা কৰা দক্ষ ব্যক্তিৰ প্ৰাপ্ততা, উচ্চ শিক্ষা গ্ৰহণ কৰা ছাত্ৰৰ সংখ্যা আৰু সংশ্লিষ্ট ৰাজ্যসমূহত কলেজ আৰু বিশ্ববিদ্যালয়ৰ সা-সুবিধা আছে (২নং তালিকা দ্ৰষ্টব্য)। যদিও কিছুমান ছাত্ৰ আন ৰাজ্য আৰু বিদেশলৈ পঢ়িবৰ কাৰণে যায়, সৰহ সংখ্যক ছাত্ৰই নিজ ৰাজ্যতেই পঢ়িবলৈ শিক্ষা প্ৰতিষ্ঠানসমূহত ভৰ্তি হয়। কিছুমান ৰাজ্যত বিশাল বজাৰ থাকিলেও জনসংখ্যাৰ গুণগত দিশটোৰ ওপৰতো এফ ডি আই-ৰ আকৰ্ষণ নিৰ্ভৰ কৰে। ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত উত্তৰ প্ৰদেশৰ কথাকেই ধৰা যাওক। ইয়াত বৃহৎ জনসংখ্যা আছে (১৬.৪৯%), কিন্তু ই অতি কম মাত্ৰাতহে এফ ডি আই-ক আকৰ্ষণ কৰিব পাৰিছে। সেই একেদৰে বিহাৰ (৮.৫৮%) আৰু ৰাজস্থানৰ (৬.৬৯%) কথা ক'ব পাৰি।

কিন্তু মহাৰাষ্ট্ৰৰ ক্ষেত্ৰত জনসংখ্যাৰ আকাৰ হ'ল এক ইতিবাচক দিশ (৯.২৯%)। দেশৰ দ্বিতীয় বৃহৎ জনসংখ্যা থকা ৰাজ্য আৰু বৃহৎ মাত্ৰাত এফ ডি আই প্ৰাপ্ত ৰাজ্য। অধিক পৰিমাণে এফ ডি আই-ক আকৰ্ষণ কৰিব পৰা আন ৰাজ্য

## তালিকা নং-২

| ৰাজ্য | মুঠ জনসংখ্যাৰ ভিতৰৰ শতাংশ হিচাপত জনসংখ্যা | ঘনতা প্ৰতি বৰ্গ কি.মি. | সাক্ষৰতা (%) | বিশ্ববিদ্যালয় (%) (২০১১-১২) | মহাবিদ্যালয় (সংখ্যা) | ছাত্ৰৰ ভৰ্তি সংখ্যা |
|---|---|---|---|---|---|---|
| **অধিক এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | | |
| মহাৰাষ্ট্ৰ | ৯.২৯ | ৩৬৫ | ৮২.৯১ | ৪৪ | ৪৬০৩ | ১৯৫৫২২৬ |
| দিল্লী | ১.৩৮ | ১১.২৯৭ | ৮৬.৩৪ | ২৫ | ১৮৪ | ২৭৮৭৭০ |
| তামিলনাডু | ৫.৯৬ | ৫৫৫ | ৮০.৩৩ | ৫৯ | ২৩০৯ | ১৪৮২২৭৭ |
| পুডুচেৰী | ০.১০ | ২.৫৯৮ | ৮৬.৫৫ | ৪ | ৮৩ | ৩৫১২২ |
| কৰ্ণাটক | ৫.০৫ | ৩১৯ | ৭৫.৬ | ৪৩ | ৩২৮১ | ১০০১৪৭৩ |
| গুজৰাট | ৪.৯৯ | ৩০৮ | ৭৯.৩১ | ৩৭ | ১৮০৫ | ৮৯৩৬৪৮ |
| অন্ধ্ৰ প্ৰদেশ | ৭.০০ | ৩০৮ | ৬৭.৬৬ | ৪৭ | ৪৮১৪ | ১৮৪৭৪৭৯ |
| **মজলীয়া এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | | |
| পশ্চিম বঙ্গ | ৭.৫৫ | ১.০২৯ | ৭৭.০৮ | ২৬ | ৮৯৯ | ৯৪৪০৭৫ |
| ৰাজস্থান | ৫.৬৭ | ২০১ | ৬৭.০৬ | ৪৫ | ২৬৫২ | ৭৮৯৪৭৯ |
| চণ্ডীগড় | ০.০৯ | ৯.২৫২ | ৮৬.৪৩ | ৩ | ২৪ | ৬৪৫১১ |
| মধ্য প্ৰদেশ | ৬.০০ | ২৩৬ | ৭০.৬৩ | ৩৩ | ২০৬১ | ৯২৪৯৩৯ |
| ছত্তীশগড় | ২.১১ | ১৮৯ | ৭১.০৪ | ১৭ | ৫৩০ | ৩০৪৩৮১ |
| কেৰালা | ২.৭৬ | ৮৫৯ | ৯৩.৯১ | ১৭ | ৯৬২ | ৪০৪১২১ |
| লাক্ষাদ্বীপ | ০.০১ | ২.০১৩ | ৯২.২৮ | ০ | ৩ | ৪১০ |
| **কম এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | | |
| গোৱা | ০.১২ | ৩৯৪ | ৮৭.৪ | ২ | ৪৯ | ২৭৮৭৭০ |
| ওড়িছা | ৩.৪৭ | ২৬৯ | ৭৩.৪৫ | ১৯ | ১০৮৯ | ৫১০৪১৮ |
| উত্তৰ প্ৰদেশ | ১৬.৪৯ | ৮২৮ | ৬৯.৭২. | ৫৮ | ৪৮৪৯ | ২৫৬৪৮৮৬ |
| অৰুণাচল | ০.১১ | ১৭ | ৬৬.৯৫ | ৩ | ২৬ | ১১০৬৮ |
| মণিপুৰ | ০.২২ | ১২২ | ৭৯.৮৫ | ৩ | ২৯ | ৩২৭৫৫ |
| মেঘালয় | ০.২৪ | ১৩২ | ৭৫.৪৮ | ১০ | ৬১ | ৪১৬০৩ |
| নাগালেণ্ড | ০.১৬ | ১১৯ | ৮০.১১ | ৪ | ৫৭ | ২০০২৬ |
| ত্ৰিপুৰা | ০.৩০ | ৩৫০ | ৮৭.৭৫ | ৩ | ৩৯ | ৩২৮০০ |
| উত্তৰাঞ্চল | ০.৮৪ | ১৮৯ | ৭৯.৬৩ | ২০ | ৩৯৫ | ২৯৪৪৮৫ |
| অসম | ২.৫৮ | ৩৯৭ | ৭৩.১৮ | ৯ | ৪৮৫ | ২৬৮৪৫১ |
| বিহাৰ | ৮.৫৮ | ১.১০২ | ৬৩.৮২ | ২০ | ৬৪৯ | ৬৯০৭৭৬ |
| ঝাৰখণ্ড | ২.৭২ | ৪১৪ | ৬৭.৬৩ | ১২ | ২৩৪ | ২৭৪৪৫০ |
| ভাৰত | ১০০ | ৩৮২ | ৭৪.০৪ | ৬৪২ | ৩৪৯০৮ | ১০৯৫৬৪২৮ |

**উৎস ঃ** অৰ্থনৈতিক জৰীপ, লোকপিয়ল প্ৰতিবেদন আদিৰ পৰা যুগুতোৱা।

হ'ল— তামিলনাডু (৫.৯৬%), কৰ্ণাটক (৫.০৫%) আৰু গুজৰাট (৪.৯৯%)। এইকেইখন ৰাজ্যৰ জনসংখ্যাৰ বসতিস্থল মজলীয়া ধৰণৰ। অৱশ্যে দিল্লী (১.৩৮%) আৰু পুডুচেৰীৰ কথা সুকীয়া।

এখন ৰাজ্যত উৎপাদিত সা-সামগ্ৰী তথা আগবঢ়োৱা সেৱা দেশখনৰ আন ৰাজ্যত সহজতেই প্ৰাপ্ত হয় আৰু সেয়ে এফ ডি আই-ক আকৰ্ষণ কৰিবৰ বাবে ৰাজ্যখনৰ জনসংখ্যা সিমান লেখত ল'বলগীয়া গুৰুত্বপূৰ্ণ বিষয় নহয়।

জনসংখ্যাৰ ঘনতাই এক বৰ্গ কিলোমিটাৰ এলেকাত বাস কৰা জনসংখ্যাৰ গাঢ়তাৰ দিশটো উদঙাই দেখুৱায়। যিমানেই ঘনতা অধিক হয় সিমানেই উদ্যোগ অথবা আন আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে বিস্তৃত আকাৰৰ ভূমি পোৱাৰ সম্ভাৱনা কম থাকে। কিন্তু দিল্লীয়ে প্ৰতি বৰ্গ কিলোমিটাৰ এলেকাত ১১,২৯৭ লোকৰ অধিক ঘনতা থকা সত্ত্বেও বিপুল পৰিমাণৰ এফ ডি আই আকৰ্ষণ কৰিছে; কিয়নো ৰাজধানী চহৰখনৰ চুবুৰীয়া এলেকাবোৰত উদ্যোগ গঢ় দিয়াৰ সুবিধা পাইছে। সেই এলেকাবোৰ অন্য ৰাজ্যৰ অধীনত পৰিলেও ৰাষ্ট্ৰীয় ৰাজধানীৰ অঞ্চলৰূপে স্বীকৃতি দিয়া হয়। উদাহৰণস্বৰূপে নইডা আৰু ঘাজিয়াবাদ উত্তৰ প্ৰদেশত পৰে। তেনেদৰে গুৰগাঁও, ফৰিদাবাদ আৰু বাহাদুৰগড় হাৰিয়ানাৰ অন্তৰ্গত এলেকা। তথাপি এইবোৰ ঠাইত গঢ়ি উঠা উদ্যোগ দিল্লীৰ বুলিয়েই ধৰি লোৱা হয়। কাৰণ দিল্লীৰ সৈতেহে ইয়াৰ সম্পৰ্ক অধিক। অধিক এফ ডি আই সোঁত বোৱা ৰাজ্যৰ ক্ষেত্ৰত প্ৰতি বৰ্গ কিলোমিটাৰ এলেকাৰ ঘনতা ৩০৮ৰ পৰা ৫৫৫ পৰ্যন্ত লোকৰ তাৰতম্য ঘটে। মজলীয়া ধৰণৰ এফ ডি আই-ৰ গতি প্ৰবাহিত ৰাজ্যসমূহৰ ঘনতা ১৮৯ৰ পৰা ৯২৫২ লোকলৈ কম-বেছি হৈ থাকে। কম প্ৰভাৱান্বিত ৰাজ্যত জনসংখ্যাৰ ঘনতা গড় হিচাপে ১৭ৰ পৰা ১১০২ৰ ভিতৰত তাৰতম্য ঘটে। সেয়ে জনসংখ্যাৰ ঘনতা ৰাজ্যসমূহলৈ প্ৰবাহিত এফ ডি আই-ৰ অন্তঃস্ৰোতৰ প্ৰভাৱ নগণ্য বুলি ক'ব পাৰি।

সাক্ষৰতা হ'ল আন এক নিৰ্ণায়ক বিষয়। অধিকভাৱে এফ ডি আই-ৰ গতি প্ৰবাহিত ৰাজ্যসমূহত ৰাষ্ট্ৰীয় গড় হিচাপতকৈ সেই গতি ওপৰত থাকে। শতাংশ হিচাপত সেয়া হ'ল ৭৪.০৪%। কেৰল অন্ধ্ৰ প্ৰদেশহে ব্যতিক্ৰম। ইয়াৰ গড় হ'ল ৬৭.৬৬%। মজলীয়া ধৰণৰ এফ ডি আই-ৰ অন্তঃস্ৰোতৰ ক্ষেত্ৰত মধ্য প্ৰদেশ, ৰাজস্থান আৰু ছত্তিশগড়ৰ বাহিৰে আন সকলো ৰাজ্যতে ৰাষ্ট্ৰীয় গড়ৰ ওপৰত থাকে। কম প্ৰবাহিত ৰাজ্য, যেনে— ওড়িছা, উত্তৰ প্ৰদেশ, অৰুণাচল প্ৰদেশ, অসম, বিহাৰ আৰু ঝাৰখণ্ডত ৰাষ্ট্ৰীয় গড়তকৈ তলত থাকে।

অধিক প্ৰবাহিত ৰাজ্যবোৰত ২৫৯টা বিশ্ববিদ্যালয় (৪০.৩%) আছে। কলেজৰ সংখ্যা হ'ল ১৭,০৭৯। উচ্চ শিক্ষা গ্ৰহণৰ বাবে ৭৪,৯৩,৯৯৫ ছাত্ৰই প্ৰতিষ্ঠানত ভৰ্তি হয়, মজলীয়া প্ৰৱাহিত ৰাজ্যত বিশ্ববিদ্যালয়ৰ সংখ্যা হ'ল ১৪১ খন (২১.১৯%), কলেজ ৭১৩১ (২০.৪%)। এইবোৰ ৰাজ্যত শিক্ষা প্ৰতিষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিৰ সংখ্যা হ'ল ৩৪,৩৫,৯১৫ (২১.৫%)। কম প্ৰৱাহিত ৰাজ্যত ১৬৩টা বিশ্ববিদ্যালয় (২৫.৩%) আছে। কলেজৰ সংখ্যা হ'ল ৮০১২টা (২২.৯%) আৰু ছাত্ৰ-ছাত্ৰীৰ ভৰ্তি সংখ্যা হ'ল ৫,০২৬,৫১৮ (১৩.৫%)।

সেই কাৰণে এইটো ক'ব পাৰি যে দক্ষতাপূৰ্ণ শ্ৰমিকৰ উপস্থিতি হ'ল এক ইতিবাচক দিশ যাৰ কাৰণে ৰাজ্যসমূহত এফ ডি আই-ৰ অন্তঃস্ৰোতক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত প্ৰভাৱ পৰিছে।

**অৰ্থনৈতিক অগ্ৰগতি, আন্তঃগাঁথনি আৰু এফ ডি আই**

এফ ডি আই-ৰ অধিক অন্তঃস্ৰোত থকা ৰাজ্যসমূহৰ ঘৰুৱা উৎপাদন, জনমূৰি আয় আৰু আন্তঃগাঁথনি মজলীয়া আৰু কম গতিৰ এফ ডি আই-ৰে পুষ্ট ৰাজ্যবোৰতকৈ বহুত বেছি আৰু সেইটো ৰে'লপথ তথা ৰাস্তা-পদূলিৰ দৈৰ্ঘ্যৰ পৰা ক'ব পৰা যায় (৩নং তালিকা দ্ৰষ্টব্য)।

মজলীয়া গতিৰ এফ ডি আই অন্তঃস্ৰোত থকা ৰাজ্যবোৰে অৰ্থনৈতিক অগ্ৰগতি সাধন আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত ভাল কাম কৰিছে আৰু সেয়ে এফ ডি আই-ক আকৰ্ষণ কৰিবলৈ গতি লাভ কৰিছে। সেই ৰাজ্যকেইখন হ'ল— পশ্চিম বঙ্গ, কেৰালা আৰু মধ্য প্ৰদেশ। গোৱা, উত্তৰাঞ্চল আৰু অৰুণাচল প্ৰদেশৰ বাহিৰে কম মাত্ৰাত এফ ডি আই প্ৰৱাহিত ৰাজ্যবোৰত জনমূৰি উপাৰ্জন আন ৰাজ্যবোৰতকৈ কম। ওড়িছা, উত্তৰ প্ৰদেশ, অসম, বিহাৰ আৰু ঝাৰখণ্ডত ৰে'লপথ আৰু ৰাস্তা-পদূলিৰ দৈৰ্ঘ্য অধিক; কিন্তু ৰাজ্যৰ আকাৰলৈ চাই এয়া মজলীয়া ধৰণৰ।

অৰ্থনৈতিক প্ৰগতি, আন্তঃগাঁথনি আৰু এফ ডি আই-ৰ অন্তঃস্ৰোতৰ মাজত ইতিবাচক সম্পৰ্ক আছে। এইবোৰ ৰাজ্যত ই আৰু অধিক অগ্ৰগতি সাধন কৰিছে, কিন্তু ইয়াৰ লগতে আঞ্চলিক অসমতাও বৃদ্ধি কৰিছে।

**অৰ্থনৈতিক স্বাধীনতা সূচাংক আৰু এফ ডি আই**

অৰ্থনৈতিক স্বাধীনতাৰ সূচাংকই পথ আৰু ৰাজ্যৰ স্থিতিক দৰ্শায় আৰু ইয়াৰ ভিত্তিৰ বিষয় হয় সম্পদ সৃষ্টিৰ কাম-কাজৰ ওপৰত চৰকাৰে কিমান বিধি ব্যৱস্থাৰ দিহা কৰিছে তাৰ ওপৰত। সেই অনুযায়ী সামগ্ৰিক অৰ্থনৈতিক স্বাধীনতাৰ

## তালিকা নং-৩

| ৰাজ্য | ৰাজ্যিক ঘৰুৱা উৎপাদন ২০১২-১৩ (কোটি টকা) চলিত মূল্যত | জনমূৰি ৰাজ্যিক ঘৰুৱা উৎপাদন ২০১২-১৩ (টকা) চলিত মূল্যত | ৰে'লপথ ২০১১-১২ (কি. মি.) | পথৰ দৈৰ্ঘ্য ২০১১-১২ (কি. মি.) | বিমান বন্দৰ আন্তৰ্জাতিক + ঘৰুৱা (সংখ্যা) ২০১১-১২ |
|---|---|---|---|---|---|
| **অধিক এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | |
| মহাৰাষ্ট্ৰ | ১২৩৯১০৪ | ১০৭৬৭০ | ৫৬০২ | ৪২৫৭ | ৩ + ৯ |
| দিল্লী | ৩৩২৫২১ | ১৯২৫৮৭ | ১৮৩ | ৮০ | ১ + ০ |
| তামিলনাডু | ৬৭১১৯২ | ৯৮৫৫০ | ৪০৬২ | ৪৯৪৩ | ৩ + ৩ |
| পুডুচেৰী | ১৫৮৮৭ | ১২২৬৫৪ | ১১ | ৫৩ | × |
| কৰ্ণাটক | ৪৬৬৮১০ | ৭৭৩০৯ | ৩০৭৩ | ৪৩৯৬ | ২ + ৪ |
| গুজৰাট | ৫৮৪৩৬৭ | ৯৬৯৭৬ | ৫২৭১ | ৪০৩২ | ১ + ৭ |
| অন্ধ্ৰ প্ৰদেশ | ৬৭৮৫২৪ | ৭৮৯৫৮ | ৫২৬৪ | ৪৫৩৭ | ১ + ২ |
| **মজলীয়া এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | |
| পশ্চিম বঙ্গ | ৫৬৭৫৯৪ | ৬২৫০৯ | ৩,৯৩৭ | ২৬৮১ | ১ + ২ |
| ৰাজস্থান | ৪১০৮৩৪ | ৫৯০৯৭ | ৫,৭৮৪ | ৭,১৩০ | ১ + ০ |
| চণ্ডীগড় | ২৩২৬১৩ | ৫০৬৯১ | ১৬ | ২৪ | ১ + ০ |
| মধ্য প্ৰদেশ | ৩৩৩০১০ | ৪৪৯৮৯ | ৪,৯৫৫ | ৫০৬৪ | ২ + ৪ |
| ছত্তীশগড় | ১৩১৭৯৬ | ৫০৬৯১ | ১,১৮৭ | ২,২৮৯ | ০ + ২ |
| কেৰালা | ৩০৯৩৩২ | ৮৮৫২৭ | ১,০৫০ | ১৪৫৭ | ৩ + ০ |
| **কম এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | |
| গোৱা | ২৯৮৮৮ | ১৬১৮২২ | ৬৯ | ২৬৯ | ১ + ০ |
| ওড়িছা | ২১০৬৮৩ | ৪৯২৪১ | ২,৪৬১ | ৩,৭০৪ | ০ + ৭ |
| উত্তৰ প্ৰদেশ | ৬৮৩৬৫১ | ৩৩১৩৭ | ৮,৭৬৩ | ৭,৮১৮ | ১ + ০ |
| অৰুণাচল | ১১২১৮ | ৭৮১৪৫ | ১ | ২,০২৭ | ০ + ২ |
| মণিপুৰ | ১০৪৮৯ | ৩৬৪৭৪ | ১ | ১,৩১৭ | ০ + ১ |
| মেঘালয় | ১৫৮৮৪ | ৫৯৫১৭ | × | ১,১৭১ | ১ + ০ |
| নাগালেণ্ড | ১৩৬৮২ | ৬৫৯০৮ | ১৩ | ৪৯৪ | ০ + ১ |
| ত্ৰিপুৰা | ২৪৫৩ | ৬০৯৬৩ | ১৫১ | ৪০০ | ০ + ৩ |
| উত্তৰাঞ্চল | ৯৯১৫৭ | ৯৭৫২৮ | ৩৪৫ | ২,০৪২ | ০ + ২ |
| অসম | ১২৬১৪৯ | ৪০৪৭৫ | ২,৪৩৪ | ২,৯৪০ | ১ + ৩ |
| বিহাৰ | ২৮৭১২৯ | ২৮৭৭৪ | ৩,৬১২ | ৪,১০৬ | ১ + ২ |
| ঝাৰখণ্ড | ১৪১৬৪৪ | ৪৪০৪৫ | ১,৯৮৪ | ২,১৭০ | ০ + ৩ |
| ভাৰত | ৮৩৭২৭৪৪ | ৬৭৮৩৯ | ৬৪,৪৬০ | ৭৬,৮১৮ | ২৪ + ৬৪ |

**উৎস ঃ** অৰ্থনৈতিক সমীক্ষা আৰু বিমান বন্দৰ প্ৰাধিকৰণৰ ৱেবছাইট

৪নং তালিকা ঃ **অৰ্থনৈতিক স্বাধীনতা সূচী, ২০০৩**

| ৰাজ্য | সামগ্ৰিক অৰ্থনৈতিক স্বাধীনতা ৰেটিং | | শ্ৰমিক আৰু ব্যৱসায়ৰ বিধিবদ্ধকৰণ | | ন্যায়িক গাঁথনি আৰু নিৰাপত্তা | | চৰকাৰৰ আকাৰ | |
|---|---|---|---|---|---|---|---|---|
| | সামগ্ৰিক | স্থান | এলেকা৫ | স্থান | এলেকা২ | স্থান | এলেকা১ | স্থান |
| **অধিক এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | | | | |
| মহাৰাষ্ট্ৰ | ০.৪২ | ১১ | ০.৪৩ | ৬ | ০.১৬ | ১৭ | ০.৬৮ | ৩ |
| তামিলনাডু | ০.৫৪ | ২ | ০.৫১ | ২ | ০.৫৫ | ২ | ০.৫৭ | ১০ |
| কৰ্ণাটক | ০.৪৩ | ৯ | ০.৪৪ | ৫ | ০.৩৫ | ১১ | ০.৪৯ | ১৬ |
| গুজৰাট | ০.৬৫ | ১ | ০.৮৭ | ১ | ০.৩৯ | ৯ | ০.৬৯ | ২ |
| অন্ধ্ৰ প্ৰদেশ | ০.৫০ | ৩ | ০.৪০ | ৮ | ০.৫০ | ৪ | ০.৫৯ | ৬ |
| **মজলীয়া এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | | | | |
| পশ্চিম বঙ্গ | ০.৩৫ | ১৭ | ০.২৯ | ১৭ | ০.১৪ | ১৮ | ০.৬২ | ৫ |
| ৰাজস্থান | ০.৪৬ | ৭ | ০.২৯ | ১৬ | ০.৫৫ | ৩ | ০.৫৪ | ১২ |
| মধ্য প্ৰদেশ | ০.৪৭ | ৬ | ০.৪০ | ৯ | ০.৬২ | ১ | ০.৩৮ | ২০ |
| ছত্তীশগড় | ০.৪৪ | ৮ | ০.৩৯ | ১০ | ০.৪৭ | ৫ | ০.৪৭ | ১৮ |
| কেৰালা | ০.৪২ | ১০ | ০.৪২ | ৭ | ০.৩১ | ১৩ | ০.৫৩ | ১৩ |
| হিমাচল প্ৰদেশ | ০.৪৭ | ৫ | ০.৪৬ | ৩ | ০.৩৩ | ১২ | ০.৬২ | ৪ |
| পঞ্জাব | ০.৪০ | ১৩ | ০.১৯ | ২০ | ০.৪৩ | ৬ | ০.৫৮ | ৯ |
| **কম এফ ডি আই প্ৰৱাহিত ৰাজ্য** | | | | | | | | |
| ওডিছা | ০.৩৬ | ১৫ | ০.৩৩ | ১২ | ০.২৬ | ১৪ | ০.৫০ | ১৫ |
| উত্তৰ প্ৰদেশ | ০.৩৬ | ১৬ | ০.৩২ | ১৩ | ০.৩৭ | ১০ | ০.৩৮ | ১৯ |
| অসম | ০.৩২ | ১৯ | ০.২৬ | ১৮ | ০.১৩ | ১৯ | ০.৫৮ | ৮ |
| বিহাৰ | ০.৩৪ | ৩০ | ০.৩০ | ১৫ | ০.১২ | ২০ | ০.৫২ | ১৪ |
| ঝাৰখণ্ড | ০.৩৩ | ১৮ | ০.২০ | ১৯ | ০.২০ | ১৬ | ০.২৬ | ৭ |
| উত্তৰাখণ্ড | ০.৩৯ | ১৪ | ০.৪৬ | ৪ | ০.২৪ | ১৫ | ০.৪৮ | ১৭ |

**উৎস ঃ** ইকন'মিক ফ্ৰীডম ৰেংকিং ফৰ দি ষ্টেটছ অব ইণ্ডিয়া, ২০১৩

ক্ষেত্ৰত গুজৰাট শীৰ্ষ স্থানত আছে। তেনেদৰে শ্ৰমিক আৰু বেপাৰ-বাণিজ্যৰ বিধিবদ্ধকৰণ ব্যৱস্থাতো প্ৰথম স্থানত আছে (৪নং তালিকা দ্ৰষ্টব্য)। চৰকাৰৰ আকাৰৰ ক্ষেত্ৰত ইয়াৰ স্থান দ্বিতীয় আৰু ন্যায়িক গাঁথনি তথা নিৰাপত্তাৰ দিশত গুজৰাটৰ স্থিতি চতুৰ্থ। আনকি অন্যান্য অধিক এফ ডি আই প্ৰৱাহিত শীৰ্ষ ১১ খন ৰাজ্য আছে য'ত তামিলনাডুৰ স্থান দ্বিতীয়। অৰ্থনৈতিক স্বাধীনতা সূচীৰ দিশৰ পৰা অন্ধ্ৰ প্ৰদেশ তৃতীয়, কৰ্ণাটক নৱম আৰু মহাৰাষ্ট্ৰ একাদশ স্থানত আছে। এই ক্ষেত্ৰত আশ্চৰ্যৰ বিষয়টো হ'ল মহাৰাষ্ট্ৰ— যি সেই সূচীৰ একাদশ স্থানত থকা সত্ত্বেও ভাৰতত যিমান এফ ডি আই অন্তঃস্ৰোতৰ ধাৰা বব ধৰিছে তাৰ সৰ্বমুঠ মাত্ৰাৰ ৩০ শতাংশ এই ৰাজ্যখনে আকৰ্ষণ কৰিছে।

এফ ডি আই-ৰ মজলীয়া সোঁত অটুট থকা ৰাজ্যৰূপে হিমাচল প্ৰদেশৰ স্থান হ'ল পঞ্চম। মধ্য প্ৰদেশ ষষ্ঠ, চণ্ডীগড় অষ্টম, কেৰালা দশম, পঞ্জাৱ ত্ৰয়োদশ আৰু পশ্চিম বঙ্গৰ স্থান সপ্তদশ স্থানত আছে। কাজেই দেখা গৈছে যে এফ ডি আই-ৰ গতিধাৰা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। পিচে ইয়াৰ নিম্নগতিত থকা ৰাজ্যবোৰত

অৰ্থনৈতিক স্বাধীনতা সূচাংক সন্তোষজনক নহয়।

সেয়ে অৰ্থনৈতিক স্বাধীনতা সূচাংক ৰাজ্যবোৰলৈ এফ ডি আই-ৰ প্ৰৱহমান গতিৰ ওপৰত প্ৰভাৱ মজলীয়া ধৰণৰ হৈ আছে।

**বিদ্যুৎ আৰু এফ ডি আই**

যথেষ্ট মাত্ৰাত গুণগত বিদ্যুতৰ প্ৰাপ্ততাই অধিক পৰিমাণে এফ ডি আই-ৰ অন্তঃস্ৰোতক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতত এফ ডি আই-ৰ অধিক প্ৰৱাহিত ৰাজ্যবোৰত বিদ্যুতৰ প্ৰতিষ্ঠাপিত ক্ষমতাও অধিক।

এফ ডি আই-ৰ অধিক অন্তঃস্ৰোত লাভ কৰা মহাৰাষ্ট্ৰ ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত বিদ্যুতৰ প্ৰতিষ্ঠাপিত ক্ষমতা আহৰণৰ ক্ষেত্ৰত শীৰ্ষত আছে। ২০১২-১৩ বৰ্ষত ইয়াৰ ক্ষমতা আছিল ২৩০৭৩ জি. ওৱাট। ইয়াৰ পাচতেই আছে গুজৰাট— যাৰ ক্ষমতা হ'ল ২২.৭৯ জি. ওৱাট। তামিলনাডুৰ ক্ষমতা হ'ল ১৫.৬০ জি. ওৱাট, অন্ধ্ৰ প্ৰদেশৰ ১৩.৭৯ জি. ওৱাট আৰু কৰ্ণাটকৰ হ'ল ১২.১৩ জি. ওৱাট। এইকেইখন হ'ল এফ ডি আই-ৰ সোঁত বোৱা আগশাৰীৰ ৰাজ্য। মজলীয়া সোঁত বোৱা ৰাজ্যবোৰেও প্ৰতিষ্ঠাপিত বিদ্যুতৰ ক্ষমতা সাধনৰ ক্ষেত্ৰত উন্নতি কৰিছে। সেইকেইখন ৰাজ্যৰ ভিতৰত আছে— ৰাজস্থান- ৯.৮৬ জি. ওৱাট, পশ্চিম বংগ- ৭.৫৭ জি. ওৱাট, মধ্য প্ৰদেশ- ৬.৩২ জি. ওৱাট, ছত্তীশগড়- ৪.০৩ জি. ওৱাট আৰু কেৰালা- ২.৪৯ জি. ওৱাট। কম মাত্ৰাৰ এফ ডি আই-ৰ সুবিধা লাভ কৰা উত্তৰ প্ৰদেশ (৯.৩৬ জি. ওৱাট) আৰু ওড়িছাৰ (৫.৩৩ জি. ওৱাট) বাহিৰে আন সকলোবোৰ ৰাজ্যতে ১ জি. ওৱাটতকৈ কম প্ৰতিষ্ঠাপিত বিদ্যুৎ ক্ষমতা আছে।

ইয়াৰ পৰা এইটো পৰিলক্ষিত হয় যে ৰাজ্যসমূহত এফ ডি আই-ৰ অন্তঃস্ৰোত আৰু প্ৰতিষ্ঠাপিত বিদ্যুৎ ক্ষমতাৰ মাজত এটা ইতিবাচক সম্বন্ধ আছে।

**সামৰণি**

৭০ শতাংশ এফ ডি আই-ৰ অন্তঃস্ৰোতৰ ধাৰা ছখন ৰাজ্যত থূপ খাই আছে। ইয়াৰ ফলস্বৰূপে ভাৰতত আঞ্চলিক অসমতা বিস্তাৰিত হৈছে। অধ্যয়নৰ পৰা এইটো দেখা গৈছে যে, এফ ডি আই-ৰ অন্তঃস্ৰোতৰ ক্ষেত্ৰত জনসংখ্যাৰ ঘনতাই নিতান্তভাৱে কম প্ৰভাৱ পেলায়, কিন্তু দক্ষতাপূৰ্ণ শ্ৰমিক, অৰ্থনৈতিক প্ৰগতি, ভাল আন্তঃগাঁথনি, প্ৰতিষ্ঠাপিত বিদ্যুৎ ব্যৱস্থাৰ পৰা যিমান ক্ষমতা বৃদ্ধি পায় তাৰদ্বাৰাই ৰাজ্যসমূহত এফ ডি আই-ৰ গতিধাৰাক আকৰ্ষণ কৰাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলায়। কিন্তু অৰ্থনৈতিক স্বাধীনতা সূচাংকৰ মজলীয়া প্ৰভাৱ ৰাজ্যবোৰৰ এফ ডি আই-ৰ অন্তঃস্ৰোতৰ ক্ষেত্ৰত পৰা দেখা যায়।

সেয়ে ৰাজ্য চৰকাৰে বিদেশৰ বিনিয়োগকাৰীক ৰেহাই প্ৰদান বৃদ্ধি কৰাতকৈ মূল আন্তঃগাঁথনি উন্নত কৰাৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। যদি মজলীয়া আৰু কমভাৱে এফ ডি আই প্ৰৱাহিত ৰাজ্যবোৰে প্ৰশাসনৰ উন্নতি সাধন কৰে, স্বচ্ছতা আনে, দুৰ্নীতি দূৰ কৰে, মূল আন্তঃগাঁথনিৰ যোগান ধৰে আৰু নিজ নিজ ৰাজ্যবোক অধিক গতিশীল আৰু স্পন্দিত কৰি তোলে, তেনেহ'লে এফ ডি আই-ৰ অন্তঃস্ৰোতে সেই ৰাজ্যবোৰৰ বিকাশৰ গতিক উৎসাহিত কৰিব। ❒

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# আওপুৰণি আইন ঃ প্ৰবাসী ভাৰতীয়ৰ বাবে এটা সমস্যা

**অনিল মালহোত্ৰা***

**প্ৰস্তাৱনা**

২০১৫ বৰ্ষটো ভাৰতলৈ মহাত্মা গান্ধীৰ প্ৰত্যাৱৰ্তনৰ ১০০ বছৰৰূপে চিহ্নিত হ'ব আৰু সেই শতবাৰ্ষিকীটো স্মৰণীয় কৰিবৰ বাবে সেই বছৰৰে ৯ জানুৱাৰীত আহমদাবাদত প্ৰবাসী ভাৰতীয় দিৱস উদযাপন কৰা হ'ব। সকলো প্ৰবাসী ভাৰতীয় লোকসকলক নিজৰ গৃহভূমি ভ্ৰমণ কৰিবৰ বাবে এই দিৱসতে আদৰণি জনোৱা হ'ব। নিউয়ৰ্কৰ মেডিছন ষ্টেডিয়ামত এটা বৃহৎ সমাৱেশত ভাষণ দিওঁতে উৎসাহী প্ৰধানমন্ত্ৰীয়ে প্ৰবাসী ভাৰতীয়সকলৰ বাবে জঞ্জালমুক্ত পাৰ-পত্ৰৰে ভাৰতলৈ অহাৰ পথ মুকলি কৰে। ভাৰতীয় মূলৰ কাৰ্ডৰ গৰাকীসকললৈ এই জীৱনজোৰা পাৰ-পত্ৰৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ কাৰণে ভাৰতীয় মূলৰ পাৰ-পত্ৰ আৰু 'অভাৰচীজ চিটিজেনছ অৱ ইণ্ডিয়া' অৰ্থাৎ, ভাৰতৰ প্ৰবাসী নাগৰিক আঁচনিক চামিল কৰা হ'ব।

সেই মৰ্মে গৃহ মন্ত্ৰালয়ে যোৱা ৩০ ছেপ্টেম্বৰত এখন জাননী জাৰি কৰে। উক্ত জাননীত কোৱা হয় যে ভাৰতীয় মূলৰ পাৰ-পত্ৰ কাৰ্ড জীৱনৰ বাবে গ্ৰাহ্য হ'ব আৰু এনে কাৰ্ডৰ গৰাকীক আৰক্ষীক ৰিপ'ৰ্ট দিয়া তথা বিদেশীৰ বাবে থকা আঞ্চলিক পঞ্জীয়ন কাৰ্যালয়ৰ সৈতে পঞ্জীকৃত কৰা ব্যৱস্থাৰ পৰা ৰেহাই দিয়া হ'ব। এইটো বৰ ভাল কথা। কিন্তু যেতিয়া ইয়াৰ অধিক সোঁত বব তেতিয়া কি হ'ব? আমি অৱশ্যেই তেওঁলোকৰ আগমনক আদৰণি জনাওঁ। পিছে এইটোও আমি ভাবি চোৱা উচিত হ'ব যে এই প্ৰবাসী ভাইসকলক আইনৰ দিশৰ পৰা আমি কি দিওঁ। গৃহত তেওঁলোকক সামৰি লোৱা পৰিয়াল আৰু সমাজৰ সন্দৰ্ভত তেওঁলোকৰ প্ৰতি কেনে ব্যৱহাৰ কৰা হয়। খৰতকীয়াকৈ লাভ কৰা প্ৰগতি আৰু বিকাশৰ পৰিৱৰ্তিত দৃশ্যপটত এই দেশীয় আইনবোৰে সমাজৰ গতিশীল প্ৰয়োজনীয়তাবোৰৰ সৈতে খোজত খোজ মিলাব পাৰিছেনে নাই সেইটো এতিয়াও চাবলৈ বাকী আছে। প্ৰবাসী ভাৰতীয়ই এই প্ৰয়োজনীয়তাবোৰকেই আশা কৰে যাৰদ্বাৰা ভাৰত উজলি উঠিব পাৰে আৰু তেওঁলোকে স্বদেশলৈ ঘূৰি আহিবলৈ হ'লে তেনে অৱস্থাৰেই আৱশ্যক হ'ব।

এনে পৰিস্থিতিত আমাৰ আইনবোৰৰ মূল্যাংকন কৰিবলৈ আৰু তেওঁলোকৰ আৱশ্যকতাৰ প্ৰতিও গুৰুত্ব দিবলৈ আমি প্ৰথমে এখন প্ৰতিবেদন তৈয়াৰ কৰিব লাগিব। অভাৰচীজ ইণ্ডিয়ান এফেয়াৰ্ছ মন্ত্ৰালয়ৰ পৰিসংখ্যা মতে ২১,৯০,৯৮৭৫ গৰাকীতকৈ অধিক প্ৰবাসী ভাৰতীয় (নন্-ৰেছিডেণ্ট ইণ্ডিয়ান— এন আৰ আই) লোক বিশ্বৰ প্ৰায় ২০০ খন দেশত বসবাস কৰে আৰু ব্যৱসায় আদিত ন্যস্ত থাকি তেওঁলোকে ভালদৰে জীৱন যাপন কৰিছে। এইসকল লোকৰ প্ৰকৃত সংখ্যা মোটামুটিভাৱে ৩ কোটিৰ ওচৰা-ওচৰি হ'ব পাৰে। নিঃসন্দেহে বিভিন্ন দেশত বিয়পি পৰা এই ভাৰতীয়সকল নিজেই এটা জাতিস্বৰূপ হৈ পৰিছে আৰু সেয়ে তেওঁলোকৰ দ্বৈত স্থিতি পৰিচালনা কৰিবৰ বাবে এখন গোলকীয় আইনৰ নিতান্ত প্ৰয়োজন হৈছে। ভাৰতত থকা তেওঁলোকৰ পৰিয়ালৰ সৈতে যোগসূত্ৰ ৰখা তথা বিদেশতো নিজ সম্বন্ধ ৰক্ষা কৰাৰ কাৰণে কিছুমান বিষয় ইয়াত আহি পৰে। সেয়া হ'ল প্ৰব্ৰজন, ৰাষ্ট্ৰীয়তা, বিবাহ, বিচ্ছেদ, জোৰকৈ কৰোৱা বিবাহ, স্ত্ৰীৰ ভৰণ-পোষণ, পৈতৃক সম্পত্তিৰ বিভাজন, আন্তঃদেশীয় জীৱন নিৰ্বাহৰ অৱলম্বন, উত্তৰাধিকাৰী, ভাৰতীয় সম্পত্তিৰ ৰায়তী স্বত্ব আৰু বিবাহৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা অনুমতিৰ ব্যৱস্থা ইত্যাদি। বিদেশৰ আদালত তথা ওকালতি কৰাসকল এই সমস্যাবোৰ সমাধান কৰিবলৈ যাওঁতে মস্কিলত পৰে; কিয়নো কোনো নতুনকৈ তৈয়াৰ কৰা ভাৰতীয় আইন নাই আৰু যিবোৰ আইন সম্প্ৰতি আছে সেইবোৰকো নতুন যুগৰ সৈতে খাপ খুৱাই ল'বলৈ বিপাঙত পৰিব লগা হয়। বিদেশৰ আইন কিমান প্ৰযোজ্য, ঘোষণা কৰা বিচাৰৰ গ্ৰহণ-যোগ্যতা আৰু ভাৰতীয় আদালতসমূহে

***অনিল মালহোত্ৰাই ৮৩ চনৰ পৰাই ভাৰতত ওকালতি কৰি আছে। তেওঁ ফেমিলি ল— বিবাহ বিচ্ছেদ, শিশু অপহৰণ, সন্তান দত্তক গ্ৰহণ কৰা আদি বিষয়ত আইন সেৱা আগবঢ়াই আছে। তেওঁ দুশৰো অধিক কাকতৰ স্তম্ভ লিখক।**

দিয়া ৰায় প্ৰবাসীসকলৰ ক্ষেত্ৰত কিমান উপযুক্ত হৈছে সেই বিষয়ে বিশেষজ্ঞৰ মতামত লোৱাৰ প্ৰয়োজন আছে। বিশ্বৰ বিভিন্ন ঠাইত থকা ভাৰতীয়সকলক পৰিচালিত কৰা ব্যক্তিগত আইন— তেহেলৈ সেয়া ভাৰতীয় মূলৰ লোকে গ্ৰহণ কৰা বিদেশৰ ৰাষ্ট্ৰীয়তা অথবা বিদেশৰ নাগৰিকত্ব লাভ কৰা যিয়েই নহওক লাগিলে সেইবোৰ হ'ল পাঁচ দশকৰো অধিক কালৰ পুৰণি। সেইবোৰে সময়ৰ প্ৰয়োজনীয়তা পূৰণ নকৰে কিম্বা তাৰ সমাধানৰো উত্তৰ দিব নোৱাৰে। তাৰ উন্নতি সাধন কিম্বা সংশোধন নকৰাৰ হেতু আইনবোৰ কামত নলগা হৈছে আৰু আন্তৰ্জাতিক প্ৰেক্ষাপটত সাম্প্ৰতিক কালৰ পৰিয়ালসমূহৰ সমস্যাৰ সমাধানৰ ক্ষেত্ৰত সঠিক পদক্ষেপ গ্ৰহণ কৰিবলৈ এইবোৰ অপাৰগ হৈ পৰিছে। এলেকাবিশেষৰ ক্ষেত্ৰত আহি পৰা মতভেদে সমস্যাবোৰ অধিক জটিল কৰি তুলিছে আৰু তাৰ কোনো সমাধানৰ পথো দিবলৈ অসমৰ্থ হৈছে।। ফলস্বৰূপে ঘৰবোৰ ভাগি পৰিছে আৰু পৰিয়ালৰ বিচ্ছেদ ঘটিছে। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে এয়া হ'ল সম্পূৰ্ণৰূপে বিচ্ছিন্নমূলক অৱস্থা।

**পটভূমি ঃ**

পাৰপত্ৰ (পাছপোৰ্ট) হ'ল এখন নথি— যি এজন ব্যক্তিক দেশখনে প্ৰদান কৰা পৰিচয়েৰে এজন নাগৰিকৰূপে চিহ্নিত কৰে আৰু এই পাৰপত্ৰ হ'ল ব্যক্তিজন মুকলিমূৰীয়াকৈ যাবৰ কাৰণে আন এখন দেশক কৰা অনুৰোধস্বৰূপ দলিল। ইয়াত চৰকাৰীভাৱে অধিকাৰ দিয়া সংস্থাই স্বীকৃতি দিয়া বিষয় উল্লেখ থাকে। দেশখনৰ নাগৰিকত্ব সম্বন্ধে ৰাষ্ট্ৰীয়তাৰ পৰিচয়ো তাত দাঙি ধৰা হয় আৰু তেনে পাৰপত্ৰ ব্যক্তিজনে প্ৰয়োজনীয় বিষয়বোৰ ঘোষণা কৰাৰ পাচতহে প্ৰদান কৰা হয়। এনে পৰিস্থিতিত এজন নাগৰিকক ভাৰতীয় ৰাষ্ট্ৰীয়তাৰ বিষয়টো নিশ্চিত কৰাৰ পাচতহে সেই পাৰপত্ৰ দিয়া হয়। অৱশ্যে এনে পাৰপত্ৰ কিছুমান নিৰ্দিষ্ট কাৰণত পাৰপত্ৰ আইন, ১৯৬৭ৰ অধীনত স্থগিত কিম্বা বাতিলো কৰিব পৰা যায়। ছটৱন্ত সিং চাহনী বনাম এ পি অ', অল ইণ্ডিয়া ৰিপোৰ্টাৰ ১৯৬৭ গোচৰত উচ্চতম ন্যায়ালয়ে পাৰপত্ৰ বঞ্চিত কৰা কাৰ্যক ভাৰতীয় সংবিধানৰ ২১ অনুচ্ছেদৰ অধীনত ব্যক্তিগত স্বাধীনতা খৰ্ব কৰা বুলি ৰায় দিছিল। তেনেদৰে মেনকা গান্ধী বনাম ভাৰত চৰকাৰ, অল ইণ্ডিয়া ৰিপোৰ্টাৰ ১৯৭৮ গোচৰতো উচ্চতম ন্যায়ালয়ে দোহাৰে যে পাৰপত্ৰ স্থগিত কৰাৰ নিৰ্দেশে কোনো ধৰণেই ব্যক্তিগত অধিকাৰত হস্তক্ষেপ কৰিব নালাগিব।

**বিবদমান বিষয় ঃ**

ব্ৰিটিছৰ শাসন কালতে তৈয়াৰ কৰা আইনবোৰ ভাৰতত ব্যৱহাৰ কৰাৰ সন্দৰ্ভত বিতৰ্কৰ বিষয় চলি থকাৰ সময়তে গ্ৰেট ব্ৰিটেইন ৩৮ খন আইন বাতিল কৰা প্ৰক্ৰিয়াত ন্যস্ত হয়। ব্ৰিটিছৰ শাসনৰ দিনত ভাৰতীয় ৰে'লৰে নেটৱৰ্ক নিৰ্মাণ তথা তদাৰক কৰা সম্পৰ্কত ১৮৪৯ আৰু ১৯৪২ চনৰ মাজত আইন প্ৰণয়ন কৰা হৈছিল। অৱশ্যে আমি এতিয়া তাক অনুসৰণ কৰা নাই— যদিও এই আওপকীয়া ধৰণৰ আইনবোৰ চিহ্নিতকৰণৰ বাবে অনুশীলন কাৰ্য আৰম্ভ কৰা হৈছে। বিভিন্ন চৰকাৰী বিভাগে ছাঁয়াবৃত্ত কৰি থকা সেই ব্যৱস্থাবোৰ নিকা কৰাৰ কামত গুৰুত্ব দিছে। সংসদে যদিও পাৰপত্ৰ আইন ১৯৬৭, নাগৰিকত্ব আইন ১৯৫৫ প্ৰণয়ন কৰে আৰু ২০০৫ চনত "অভাৰচীজ চিটিজেনছ অব ইণ্ডিয়া" সৃষ্টি কৰে তথাপি আমি এতিয়াও পাছপোৰ্ট (এণ্ট্ৰি ইনটু ইণ্ডিয়া) এক্ট, ১৯২০ৰ ওপৰতে নিৰ্ভৰ কৰো। তেনেদৰে বিভিন্ন উদ্দেশ্যৰ বাবে নিৰ্ভৰ কৰো ৰেজিষ্ট্ৰেচন অব ফৰেইনাৰ্ছ এক্ট, ১৯৩৯ আৰু ফৰেইনাৰ্ছ এক্ট, ১৯৪৬ৰ ওপৰত। ঔপনিৱেশিক কালত প্ৰণয়ন কৰা এনে ধৰণৰ প্ৰায়ভাগ আওপকীয়া ধৰণৰ আইন সম্প্ৰতি অচল হৈছে। এইবোৰে স্বাভাৱিক ন্যায় প্ৰদানৰ ক্ষেত্ৰত তিষ্ঠি থাকিব নোৱাৰা হ'ল। মতদ্বৈধমূলক আৰু সাংঘাতিক ধৰণৰ ক্ষমতা দখল কৰা বিষয়ক আইনবোৰৰ সূত্ৰাৱলী সংবিধানৰ পৰা আঁতৰোৱাৰ সময় হ'ল। কিন্তু আমি এতিয়াও তাৰ কোনো কোনো বিষয় কামত প্ৰয়োগ কৰি আছো।

**এখন হিতকৰ আইন**

পাৰপত্ৰ আৰু ভ্ৰমণ সংক্ৰান্তীয় নথি-পত্ৰৰ ক্ষেত্ৰত পাৰপত্ৰ আইন, ১৯৬৭ হ'ল এখন বিক্ষিপ্ত আৰু হিতকৰ আইন। ই কিবা অপৰাধ বা জৰিমনা বিহিলে তাৰ বিৰুদ্ধে আবেদন কৰাৰ অধিকাৰ ভুক্তভোগীক দিয়ে— যিটো ক্ষেত্ৰত অপৰাধ বা জৰিমনা ন্যায়সঙ্গত নহ'বও পাৰে। এই আইনখন হ'ল বিভিন্ন ব্যৱস্থা গ্ৰহণৰ সংবিধানগত ৰক্ষণাবেক্ষণ প্ৰদান কৰা পদ্ধতি। অৱশ্যে পাছপোৰ্ট (এণ্ট্ৰি ইনটু ইণ্ডিয়া) এক্ট ১৯২০ আৰু ফ'ৰেইনাৰছ এক্ট, ১৯৪৬ৰ উপস্থিতি— যি এজন ব্যক্তিক উপযুক্ত আইনী প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ ভাৰতৰ পৰা আঁতৰাই কিম্বা স্থানান্তৰ কৰাৰ অসীম ক্ষমতা দিয়ে, সেয়া হ'ল এখন গণতান্ত্ৰিক দেশত থকা আইনী শাসনৰ প্ৰতি আঘাতস্বৰূপ। এই ১৯২০ আৰু

১৯৪৬ আইনৰ অধীনত ক্ষমতা দিয়া গৃহবন্দী, কৰায়ত্ত আৰু ভাৰতৰ পৰা সম্পূৰ্ণৰূপে আঁতৰাই পঠিওৱাটো হ'ল ভাৰতীয় সংবিধানৰ দ্বাৰা নিশ্চিত কৰা জীৱনৰ মূল অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাৰ ক্ষেত্ৰত হস্তক্ষেপ। সেয়ে এই প্ৰাক-স্বাধীনতা কালৰ আইনবোৰ ৰখাৰ কাৰণ ভুলভাৱে অৱস্থান কৰা আৰু মৌলিক স্বাধীনতাক নস্যাৎ কৰিবলৈ লোৱা যেনহে লাগে।

**নাগৰিকত্বৰ ক'ডযুক্ত আইন**

নাগৰিকত্ব আইন, ১৯৫৫ হ'ল এনে এখন আইন যি ভাৰতীয় নাগৰিকত্ব আহৰণ তথা স্থিৰকৰণৰ সুবিধা প্ৰদান কৰে। ইয়াৰ ৯নং ধাৰাৰ অধীনত এইটো ব্যৱস্থা কৰা হৈছে যে যদি ভাৰতৰ এজন নাগৰিকে আন এখন দেশৰ নাগৰিকত্ব আহৰণ কৰিছে তেনেহ'লে তেওঁ ভাৰতৰ নাগৰিক হৈ নাথাকিব। এখন বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব আহৰণৰ ক্ষেত্ৰত ভাৰতীয় নাগৰিকত্ব ছেদ কৰাৰ সম্পৰ্কে নাগৰিকত্ব আইনৰ ৯নং ধাৰা হ'ল এটা পূৰ্ণ স্বত্ব থকা ক'ড। নাগৰিকত্ব আইনৰ অধীনত প্ৰদান কৰা ক্ষমতা অনুযায়ী কেন্দ্ৰীয় চৰকাৰে আইনখনৰ উদ্দেশ্য ৰূপায়িত কৰিবৰ বাবে নাগৰিকত্ব বিধি, ২০০৯ (চিটিজেনশ্বিপ ৰুলছ, ২০০৯) তৈয়াৰ কৰে। এই বিধিৰ ৪০নং নিয়মাৱলী মতে ভাৰতৰ এজন নাগৰিকে কেতিয়া বা কেনেকৈ আন এখন দেশৰ নাগৰিকত্ব আহৰণ কৰিলে সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰে বিষয়টো স্থিৰ কৰিব পাৰে আৰু এনে কৰোতে বিধিত নিৰ্দিষ্ট কৰা অনুসূচী ৩ৰ নিয়মাৱলীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি বিষয়টোত আগবাঢ়িব পাৰে।

নাগৰিকত্ব বিধিৰ অনুসূচী-৩ (তিনি)ত নিৰ্দিষ্ট কৰা উল্লেখযোগ্য বিবেচনাৰ বিষয় হ'ল এনে ধৰণৰ— "(১) যদি কেন্দ্ৰীয় চৰকাৰে ভাৱে যে ভাৰতৰ এজন নাগৰিকে আন এখন দেশৰ নাগৰিকত্ব স্বেচ্ছাই আহৰণ কৰিছে, তেনে ক্ষেত্ৰত তেওঁ বান্ধি দিয়া নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সেই কথা প্ৰমাণ কৰিব লগা হ'ব পাৰে। যদিহে স্বেচ্ছাই তেনে নাগৰিকত্ব আহৰণ কৰা নাই সেইটো প্ৰমাণ কৰাৰ দায়িত্ব তেওঁৰ ওপৰতেই থাকিব। (২) আন কোনো এখন দেশৰ নাগৰিকত্ব এজন ভাৰতীয় নাগৰিকে আহৰণ কৰাৰ সন্দৰ্ভত কিবা প্ৰশ্নৰ বিষয় সমাধান কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে সেই সম্বন্ধে কিম্বা আন সম্পৰ্কিত বিষয়ক লৈ জনাৰ দৰকাৰ বুলি যদি উপযুক্ত গণ্য কৰে, তেনেহ'লে চৰকাৰে দেশখনত থকা দূতাবাসলৈ অথবা সেইখন দেশৰ চৰকাৰলৈ উল্লেখ কৰিব পাৰে আৰু তাৰ পৰা লাভ কৰা তথ্যৰ আধাৰত কাৰ্য সাধন কৰিব পাৰে। (৩) কোনো এখন দেশৰ চৰকাৰৰ পৰা কোনো এটা তাৰিখত এজন ভাৰতৰ নাগৰিকে এখন পাৰপত্ৰ আহৰণ কৰিলে তাৰ জৰিয়তে তেওঁ যে সেই দেশৰ নাগৰিকত্ব স্বেচ্ছাই সেই তাৰিখৰ আগতে আহৰণ কৰিছে সেইটো সমাধানমূলকভাৱে প্ৰমাণিত হ'ব।"

**উচ্চতম ন্যায়ালয়ৰদ্বাৰা মীমাংসা কৰা আইন**

নাগৰিকত্ব আইন, ১৯৫৫ৰ ৯নং ধাৰা (২)ৰ অধীনত (নাগৰিকত্ব বিধিৰ নিয়মাৱলী ৩০ পঠব্য) কেন্দ্ৰীয় চৰকাৰক এই বিষয়টো মীমাংসা কৰিবলৈ সম্পূৰ্ণ অধিকাৰৰ সীমাৰূপে ক্ষমতা দিছে যে যিজন লোক ভাৰতৰ নাগৰিক আছিল তেওঁ এখন বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব স্বেচ্ছাই আহৰণ কৰি সেই নাগৰিকত্ব হেৰুৱাইছে। তদুপৰি ৯নং ধাৰা (২)ৰ অধীনত তথা বিধি ৩০ অনুযায়ী এজন ব্যক্তিয়ে যদি এখন বিদেশী ৰাষ্ট্ৰৰ পৰা পাৰপত্ৰ আহৰণ কৰিছে সেই প্ৰমাণটোৱেই তেওঁক স্থানান্তৰ কিম্বা শাস্তি বিহাৰ কাৰণে আদেশ জাৰি কৰিবৰ কাৰণে যথেষ্ট নহয়— যদিহে সেই আইনৰ ৯নং ধাৰা (২)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। আনহাতে উক্ত আইনৰ ৯নং ধাৰা (২)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে যি তদন্ত কৰিব সেয়া হ'ল অৰ্দ্ধ-ন্যায়িক তদন্ত। আইনখনৰ প্ৰস্তাৱনাৰ বিষয়টো কেইখনমান ৰাজ্যত উচ্চতম ন্যায়ালয়ে বিচাৰ কৰি দিয়া ৰায় দানৰ দ্বাৰা মীমাংসা কৰা হয়। সেয়া হ'ল— অন্ধ্ৰ প্ৰদেশ বনাম আব্দুল খাদেৰ এ আই আৰ ১৯৬১; অন্ধ্ৰ প্ৰদেশ চৰকাৰ বনাম ছৈয়দ মহম্মদ এ আই আৰ ১৯৬২ আৰু উত্তৰ প্ৰদেশ বনাম ৰহমতুল্লাহ এ আই আৰ ১৯৭১। এনেদৰে ৰাষ্ট্ৰীয়তাৰ এই নিৰ্ণয় প্ৰক্ৰিয়া আইনত ভালদৰে মীমাংসা কৰা হয়।

**নতুন শ্ৰেণী**

১২০ কোটি ভাৰতীয়ই বিশ্বৰ প্ৰায় ১৮০ খন দেশত ৩ কোটি প্ৰবাসী ভাৰতীয়লৈ অৰিহণা যোগাইছে; আৰু ই দ্বৈত ৰাষ্ট্ৰীয়তা বিষয়টো সমিল-মিলেৰে সমাধান কৰাৰ পথ প্ৰশস্ত কৰিছে। ইয়াৰ অন্যথা ভাৰতীয় সংবিধানৰ ৯নং অনুচ্ছেদ আৰু নাগৰিকত্ব আইন, ১৯৫৫ৰ ৯নং ধাৰাৰ অধীনত নিষেধ ব্যৱস্থা আছে। "পাৰ্ছনছ অব ইণ্ডিয়ান অৰিজিন" (পি আই অ') আৰু "অভাৰচীজ চিটিজেন অব ইণ্ডিয়া" (অ' চি আই)— এই দুই শ্ৰেণীৰ ভাৰতীয় মূলৰ ব্যক্তিসকলক সীমিত লাভ প্ৰদান কৰিবলৈ ব্যৱস্থা কৰা হয়। সেই দেখি

এই দুই শ্ৰেণীৰ ব্যক্তিসকলে ভাৰতত এতিয়া সীমিত অধিকাৰ লাভ কৰিছে আৰু কোনো ভিছা, পঞ্জীয়ন, মঞ্জুৰি অথবা অন্য অনুমতি অবিহনে তেওঁলোকে ভাৰতত আবাসিক অধিকাৰ লাভ কৰিব পাৰে। ইয়াৰ বাহিৰেও সংবিধানৰ ৫নং অনুচ্ছেদৰ অধীনত ভাৰতত জন্মগ্ৰহণ কৰা প্ৰতিজন ব্যক্তি অথবা যাৰ পিতৃ-মাতৃয়ে ভাৰততেই জন্মগ্ৰহণ কৰিছিল কিম্বা সংবিধানখনৰ আৰম্ভণিৰ কমেও পাঁচ বছৰ পূৰ্বে ভাৰতৰেই সাধাৰণ বাসিন্দা আছিল তেনে ব্যক্তি ভাৰতৰ নাগৰিক হ'ব। এনে ধৰণে অন্তৰ্নিহিত অধিকাৰেই ভাৰতীয় আইনৰ দৃঢ়কৰণেৰে ভাৰতীয় ৰাষ্ট্ৰীয়তা নিৰ্ণয় সাধনৰ ধাৰণাৰ পথ মুকলি কৰে।

### ৰাষ্ট্ৰীয়তা নিৰ্ণয়

১৯৪৬ চনৰ আইন মতে যেতিয়া এজন বিদেশীক এখনতকৈও অধিক দেশৰ লোকৰূপে স্বীকৃতি দিয়া হয় কিম্বা বিদেশী লোক এজনক কি ৰাষ্ট্ৰীয়তাৰে চিনাকি দিয়া হ'ব সেই কথা অনিশ্চিত হ'লে তাৰ নিৰ্ণয় সাধনৰ বাদানুবাদৰ সন্দৰ্ভত তেনে ব্যক্তিক যিখন দেশৰ সৈতে তেওঁৰ অতি নিকট সম্বন্ধ আছে সেইখন দেশৰেই নাগৰিকৰূপে ধৰি ল'ব পাৰি। ইপিনে ১৯২০ আৰু ১৯৪৬ চনৰ আইনবোৰে এজন বিদেশীৰ ৰাষ্ট্ৰীয়তাৰ প্ৰশ্নটো সমাধান কৰিবৰ বাবে কোনো ফ'ৰাম অথবা নিয়ম অবিহনে কিম্বা এনে প্ৰক্ৰিয়াত কোনো সাংবিধানিক অধিকাৰ প্ৰদান নকৰাকৈ তেনে ব্যক্তিক ভাৰতৰ পৰা আঁতৰি যোৱা কিম্বা স্থানান্তৰ কৰাৰ অনুমতি দিয়ে। এই বিষয়বোৰ সমাধান কৰিবলৈও ট্ৰাইবুনেল নাই। অৱশ্যে বৰ্তমানে নাগৰিকত্ব আইন, ১৯৫৫ আৰু নাগৰিকত্ব বিধি, ২০০৯ত এই কথা স্পষ্ট কৰিছে যে এজন ব্যক্তিয়ে আন এখন দেশৰ নাগৰিকত্ব আহৰণ কৰাৰ সন্দৰ্ভত কিবা প্ৰশ্ন উত্থাপন হ'লে কেন্দ্ৰীয় চৰকাৰে তেনে বিষয় প্ৰথমে সমাধান কৰিব। এই ব্যৱস্থাৱলীকেই চালি-জাৰি চাই উচ্চতম ন্যায়ালয়ে ব্যক্ত কৰিছে যে এজন ব্যক্তিয়ে ভাৰতীয় নাগৰিক হোৱাৰ অধিকাৰ হেৰুওৱাৰ সন্দৰ্ভত অৰ্দ্ধন্যায়িক তদন্ত (কুৱাচি-জুডিচিয়েল এনকুৱেৰি) কৰি কেন্দ্ৰীয় চৰকাৰে উপযুক্ত সিদ্ধান্ত গ্ৰহণ নকৰাকৈ সেই ব্যক্তিক নিৰ্বাসন বা আঁতৰি যোৱাৰ আদেশ দিব নোৱাৰিব। বিদেশৰ পাৰপত্ৰ প্ৰদৰ্শনে এজন ব্যক্তিক বিদেশীৰূপে মোহৰ লগাব নোৱাৰিব আৰু তেওঁৰ ৰাষ্ট্ৰীয়তা নিৰূপণ কৰাটো হ'ল তেওঁৰ মৌলিক অধিকাৰ। আমাৰ সংসদে এনে ভাবধাৰা গ্ৰহণ কৰাৰ সময় আহি পৰিছে; আৰু সেই ভাৱধাৰা হ'ল ৰাষ্ট্ৰীয়তা নিৰ্ণয় সাধনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত স্বাধীনতা, ব্যক্তিগত স্বাধীনতা আৰু স্বাভাৱিক ন্যায় ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিয়াটো।

### বিতৰ্কমূলক প্ৰশ্ন

আজিৰ সামাজিক ধামখুমিয়াত আন্তৰ্জাতিক ভাৰতীয়সকল পি আই অ' অথবা অ' চি আই হোৱাৰ উপযুক্ত হয়। যদি তেওঁলোকে নিজৰ গৃহভূমিৰ সৈতে পুনৰ সংযোগ স্থাপন কৰিবলৈ ইচ্ছা কৰে তেনেহ'লে তেওঁলোকে ১৯২০ আৰু ১৯৪৬ চনৰ আইনৰ ঔপনিৱেশিক ব্যৱস্থাৱলী বাতিল কৰি বিদেশীৰূপে পৰিচয় দিয়াটো পৰিহাৰ কৰিব লাগিব। কাৰণ সেই আইনবোৰে মৌলিক অধিকাৰত আঘাত কৰে। আনপিনে চিটিজেনশ্বিপ এক্ট, ১৯৫৫-এ সংহতি সৃষ্টি কৰে। বিদেশী পাছপোৰ্ট থাকিলে আজিকালি ব্যক্তিক ভাৰতৰ পৰা উভতি যাবলৈ কিম্বা আঁতৰি যাবলৈ ক'ব পৰা নাযায়। তেনেহ'লে আমি ১৯২০ আৰু ১৯৪৬ চনতেই প্ৰণয়ন কৰা আইনবোৰ ৰাখি যোৱাৰ কি আৱশ্যকতা আছে— যিবোৰ ১৯৪৬ চনত সৃষ্টি হোৱা অৱস্থাত ভাৰতত বিদেশীক প্ৰৱেশ কৰিবলৈ দিয়াটো বিধিবদ্ধ কৰিবৰ বাবে প্ৰণয়ন কৰা হৈছিল? এইটো হ'ল এটা গুৰুত্বপূৰ্ণ বিষয়। সংসদে ইয়াৰ প্ৰতি নিশ্চয়েই গুৰুত্ব দিয়া প্ৰয়োজন।

### সময়ৰ প্ৰয়োজনীয়তা

আজিকালি ভাৰতীয় মূলৰ লোকসকলৰ কিছুমান বিষয় আছে যিবোৰৰ প্ৰতি গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজন। তেনে বিষয় হ'ল আন দেশীয় মূলৰ পত্নীৰ মাজত সৃষ্টি হোৱা পৈতৃক সম্পত্তিৰ সন্দৰ্ভৰ মতভেদ বা বিদেশৰ পৰা অহা হেতু উদ্ভৱ হোৱা ৰাষ্ট্ৰীয়তাৰ বিষয়। উপযুক্ত পটভূমিত গ্ৰহণযোগ্য দৃষ্টিভঙ্গী হ'ল ন্যায়িক পদ্ধতিৰ ভিতৰত উপযুক্ত ফ'ৰাম অথবা অধিকৰ্তা সৃষ্টি কৰা— যিটো হ'ল ওজৰ-আপত্তিবোৰ শুনি তাৰ মীমাংসা কৰাৰ বাবে সুবিধা প্ৰদান কৰি তেনেবোৰ বিষয় সমাধান কৰা। বিদেশৰ পৰিসীমালৈ এজন ব্যক্তিক যাবলৈ দিয়া কিম্বা আঁতৰাই পঠিওৱাটো হ'ব এখন বিদেশী ৰাষ্ট্ৰৰ ওচৰত কৰা আত্মসমৰ্পণহে। এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হোৱাৰ সংকল্প গ্ৰহণ কৰি ভাৰতত দেশজ ভাৰতীয়সকলৰ কাৰণে সমস্যাসমূহ সমাধান কৰিবলৈ আমি বেচ সমৰ্থবান আৰু উপযুক্ত। আমাৰ স্বৰাজোত্তৰ কালৰ আইনবোৰে ভাৰতৰ সংবিধানত নিশ্চিত কৰা মৌলিক স্বাধীনতা ৰক্ষা কৰাৰ স্বাচ্ছন্দ্য ন্যায়িক ব্যৱস্থাই সমুচিত সমাধান পথৰ যোগান ধৰিছে। সেয়েহে আজিৰ অধিকাৰসমূহৰ সৈতে অন্তৰ্দ্বন্দ্বৰ সৃষ্টি

কৰা প্ৰাক-স্বাধীনতা কালৰ আইনবোৰ আমাৰ সংবিধানৰ পৰা নিশ্চিহ্ন হ'ব লাগিব।

সংবিধান গ্ৰন্থত থকা আওপুৰণি আইনবোৰ পৰিহাৰ কৰাৰ উপৰি আন্তৰ্জাতিক ক্ষেত্ৰত বিস্তৃত হৈ থকা ভাৰতীয় লোকৰ কাৰণে নতুন আইন তৈয়াৰ কৰাৰ বিষয়টোক আইন প্ৰণেতাসকলে গুৰুত্ব সহকাৰে লোৱা উচিত। জৰুৰী চিন্তাৰ বিষয় হ'ল সীমান্তৰ ইপাৰ-সিপাৰত থকা পিতৃ-মাতৃৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সন্তানক লৈ বিতৰ্কৰ বিষয়। তেওঁলোকৰ যুঁজৰ বাবে নিৰীহ সন্তানে অনাহকত কষ্ট ভুগিব লগা হয়। ব্যক্তিগত বাদ-বিবাদ নিষ্পত্তিকৰণৰ অৰ্থে স্বামী-স্ত্ৰীয়ে নিৰৰ্থকভাৱে সন্তানকেই বলিৰ পঠা সজায়। তেনেদৰে বাণিজ্যিকভাৱে গা-কৰি উঠা আন নাৰীয়ে গৰ্ভধাৰণ কৰা ব্যৱসায়ৰ ক্ষেত্ৰত নিয়ামক ব্যৱস্থাৰ প্ৰয়োজন হৈছে। মানৱৰ চোৰাং আৰু বেআইনী প্ৰৱেশৰ ব্যৱসায় ৰোধৰ বাবে কেন্দ্ৰীয় আইনৰ প্ৰয়োজন আছে। অসাধু চক্ৰৰ এজেন্টৰ দ্বাৰা পৰিচালিত বহুমূলীয়া ভাৰতীয় লোকসকলৰ জীৱন ৰক্ষা কৰিবৰ কাৰণেই এনে ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যক হৈছে। পত্নীৰ যতন ব্যৱস্থা লোৱাৰ অধিকাৰ আৰু বৈবাহিক আইন আন্তৰ্জাতিক পৰিয়াল বিষয়ক আইনসমূহৰ সৈতে ৰজিতা খোৱাকৈ প্ৰস্তুত কৰিবৰ কাৰণে খৰতকীয়া ব্যৱস্থা কৰা উচিত। ল'ৰা-ছোৱালীক তুলি-তালি ডাঙৰ-দীঘল কৰা যি ব্যৱস্থা আন্তৰ্জাতিক ক্ষেত্ৰত আছে তাক এলানি নতুন নিয়ামক পদ্ধতিৰে পৰিচালিত কৰা আৱশ্যক। এতিয়ালৈকে যি দেখা গৈছে সেয়া হ'ল আমাৰ দেশত পৰিয়াল আৰু সমাজক পৰিচালিত কৰা আইনবোৰৰ ক্ষেত্ৰত অৱহেলাৰ চকুৰেহে চোৱা হৈছে। বাণিজ্যিক বিষয়ৰ আইনবোৰৰ ওপৰতহে সকলো শক্তি প্ৰয়োগ কৰা হৈছে। তাৰ ফলস্বৰূপে এই ৫০ বছৰ কালত একোৱেই পৰিৱৰ্তন সাধন নহ'ল। চিন্তাধাৰাবোৰ নিশ্চয়েই সলনি হ'ব লাগিব। নতুন গতি প্ৰদানৰ প্ৰতি গুৰুত্বও দিব লাগিব। বিদেশত থকা আমাৰ ভাৰতীয়সকলক মুকলিমূৰীয়া সা-সুবিধা যদি প্ৰদান কৰিব লাগে, তেনেহ'লে আমি তেওঁলোকক নিশ্চয়েই এখন স্থায়ী ঘৰ, এটা সুখী পৰিয়াল আৰু জীয়াই থাকিবৰ বাবে এখন সন্তোষজনক সমাজ দিব লাগিব। ভাৰতীয় আইনবোৰ এফলীয়াকৈ থাকিব নালাগিব। সেই আইনবোৰ বিদেশত প্ৰৱৰ্তিত আইনৰ সৈতে নিশ্চয়েই ৰজিতা খাব লাগিব— যাৰ দ্বাৰা এটি সুন্দৰ পৰিৱেশ গঢ়ি উঠিব পাৰে আৰু অধিক সুফলো লাভ কৰিব পৰা যাব পাৰে।

**চকুৰ পচাৰতে নাগৰিকত্ব আৰু বৈদেশিক আইন**

★ The Registration of Foreigners Act, 1939— ভাৰতত বিদেশীসকলৰ পঞ্জীকৰণৰ বাবে ব্যৱস্থা কৰা এখন আইন।

★ The Registration of Foreingners Rules, 1992 issued in supersession of the Registration of Foreigners Rules 1939— ১৯৩৯ চনৰ আইনৰ অধীনত তৈয়াৰ কৰা বিধি।

★ The Foreigners Act, 1946— বিদেশীৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰক কিছু ক্ষমতা প্ৰদান কৰা এখন আইন।

★ The Foreigners Act, 1948— ভাৰতৰ পৰা গুচি যাবৰ বাবে অনুমতিৰ অৰ্থে ১৯৪৬ চনৰ আইনৰ ৩নং ধাৰাৰ অধীনত ক্ষমতা প্ৰদান কৰা এটা আদেশ।

★ The Foreigners (Tribunals) Order, 1964— এজন ব্যক্তি বিদেশৰ যদি হয় তাক থিৰ কৰিবৰ বাবে ১৯৪৬ চনৰ আইনৰ ৩ নং ধাৰাৰ অধীনত ট্ৰাইবুনেল গঠন কৰিবৰ অৰ্থে দিয়া আদেশ।

★ The Passport (Entry into India) Act, 1920— ভাৰতত প্ৰৱেশৰ বাবে ব্যক্তিসকলক প্ৰয়োজন হোৱা পাৰপত্ৰৰ অৰ্থে ক্ষমতা গ্ৰহণ কৰা এখন আইন।

★ The Passport (Entry into India) Rules, 1950— ১৯২০ চনৰ আইনৰ অধীনত তৈয়াৰ কৰা বিধি।

★ The Passport Act, 1967— ভাৰতৰ পৰা প্ৰস্থান বিধিবদ্ধ কৰিবৰ অৰ্থে পাৰপত্ৰ আৰু ভ্ৰমণ নথিপত্ৰ ইছ্যু কৰা ব্যৱস্থাকৰণৰ এখন আইন।

★ The Citizenship ACt, 1955— ভাৰতীয় নাগৰিকত্ব গ্ৰহণ আৰু স্থিৰকৰণৰ আইন।

★ The Citizenship Rules, 2009— নাগৰিকত্ব আইন, ১৯৫৫ৰ অধীনত তৈয়াৰ কৰা বিধি। ❐

# খুচুৰা খণ্ডত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ গতিধাৰা ঃ বিকাশৰ উৎস অথবা ভাবুকি

**লীনা অজিৎ কৌশল***

**প্ৰস্তাৱনা**

ভাৰতত খুচুৰা খণ্ডৰ পৰিব্যাপ্তি মুঠ ঘৰুৱা উৎপাদনৰ ১৪-১৫ শতাংশ আৰু ই হ'ল বিদেশৰ গৰাকী স্বত্ব থকা তথা ভাৰতীয় প্ৰতিষ্ঠান উভয়ৰ বাবে আকৰ্ষণীয় বিনিয়োগ ধাৰা। ২০১২ বৰ্ষত ভাৰতে খুচুৰা খণ্ডত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ ক্ষেত্ৰত নীতি-নিয়মৰ ৰেহাই প্ৰদান কৰে আৰু খণ্ডটোত বিদেশী প্ৰতিষ্ঠানৰ বাবে ১০০ শতাংশ গৰাকী স্বত্বৰ ক্ষেত্ৰতো সন্মতি দিয়ে। বিদেশৰ প্ৰতিষ্ঠানবোৰক যদিও এটা ব্ৰেণ্ডৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলৈ দিয়ে, সেই প্ৰতিষ্ঠানবোৰে দেশখনৰ ভিতৰতে ৩০ শতাংশ উৎপাদন আৰু সামগ্ৰীৰ উৎস প্ৰদান কৰিব লগা হয়। ২০১২ বৰ্ষৰে পৰৱৰ্তী সময়ত বিদেশৰ প্ৰতিষ্ঠানবোৰক বহু ব্ৰেণ্ডৰ সামগ্ৰী বিক্ৰী কৰিবলৈ দিয়া হয় আৰু লগতে প্ৰয়োজনীয় অংশৰ মাত্ৰ ৫১ শতাংশহে ইকুইটী ৰাখিবলৈ দিয়া হয়। তদুপৰি নিয়ামক ব্যৱস্থা অনুযায়ী বিদেশৰ প্ৰতিষ্ঠানে ন্যূনতম ১০ কোটি ডলাৰ বিনিয়োগ কৰা উচিত আৰু এই ধনৰাশিৰ ৫০ শতাংশ বিশেষভাৱে আন্তঃগাঁথনিত খটুৱাব লাগিব। তেনে আন্তঃগাঁথনি হ'ল পণ্যাগাৰ আৰু শীতল মজুত ভাণ্ডাৰৰ সা-সুবিধাৰ বিষয়। ২০১৪ বৰ্ষত নতুনকৈ গঠন হোৱা চৰকাৰে উদাৰ অৰ্থনৈতিক নীতিৰ আন্তঃগাঁথনি আৰু অৰ্থনীতিত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ বৰ্দ্ধিত অন্তঃস্ৰোতৰ ওপৰত গুৰুত্ব দিয়ে। লগতে মাল্টিব্ৰেণ্ড খুচুৰা ব্যৱসায়ত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ কৰা কাম নিষিদ্ধ কৰে। দেশৰ খুচুৰা ব্যৱসায়ীসকল বিদেশৰ প্ৰত্যক্ষ বিনিয়োগকাৰীৰ প্ৰভাৱত আক্ৰান্ত হোৱাৰ আশংকাতেই এনে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় বুলি ক'ব পৰা যায়। কাৰণ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগকাৰীয়ে খুচুৰা খণ্ডত তেওঁলোকক প্ৰতিযোগিতাত পিচ পেলাই যাব পাৰে। খুচুৰা ব্যৱসায়ত বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ প্ৰৱেশৰ বিষয়টোৱে বিভিন্ন তৰ্ক-বিতৰ্কৰ সৃষ্টি কৰে। সিদ্ধান্ত নিৰ্ণয়ৰ সন্দৰ্ভত কোৱা হয় যে বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ বৰঙণিয়ে অৰ্থনীতিৰ বৃদ্ধি আৰু বিকাশ সাধন কৰিব। সি যি কি নহওক, গণতন্ত্ৰত ৰাজনৈতিক বিৰোধিতা থকা সকলৰো মত প্ৰকাশ কৰাৰ অধিকাৰ আছে।

২০১০-২০১২ বৰ্ষৰ কালছোৱাত ১০.৬ শতাংশ চি এ জি আৰ সহ ভাৰতৰ খুচুৰা উদ্যোগে ২০১৫ বৰ্ষৰ ভিতৰত ১৮.৮ শতাংশ স্পৰ্শ কৰিব বুলি অনুমান কৰা হয় আৰু ইয়াৰ বজাৰৰ পৰিমাণ হ'ব ৭৫০-৮৫০ বিলিয়ন ডলাৰ মূল্যৰ। ভাৰতৰ খুচুৰা খণ্ড সংগঠিত আৰু অসংগঠিত খণ্ডৰে গঠিত। অসংগঠিত খণ্ডৰ ভিতৰত আছে পৰম্পৰাগতভাৱে চলি অহা পৰিয়ালৰ দ্বাৰা পৰিচালিত কম দামী খুচুৰা দোকান, চ'ক আদিত দিয়া দোকান কিম্বা তেনে ধৰণৰ অন্যান্য সুবিধাজনক পণ্য ভাণ্ডাৰ। আধুনিক ব্যৱস্থাৰে গঢ় দিয়া সংগঠিত খণ্ডৰ ভিতৰত আছে ছুপাৰ মাৰ্কেট, বিভাগীয় ষ্টোৰ আৰু বিশেষত্ব থকা এলানি বিপণন ব্যৱস্থা। সংগঠিত খুচুৰা খণ্ডই মুঠ খুচুৰা বজাৰৰ ৮ শতাংশ অধিকাৰ কৰে আৰু ইয়াৰ মাত্ৰা ২০২০ চনৰ ভিতৰত ২০ শতাংশ বৃদ্ধি পাব বুলি আশা কৰিব পাৰি। ভাৰতত খাদ্যৰ খুচুৰা বেপাৰে মুঠ খুচুৰা বিক্ৰীৰ ৬৩ শতাংশ অধিকাৰ কৰে; আৰু ই মুঠ ঘৰুৱা উৎপাদনলৈ ১৪ শতাংশ আৰু মুঠ বিনিয়োগৰ ক্ষেত্ৰখনলৈ ৭ শতাংশ বৰঙণি যোগায়। খাদ্য আৰু পানীয়ৰ ক্ষেত্ৰত ভাৰতীয় লোকে যিমান উপাৰ্জন কৰে তাৰ ৪৭ শতাংশ ব্যয় কৰে। এই ব্যয়ৰ পৰিমাণ বিশ্বৰ সৰ্বমুঠ ব্যয়ৰ ভিতৰত সৰ্বাধিক অংশবিশেষ আৰু তেওঁলোকৰ সৰহভাগ ক্ৰয় সামগ্ৰী সৰু সৰু দোকানত সীমাবদ্ধ থাকে।

১৯৯১ বৰ্ষত বলবৎ কৰা এগ্ৰিকালচাৰেল প্ৰডিউচ মাৰ্কেট কমিটী আইনখনে কৃষকসকলৰ কাৰণে তেওঁলোকৰ উৎপাদিত সামগ্ৰী অনুজ্ঞা পত্ৰ থকা সদাগৰ অথবা মধ্যৱৰ্তী লোকক 'মন্দি'ত বিক্ৰী কৰাটো বাধ্যতামূলক কৰে আৰু সেই 'মন্দি'বোৰ ৰাজ্যৰ কৃষি মাৰ্কেটিং বোৰ্ডসমূহে গঠন

***লীনা অজিত কৌশল গৱেষক হিচাপে তিনি বছৰ ধৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ লগত জড়িত আছিল। তেওঁ লাংকেষ্টাৰ ইউনিভাৰ্ছিটিৰ লগতো প্ৰায় চাৰে-পাঁচ বছৰ সময় জড়িত হৈ আছিল।**

কৰি দিয়ে। এই মধ্যভোগীসকলে যি মূল্য আৰোপ কৰে তাৰ প্ৰভাৱ খাদ্য আৰু খাদ্যজাত সামগ্ৰীৰ খুচুৰা বজাৰত পৰে; আৰু সেয়া হ'ল একচেটীয়া লেন-দেনৰ কাৰবাৰ। তদুপৰি চৰকাৰৰ কৰ, আন্তঃৰাজ্যিক পৰিবহন মাচুল আৰু এজেন্টৰ কমিছনে অধিক মূল্য বৃদ্ধি কৰায় আৰু মধ্যভোগীয়ে এইবোৰ খুচুৰা ব্যৱসায়ীৰ পৰা আদায় কৰে। এই পদ্ধতিত মধ্যভোগীৰ লাভ হয়। কিন্তু দুখীয়া কৃষক আৰু উপভোক্তাসকলৰ ওপৰত মাধমাৰ শোধাই মধ্যভোগীয়ে এনে কাৰ্য সাধন কৰে।

খাদ্যৰ ক্ষেত্ৰত অধিক আৰু বৰ্দ্ধিত মূল্য ৰোধ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্যকেই কৃষিজাত উৎপন্ন সামগ্ৰীৰ বজাৰ কমিটী আইনৰ পৰা ফল-মূল আৰু শাক-পাচলিক তালিকাৰ বাহিৰত ৰাখিবলৈ অনুৰোধ কৰে। কিন্তু মূল্য ৰোধ কৰিবলৈ কেৱল এই ব্যৱস্থাই যথেষ্ট নহয়। বিদেশৰ ফাৰ্মবোৰৰ দৰে স্বতন্ত্ৰীয়া প্ৰতিষ্ঠানে স্থাপন কৰা দোকানবোৰে দেশখনৰ যোগান পৰিব্যাপ্তি চমু কৰিব পাৰে, মধ্যভোগীৰ পৰা কৃষকক আঁতৰ কৰাত সহায় কৰিব পাৰে তথা তেওঁলোকক বিক্ৰী মূল্যত অধিক অংশ পোৱাত উৎসাহিত কৰিব পাৰে। কোহলি আৰু ভাগৱতীয়েও এই মত পোষণ কৰে যে বহুৰাষ্ট্ৰীয় খুচুৰা বিক্ৰেতাসকলৰ ভাৰতৰ বিতৰণ প্ৰণালীৰ কাম-কাজ উন্নত কৰিব পৰাৰ ক্ষমতা আছে।

যথেষ্ট সংখ্যক মধ্যবিত্ত শ্ৰেণীৰ লোকসহ বিকাশমুখী অৰ্থনীতিত খুচুৰা খণ্ড বৃহৎ ছুপাৰ ষ্টোৰসমূহৰ প্ৰতি আকৰ্ষিত হয়। তাৰ ভিতৰত বিদেশৰ মাল্টিব্ৰেণ্ড ফাৰ্মবোৰো থাকে। পিচে এই খণ্ডটোৰ বিকাশে ক্ষুদ্ৰ খুচুৰা ব্যৱসায়ীৰ দোকানবোৰৰ সৈতে ফেৰ মাৰিব নোৱাৰাৰ সম্ভাৱনা আছে; কিয়নো কম উপাৰ্জন স্তৰৰ সৰহ সংখ্যক লোকৰ পৰিবহন ব্যৱস্থাৰ সা-সুবিধা নাই— যাৰদ্বাৰা তেওঁলোকে চহৰৰ সেই দোকানবোৰলৈ গৈ সা-সামগ্ৰী কিনিব পাৰে আৰু যিসকলে সৰহীয়াকৈ বয়-বস্তু কিনিবলৈ বিচাৰে সেইবোৰ বয়-বস্তু দীৰ্ঘ দিনৰ বাবে থ'বলৈ ৰেফ্ৰিজেৰেটৰৰ সুবিধা নাই। মানুহৰ মুখে মুখে এষাৰ কথা প্ৰচলিত যে ভাৰত হ'ল এখন বৃহৎ দেশ। বহুসংখ্যক দুখীয়া লোক আছে আৰু যথেষ্ট সংখ্যক চহকী লোকো আছে। বিদেশৰ ফাৰ্ম তথা 'কিৰানা (সুবিধাজনক ঠাইত প্ৰতিষ্ঠিত দোকান) দোকান' উভয়ৰে বাবেই দেশখনৰ বৰ্দ্ধিত খুচুৰা ব্যৱসায়ী খণ্ডত সুযোগ-সুবিধা আছে।

**খুচুৰা খণ্ডত এফ ডি আই-ৰ সন্দৰ্ভত বিতৰ্ক**

উদাৰীকৰণ যুগত এটা বৈশিষ্ট্যমূলক নীতিৰ প্ৰয়াস হ'ল বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক পৰিচালনা কৰাৰ ক্ষেত্ৰত ৰেহাই দিয়া নীতি আৰু নিয়ামক ব্যৱস্থা। এই বিষয়ে ওপৰত কিছু উল্লেখ কৰা হৈছে। নতুন চৰকাৰে খুচুৰা খণ্ডত মাল্টিব্ৰেণ্ড বিদেশৰ প্ৰত্যক্ষ বিনিয়োগক উদাৰীকৰণ ব্যৱস্থাৰ অধীনলৈ আনিবলৈ বিচৰা নাই। এই ক্ষেত্ৰত চৰকাৰৰ যুক্তি হ'ল এনে ব্যৱস্থাই ক্ষুদ্ৰ ফাৰ্মসমূহক চেৰ পেলাব আৰু বহু দোকানীক তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ পৰা বঞ্চিত কৰিব। কিন্তু আমি ক'ব খোজো যে চৰকাৰৰ এনে আশংকাৰ কাৰণে তেনে সমৰ্থনযোগ্য যুক্তি নাই। বৰং বিদেশৰ মাল্টিব্ৰেণ্ড ফাৰ্মসমূহক খুচুৰা খণ্ডত প্ৰৱেশ কৰিবলৈ দিয়াৰ অৰ্থনৈতিক আধাৰ বেচ শক্তিশালী। দেশখনৰ কৃষি খণ্ডত উপযুক্ততা আৰু ইকুইটী উভয় দিশৰ পৰা বিদেশী ফাৰ্মসমূহৰ সম্ভাৱনামূলক বৰঙণি যোগোৱাৰ ভিত্তিত এই প্ৰৱেশৰ বিষয়টো উল্লেখ কৰা হৈছে। উপভোক্তাসকলৰ প্ৰতি লাভৰ সুবিধা বিস্তৃত। প্ৰথমতে প্ৰায়ভাগ অধিক উপাৰ্জনক্ষম গোটৰ লোকসকল উপকৃত হ'ব; কিন্তু পৰৱৰ্তী কালত কম উপাৰ্জনক্ষম লোকসকলকো এনে সুবিধাই স্পৰ্শ কৰিব।

এই ক্ষেত্ৰত দুটা ডাঙৰ যুক্তি বিবেচনাৰ বিষয় হ'ব। প্ৰথমটো হ'ল খুচুৰা খণ্ড সম্প্ৰতি দ্বৈত খণ্ডৰূপে পৰিগণিত হৈ আছে। ইয়াৰ এটা হ'ল সংগঠিত খণ্ড— যাৰ বৃহৎ আকাৰৰ দোকান আছে। আনটো হ'ল অসংগঠিত খণ্ড— য'ত আছে বিশাল সংখ্যক সৰু সৰু দোকানী। প্ৰকৃততেই ই এটি দ্বৈত খণ্ড। ইটোৰ লগত সিটোৰ মিল নাই আৰু প্ৰতিটোৰেই নিজাববীয়া গ্ৰাহক আছে। দুয়োটাই নিজৰ সীমা অতিক্ৰম নকৰে। এটাই আনটোৰ কাম-কাজত হস্তক্ষেপ কৰিবলৈ নাযায়। দ্বিতীয়তঃ খুচুৰা খণ্ডত এফ ডি আই হ'ব এটা সম্ভাৱনামূলক উৎস। ইকুইটী আৰু কৃষকসকলৰ উপযুক্ততা উভয় দিশতে বহুৰাষ্ট্ৰীয় দৃষ্টিভঙ্গীৰে নিজকে কামত ন্যস্ত কৰিব— যাৰদ্বাৰা ঘৰুৱা সম্পদৰাজিত তেনে ফাৰ্মৰ সক্ৰিয়তাই কৃষি প্ৰযুক্তিৰ উন্নতি সাধন কৰিব পাৰে।

**প্ৰতিষ্ঠিত দোকানৰ প্ৰতি এফ ডি আই-ৰ ভাবুকি নিৰৰ্থক**

অৰ্থনৈতিক বিকাশক উৎসাহিত কৰাৰ ক্ষেত্ৰত এফ ডি আই-ৰ ভূমিকা সম্বন্ধে বহু গৱেষকে অধ্যয়ন কৰিছে। ইয়াৰ বিকাশ সাধনৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিৱেশ আৰু অৱস্থা চিহ্নিতকৰণৰ বাবে অধ্যয়ন কৰা হৈছে। কিন্তু ভাৰতৰ দৰে

বিকাশশীল দেশবোৰৰ কাৰণে অৰ্থনৈতিক বিকাশ সাধনৰ লগে লগে দৰিদ্ৰতা মোচনৰ ক্ষেত্ৰত এফ ডি আই-য়ে বৰঙণি যোগোৱাটো নিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ বিষয়।

ক্ষুদ্ৰ শাক-পাচলিজাতীয় বয়-বস্তুৰ দোকানীবোৰৰ ওপৰত ছুপাৰ মাৰ্কেটৰ প্ৰভাৱ সম্পৰ্কে মিশ্ৰিত সঁহাৰিৰ বহুতো লেখা আৰু পুথি আদি আছে। ছবেল আৰু ডিয়েনে কৰা অধ্যয়নত (২০০৮ চনত) এইটো কোৱা হয় যে আমেৰিকাৰ ক্ষুদ্ৰ খুচুৰা ব্যৱসায়ত ৱালমাৰ্টৰ দীৰ্ঘদিনীয়া প্ৰভাৱ পৰা নাই। আনপিনে জিয়া আৰু বাস্কৰৰ প্ৰতিবেদনত ক্ষুদ্ৰ খুচুৰা ব্যৱসায়ীৰ সংখ্যা হ্ৰাস পায়। ইগামীৰ অধ্যয়নত (২০০৮ চন) এই বুলি কোৱা হয় যে বৃহৎ ছুপাৰ মাৰ্কেটবোৰে ডাঙৰ আৰু মজলীয়া আকাৰৰ দোকানবোৰ আঁতৰাই পেলাইছে, কিন্তু সৰু সৰু দোকানবোৰৰ অৱস্থিতি উন্নত কৰিছে। এইবোৰ দোকানত উৎপাদনজাত সামগ্ৰীৰ ভিন্নতা আছে। দোকানৰ আকাৰ লৈয়ে এনে ভিন্নতা আৰু তেনেদৰে মূল্যৰ ক্ষেত্ৰত সাধাৰণ ধৰণৰ প্ৰতিযোগিতাহে পৰিলক্ষিত হয়। ইগামীয়ে উপভোক্তাসকলৰ চাহিদা আৰু দোকান কৰা অভ্যাসৰ ওপৰত আলোকপাত কৰিছে আৰু বিভিন্ন ফ্লোৰ অৰ্থাৎ মহলাৰ আকাৰ অনুযায়ী উপভোক্তাসকলৰ বাবে সামগ্ৰীসমূহৰো ভিন্নতা প্ৰদানৰ অৰ্থে পৰামৰ্শ আগবঢ়াইছে। বালসুব্ৰামনিয়মৰ মতে (২০১৩ চন) নিম্ন উপাৰ্জনক্ষম গোটৰ লোকে আন্তৰ্জাতিকভাৱে ভিন্নতা থকা সা-সামগ্ৰীৰ বাবে দাবীও নকৰে কিম্বা কিনিবও নোৱাৰে। ইয়াৰ দাম ধনী লোকে বহন কৰিব পাৰে আৰু সামগ্ৰীসমূহ ৰখাৰো সুবিধা তেওঁলোকৰ থাকে।

আহল-বহল ছুপাৰ মাৰ্কেটসমূহ সাধাৰণতে বৃহৎ চহৰৰ বাহিৰৰ পৰিসীমাত বা দাঁতিকাষৰীয়া ঠাইত অৱস্থিত হয়। খুচুৰা ভাণ্ডাৰৰ ভাৰা বৃদ্ধিৰ কাৰণে আৰু কেন্দ্ৰীয় অৱস্থানৰ অভাৱৰ হেতু এনে কৰা হয়। কেন্দ্ৰস্থলসমূহত খুচুৰা সামগ্ৰীৰ ভাণ্ডাৰৰ ভাৰা যোৱা তিনি বছৰ কালত ৫০ শতাংশ বৃদ্ধি পায়। আন্তৰ্জাতিক স্তৰৰ ভাৰাতকৈ এয়া ৩০০-৪০০ ভিত্তি পইণ্টতকৈ অধিক। এইটো লক্ষ্যণীয় যে কম উপাৰ্জনক্ষম গোটৰ লোকে তেওঁলোকৰ দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ বাবে ছুপাৰ মাৰ্কেটলৈ গৈ অহা-যোৱাৰ বাবদ খৰচ কৰিব নিবিচাৰে; বৰং সঠিক অৱস্থানত থকা দোকান অথবা শাক-পাচলিৰ দোকানহে তেওঁলোকৰ সুবিধাজনক পছন্দৰ লক্ষ্যস্থান। ভাৰতত মজলীয়া উপাৰ্জন গোটৰ লোক বৃদ্ধি পাইছে। ইয়াৰ হাৰ হ'ল মুঠ জনসংখ্যাৰ ৩০ শতাংশতকৈও কম। আনহাতে ২১.৯ শতাংশ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ লোক (পৰিকল্পনা আয়োগ, ২০১২)। এনে পৰিস্থিতিত সংগঠিত আৰু অসংগঠিত উভয় খুচুৰা খণ্ডই নিকট ভৱিষ্যতত সহ-অৱস্থান কৰিব আৰু তেনেদৰে সেইবোৰে গ্ৰাহকসকলক ভিন ভিন মূল্যৰ সা-সামগ্ৰীৰো যোগান ধৰি থাকিব।

কোহলি আৰু ভাগৱতীৰ অধ্যয়নত (২০১১) এইবুলি যুক্তি দৰ্শোৱা হয় যে বৃহৎ খুচুৰা ব্যৱসায়ীৰ বিস্তৃতি সাধন সঠিক অৱস্থানত থকা সৰু সৰু দোকানবোৰক আক্ৰান্ত কৰি হোৱা নাই। তেনে দোকানবোৰৰ প্ৰায়ভাগেই কম খৰচত পৰিয়ালে চলায় আৰু ঘৰ এখনকো এনে দোকানলৈ পৰিৱৰ্তন কৰিব পৰা যায়। এই দোকানবোৰে নিৰ্দিষ্ট গোটৰ গ্ৰাহকৰ প্ৰয়োজনীয়তা পূৰণ কৰে আৰু গ্ৰাহকসকল নিজ নিজ এলেকাৰেই হয়। এনে গ্ৰাহকক দোকানীবোৰে ঋণৰ সুবিধা প্ৰদান কৰে। ক্ৰয়ৰ কাৰণে বিনিময়ৰ বিকল্পও থাকে আৰু নিজৰ আৱশ্যকতাৰ বিষয়েও দোকানলৈ পৰামৰ্শ আগবঢ়াব পাৰে। পৰ্যবেক্ষক প্ৰহ্লাদৰ মতে গ্ৰাহকসকলে সঘনে সামগ্ৰী ক্ৰয় কৰে আৰু তেনে সামগ্ৰী কম মাত্ৰা বা পৰিমাণতহে লয়। তাৰ কাৰণ হ'ল তেওঁলোকৰ সৰহীয়াকৈ কিনাৰ সামৰ্থ্য নাই আৰু থোৱাৰ ব্যৱস্থাও নাই। সেয়ে এনে ঘৰকেন্দ্ৰিক দোকানবোৰ দৈনন্দিন আৱশ্যকতাৰ বাবে সুবিধাজনক লক্ষ্য-স্থলত পৰিণত হৈছে।

উপভোক্তাসকলৰ তেনে দোকান বা ওচৰৰ শাক-পাচলিৰ বজাৰৰ পৰা সতেজ ফল-মূল, শাক-পাচলি, গাখীৰ আদি কিনাৰ স্বাধীনতা থাকে। কোহলি আৰু ভাগৱতীয়ে ক'বৰ দৰে (২০১১) এয়া হ'ল ভাৰতত ছন্দময় জীৱনৰ অংশস্বৰূপ আৰু নিকট ভৱিষ্যতে ইয়াৰ পৰিৱৰ্তন নহ'বও পাৰে। ভাৰতত যুটীয়া পৰিয়ালৰ স্থিতি অৱধাৰিত গতিত আছে। এনে পৰিয়ালৰ বয়সীয়াল লোকে কামৰ পৰা অৱসৰ গ্ৰহণ কৰি সাধাৰণতে ওচৰৰ দোকানৰ পৰা দৈনন্দিন প্ৰয়োজনৰ সা-সামগ্ৰী কিনে আৰু এনেবোৰ দোকানতেই সম বয়সৰ আন লোকক লগ পাই কথা-বাৰ্তা পাতে। তেওঁলোকে বাহিৰলৈ ওলাই আহি এনেদৰে আনন্দ উপভোগ কৰে। এনে ধৰণৰ পথৰ দাঁতিত থকা দোকানে ঘৰত যোগান ধৰা সেৱাৰো ব্যৱস্থা কৰে; আৰু তেনে ধৰণৰ ব্যৱস্থা দোকানলৈ আহিব নোৱাৰা লোকসকলৰ বাবে আশীৰ্বাদস্বৰূপ হয়।

**কৃষকৰ বাবে এফ ডি আই কাৰ্যক্ষমতাৰ উৎস**

ভাৰতৰ খুচুৰা ব্যৱসায়ত এফ ডি আই-ৰ সন্দৰ্ভত প্ৰায়ভাগ বিতৰ্কই

চুবুৰীয়া দোকানৰ ওপৰত পৰা প্ৰভাৱ সম্পৰ্কত কেন্দ্ৰীভূত হয়। ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে এইটো এটা তেনে বিষয় নহয়। প্ৰাসঙ্গিক বিষয়টো হ'ল খুচুৰা খণ্ডৰ ৰাজ্যই নিযুক্তি দিয়া মন্দি আৰু মধ্যভোগীৰদ্বাৰা সহায় হোৱাতকৈ ক্ষুদ্ৰ কৃষকক শোষণ কৰাটো। এই শোষিত কৃষকসকলৰ কল্যাণৰ অৰ্থে বিদেশৰ ফাৰ্মসমূহৰ বৰঙণিৰ কথাটোৱেহে তাৎপৰ্য তাৎপৰ্য বহন কৰিছে। বিদেশৰ প্ৰত্যক্ষ বিনিয়োগ আৰু দৰিদ্ৰতাৰ প্ৰভাৱ সন্দৰ্ভত যথেষ্ট সংখ্যক পুথি আছে। কিন্তু গ্ৰামাঞ্চলত দুখীয়া লোকসকলক এফ ডি আই-য়ে ঢুকি পোৱাৰ বিষয়ে কেনে ব্যৱস্থা গ্ৰহণৰ আৱশ্যকতা আছে সেই বিষয়ে অধিক লেখা ওলোৱা নাই। এই ক্ষেত্ৰত প্ৰহ্লাদৰ কাৰ্য এটা ব্যতিক্ৰম। তেওঁ লিখিছে যে বহনক্ষম মূল্যত উৎপাদনৰে বিদেশৰ ফাৰ্মসমূহ দুখীয়া উপভোক্তাসকলৰ ওচৰলৈ যাব পাৰে। দুখীয়া লোকসকলৰ সৈতে উপভোক্তা হিচাপে বিদেশৰ ফাৰ্মৰ সম্বন্ধ স্থাপন কৰাত প্ৰহ্লাদে গুৰুত্ব আৰোপ কৰিছে। সেই ফাৰ্মবোৰে উৎপাদন সহ দুখীয়াসকলক সহায় কৰাৰ হকে অধিক কাম কৰিব পাৰে। অৱশ্যে এইটো যুক্তি দৰ্শাব পাৰি যে বহুৰাষ্ট্ৰীয় ফাৰ্মবোৰ হ'ল ঘাইকৈ অধিক মুনাফা আশা কৰোতা প্ৰতিষ্ঠানবিশেষ। সেয়ে দৰিদ্ৰতা মোচন কৰাৰ দৰে সামাজিক দায়িত্বৰ কামৰ বোজা লোৱাটো সেই ফাৰ্মবোৰৰ পৰা আশা কৰিব নোৱাৰি। এইটো অৱশ্যে মানি ল'ব লাগিব, কিন্তু লাভৰ সন্ধানৰ জৰিয়তে সেই ফাৰ্মবোৰে সামাজিক উদ্দেশ্য সাধনৰ ক্ষেত্ৰত বৰঙণি যোগাব পাৰে। এইটো বিশেষকৈ ভাৰতত কৰিব পাৰে; কিয়নো এই দেশখনৰ গ্ৰাম্য এলেকাবোৰত বিপুল সংখ্যক লোক আছে আৰু সেই সকলৰ লাখ লাখ জনে দৰিদ্ৰতাৰ সীমাত জীৱন নিৰ্বাহ কৰিছে। এয়াই হ'ল বৃহৎ সংখ্যক উপভোক্তা— যাৰ চাহিদা হ'ল ঘাই ব্যৱহাৰ্য উৎপাদিত সামগ্ৰী আৰু এই সামগ্ৰীবোৰেই বিদেশৰ ফাৰ্মে বিচৰা অনুযায়ী বজাৰত উলিয়াব পাৰে। বজাৰতকৈ অধিক মন কৰিব লগা বিষয়টো হ'ল বিদেশৰ ফাৰ্মসমূহে কম উপাৰ্জনক্ষম উপভোক্তাসকলৰ সৈতে সহযোগ কৰাটো। কাৰণ এওঁলোক হ'ল উৎপাদক। নিম্ন মানৰ প্ৰযুক্তিৰে তেওঁলোকে সামগ্ৰী উৎপাদন কৰে। উপজ সামগ্ৰী গ্ৰহণৰ ক্ষেত্ৰত সমস্যা আছে আৰু তেওঁলোকে উৎপাদন কৰা সামগ্ৰীৰ বাবে বজাৰো নাই। সেয়ে কৃষকসকলক উপযুক্ত প্ৰযুক্তি, বীজ আৰু সাৰ যোগান ধৰি ফাৰ্মসমূহে তেওঁলোকৰ লাভ বৃদ্ধি কৰিব পাৰে আৰু দুখীয়া কৃষকসকলৰ কল্যাণ সাধনৰ প্ৰতিও উৎসাহ প্ৰদান কৰিব পাৰে। তথ্য প্ৰযুক্তিৰ যুগত বিদেশৰ ফাৰ্মবোৰ ইণ্টাৰনেটৰ জৰিয়তে তেওঁলোকৰ ওচৰ পাবগৈ পাৰে। নতুন সঁচৰ বীজ আৰু সাৰৰ উপযুক্ততা সম্বন্ধে প্ৰদৰ্শনো কৰিব পাৰে। তাৰ বাবে ডকুমেণ্টৰী চিত্ৰৰ ব্যৱস্থাও কৰিব পাৰে।

ভাৰতত বিদেশৰ ফাৰ্ম আছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— হিন্দুস্তান লিভাৰ আৰু পেপছি কোম্পানী। নিম্ন উপাৰ্জনক্ষম কৃষকসকলৰ সৈতে এইবোৰ প্ৰতিষ্ঠানে সহযোগ কৰিছে। ফলস্বৰূপে ফাৰ্ম তথা কৃষক উভয়ৰে কাৰ্যকৰণৰ ক্ষেত্ৰত সুবিধা হৈছে।

**সামৰণি**

এই প্ৰবন্ধটোত ভাৰতৰ খুচুৰা ব্যৱসায়ৰ খণ্ডত এফ ডি আই-ৰ ভূমিকা সম্পৰ্কিত বিতৰ্কৰ বিষয়ে পৰ্যালোচনা কৰা হৈছে। বিদেশৰ বৃহৎ ফাৰ্মসমূহে ক্ষুদ্ৰ খুচুৰা ব্যৱসায়ীসকলৰ বহুতৰে জীৱন নিৰ্বাহৰ পথ, যেনে দোকানীসকলৰ ব্যৱসায়ত প্ৰভাৱ পেলোৱাৰ আশংকা যে ভিত্তিহীন সেই বিষয়ে যুক্তি দৰ্শোৱা হৈছে। ভাৰতত খুচুৰা খণ্ড হ'ল এখন দ্বৈত বজাৰ। এখন বজাৰে নিম্ন আৰু মজলীয়া ধৰণৰ উপাৰ্জন কৰা লোকসকলৰ আৱশ্যকতা পূৰণ কৰে আৰু আনখন বজাৰে— যাক কোৱা হয় ছুপাৰ মাৰ্কেট— ধনী লোকসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি গুৰুত্ব দিয়ে। এই দুয়োখনে পৰস্পৰৰ সৈতে প্ৰতিযোগিতা নকৰে। নিজস্বভাৱে সেৱা আগবঢ়ায়। সৰু সৰু বজাৰবোৰৰ ওপৰত ছুপাৰ মাৰ্কেটে দখল সাব্যস্ত কৰাৰ কোনো ভাবুকি নাই। এই বিষয়ে ইতিপূৰ্বে উল্লেখ কৰা হৈছে। এই প্ৰৱন্ধটোৱে এই কথাতহে গুৰুত্ব দিছে যে বিদেশৰ ফাৰ্মসমূহ দুখীয়া কৃষকসকলক প্ৰযুক্তি আৰু কৰ্ম কৌশল আগবঢ়োৱাৰ একোটা ডাঙৰ উৎস হ'ব পাৰে আৰু সেই ফাৰ্মবোৰে কৃষকে উৎপাদন কৰা সামগ্ৰীসমূহৰ বাবে আগতীয়াকৈ সন্মতিসূচকভাৱে থিৰ কৰা মূল্যত এখন নিশ্চিত বজাৰৰ যোগান ধৰিব পাৰে। ❐

# বহিৰ্দেশৰ সৈতে ভাৰতৰ অৰ্থনৈতিক বন্ধন ঃ নতুন দিল্লীৰ পৰা আঁতৰত নিৰীক্ষণ

ত্ৰিদেৱ সিং মাইনী*

**পাতনি ঃ**

বহিৰ্দেশৰ সৈতে ভাৰতৰ অৰ্থনৈতিক সম্পৰ্কৰ ভূমিকাৰ বৰ্তমান স্থিতি সম্পৰ্কে কোনো স্পষ্ট ধাৰণা পাবলৈ নাই। কিন্তু এটা কথা সৰ্বজনগ্ৰাহ্য যে দেশৰ সীমাৰ বাহিৰৰ অৰ্থনৈতিক ক্ষেত্ৰখনত প্ৰাদেশিক চৰকাৰসমূহৰ ভূমিকা ক্ৰমান্বয়ে বাঢ়ি আহিছে। এই ভূমিকাৰ মূল আধাৰ হৈছে প্ৰদেশসমূহে নিজকে বিনিয়োগ স্থল হিচাপে আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীৰ আগত উপস্থাপন কৰিব পৰাটো। এইখনিতে এটা কথা উল্লেখ কৰা উচিত যে ৰাজ্য এখনে প্ৰকৃততে বৈদেশিক নীতিৰ ক্ষেত্ৰত ল'ব পৰা ভূমিকাৰ সীমা কোনখিনিত, সেয়া নিশ্চয়কৈ বিতৰ্কৰ বিষয়। এই বিতৰ্কত অৰ্থনৈতিক দিশটোও সাঙোৰ খাই আছে।

প্ৰাদেশিক চৰকাৰ এখনে অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত ল'ব পৰা ভূমিকাৰ প্ৰসঙ্গ ভাৰতীয় সংবিধানত উল্লেখ নাই যদিও ইউনিয়ন তালিকা (ষষ্ঠ অনুসূচী, ২৪৬ অনুচ্ছেদ)ত অইন বৈদেশিক নীতি সম্পৰ্কত এনেদৰে উল্লেখ আছে ঃ

১. বৈদেশিক পৰিক্ৰমা; বিদেশী ৰাষ্ট্ৰৰ সৈতে দেশখনৰ সম্পৰ্ক সৃষ্টি কৰিব পৰা যিকোনো বিষয়।
২. কূটনৈতিক, বাণিজ্য-দূত সংক্ৰান্ত আৰু বাণিজ্যিক প্ৰতিনিধিত্ব।
৩. ৰাষ্ট্ৰসংঘ।
৪. আন্তঃৰাষ্ট্ৰীয় বৈঠক, মিত্ৰজোঁট আৰু অন্যান্য সংঘ আৰু তাৰ সম্পৰ্কিত সিদ্ধান্তৰ কাৰ্যকৰীকৰণ।
৫. বৈদেশিক ৰাষ্ট্ৰৰ সৈতে চুক্তি আৰু সন্ধি, চুক্তি কিম্বা সন্মিলনৰ কাৰ্যকৰীকৰণ।

ভাৰতবৰ্ষৰ তাহানিৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতি বৰ্তমানৰ পৰিস্থিতিৰ সৈতে ভিন্ন। একেদৰে বহিৰ্দেশৰ সৈতে ভাৰতৰ যোগসূত্ৰও সম্প্ৰতি অতি গভীৰ। কেতবোৰ কাৰণবশতঃ ই কেৱল দিল্লীতে সীমিত হৈ থকা নাই।

**বিষয়ৰ প্ৰাসংগিকতা ঃ**

দেশখনৰ দ্ৰুত পৰিৱৰ্তনৰ সময়ত বিশেষকৈ অৰ্থনৈতিক অগ্ৰগতিৰ দৌৰত ৰাজ্যসমূহৰ তৎপৰতাৰ পৰা এই কথা সহজে ক'ব পাৰি যে প্ৰাদেশিক চৰকাৰ এখনে অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত ল'ব পৰা ভূমিকাৰ বিষয়টো সম্প্ৰতি খুবেই প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ। এইখিনিতে এটা কথা উল্লেখ কৰাটো যুগুত হ'ব যে বৰ্তমানৰ চৰকাৰখনে বৈদেশিক বিনিয়োগৰ বাবে ৰাজ্যসমূহৰ মাজত প্ৰতিযোগিতাৰ বাতাবৰণ সৃষ্টি কৰিবৰ বাবেই হওক বা আন কিবা কাৰণতেই হওক, ৰাজ্যসমূহক বহিৰ্দেশৰ সৈতে অৰ্থনৈতিক সম্পৰ্ক নিজাববীয়াকৈ গঢ়ি তোলাৰ ক্ষেত্ৰত আগতকৈ অধিক স্বাধীনতা প্ৰদান কৰাটো পৰিলক্ষিত হৈছে।

ইন্দোৰত চলিত বৰ্ষৰ অক্টোবৰ মাহত অনুষ্ঠিত 'মধ্য প্ৰদেশ বিনিয়োগকাৰী সন্মিলন'ত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কৈছে— "ভাৰতবৰ্ষত ১০০ বিলিয়ন ডলাৰ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ হোৱাৰ সম্ভাৱনা আছে, এই সুযোগৰ সদ্ব্যৱহাৰৰ দায়িত্বও ৰাজ্যসমূহৰ ওপৰত এৰি দিয়া হৈছে।"

চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত নতুন দিল্লীত "ভাৰত নিৰ্মাণ" কাৰ্যসূচীৰ উদ্বোধনী ভাষণত প্ৰধানমন্ত্ৰীয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সহযোগিতাৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যৰ উন্নয়ন গুৰুত্বপূৰ্ণ বিষয় বুলি ভাষণত উল্লেখ কৰা প্ৰধানমন্ত্ৰীয়ে আঞ্চলিক উন্নয়নকেই দেশৰ উন্নয়ন বুলি মন্তব্য কৰিছে। এয়া সফলকাম কৰাৰ উদ্দেশ্যে বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰে লগে-ভাগে কাম কৰিব লাগিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মতপোষণ কৰিছে।

গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থাকোতেই বৰ্তমানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে বৈদেশিক ৰাষ্ট্ৰৰ সৈতে বাণিজ্যিক শক্তি হিচাপে তথা চুক্তি কৰাৰ ক্ষেত্ৰত পৃষ্ঠপোষকতা কৰাৰ লগতে আগভাগো লৈছিল। ২০০৩ বৰ্ষতে মুখ্যমন্ত্ৰী হিচাপে তেওঁ অনুষ্ঠিত কৰোৱা "ভাইব্ৰেণ্ট গুজৰাট সন্মিলন" তাৰেই স্পষ্ট নিদৰ্শন। এই সন্মিলনত কেৱল উদ্যোগী

লোকসকলেই অংশগ্ৰহণ কৰা নাছিল; এছিয়া, আফ্ৰিকা আৰু ইউৰোপৰ কেতবোৰ দেশৰ কূটনীতিবিদেও এই সন্মিলনত যোগ দিছিল। তেতিয়াৰ মুখ্যমন্ত্ৰীজনেই ছিংগাপুৰ, চীন আৰু জাপানলৈ ভাৰতক প্ৰতিনিধিত্ব কৰিছিল।

বিগত কেইটামান বৰ্ষৰ পৰা গুজৰাটে কেতবোৰ ৰাষ্ট্ৰৰ সৈতে অৰ্থনৈতিক চুক্তি অধিক কটকটীয়া কৰাৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে। নিজৰ ৰাজ্যৰ বাবে ৰাজ্যদূত হোৱাৰ প্ৰৱণতা ১৯৯০ চনতে পৰিলক্ষিত হৈছিল। অৰ্থনৈতিক সংস্কাৰ, তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত দেশখনে দোপতদোপে কৰা উন্নতি আদি তথা দেশখনৰ অৰ্থনৈতিক সম্ভাৱনাৰ প্ৰচাৰ উক্ত ক্ষেত্ৰত অৰিহণা যোগোৱাৰ অন্যতম কাৰক আছিল। দেশখনৰ অৰ্থনৈতিক পট পৰিৱৰ্তনৰ প্ৰধান আন কাৰক দুটা আছিল— যুক্তৰাষ্ট্ৰীয়বাদ আৰু গোলকীকৰণ। এই দুয়োটাই সম্ভাৱনাপূৰ্ণ আৰু গতিশীল ধাৰণা। জেনকিন্সে (২০০৩:৬০০) 'দি এছিয়ান ছাৰ্ভে'ত তেওঁৰ এটা লিখনি— 'বিশ্ব বাণিজ্য সংস্থাৰ সৈতে ভাৰতৰ দেশীয় ৰাজনীতিত যুক্তৰাষ্ট্ৰীয়বাদে কেনেদৰে প্ৰভাৱ পেলাইছে'ত এনেদৰে যুক্তি আগবঢ়াইছে ঃ

"তত্ত্বগতভাৱেই হওক বা ভাৰতৰ ক্ষেত্ৰত বাস্তৱিকভাৱেই হওক, বহু সময়ত দেখা যায় যে গোলকীকৰণ আৰু যুক্তৰাষ্ট্ৰীয় গণতন্ত্ৰ একে হৈ পৰে। এনেদৰে একে অৰ্থ বহন কৰাৰ অন্যতম কাৰণ হৈছে এয়ে যে দুয়োটা শব্দই ক্ৰমাগতভাৱে বিৱৰ্তন ঘটা প্ৰক্ৰিয়াক বুজায়। গোলকীকৰণ স্পষ্টৰূপত এই প্ৰক্ৰিয়াৰেই অন্তৰ্গত যদিও দুটা কাৰণত আমি যুক্তৰাষ্ট্ৰীয় গণতন্ত্ৰকো একেই প্ৰকৃতিৰ বুলি ক'ব লাগিব। ইয়াৰে এটা কাৰণ এয়া যে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা এটা সংস্কাৰমুখী প্ৰক্ৰিয়া। দ্বিতীয়তে, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত হোৱা বুজাবুজিৰ পাচত আন্তঃচৰকাৰী সংস্থাৰ মাজত স্থবিৰতাৰ পৰিৱৰ্তে আপোনা-আপুনি পৰিৱৰ্তনৰ বাবে বাট মুকলি হয়।"

নিজ ৰাজ্যক বিনিয়োগৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ অন্যতম উদাহৰণ হৈছে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু। নাইডুৱে ১৯৯৭ চনতে মাইক্ৰ'ছফ্টৰ অধ্যক্ষ বিল গেট্‌ছক নিজৰ দূৰদৰ্শী চিন্তাৰে প্ৰভাৱান্বিত কৰে। ফলস্বৰূপে মাইক্ৰ'ছফ্টৰ অধ্যক্ষজনে ভাৰতত কোম্পানীটোৰ প্ৰথমটো 'ভাৰতীয় উন্নয়ন কেন্দ্ৰ' হায়দৰাবাদত স্থাপন কৰে। এই কেন্দ্ৰই চহৰখনক এটা নতুন চিনাকি দিয়ে— আই টি হাব। চহৰখনক চাইবেৰাবাদ বুলিও তেতিয়া কোৱা হৈছিল। ৰুডল্ফ আৰু ৰুডলফে 'দি ইক'নমিক এণ্ড পলিটিকেল উইকলী'ত লিখা 'দি আইকনাইজেচন অব চন্দ্ৰবাবু শ্বেয়াৰিং ছভেৰেইণ্টি ইন ইণ্ডিয়াজ ফেডাৰেল মাৰ্কেট ইক'নমি' শীৰ্ষক লিখাত চহৰসমূহক বিনিয়োগৰ কেন্দ্ৰস্থল হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত নাইডু আৰু তেতিয়াৰ কৰ্ণাটকৰ মুখ্যমন্ত্ৰী এছ এম কৃষ্ণাৰ ভূমিকাৰ উদাহৰণ দি এই কথা সবলভাৱে উপস্থাপন কৰিছে যে বিগত দুটামান দশকত হোৱা অৰ্থনৈতিক পৰিৱৰ্তনৰ বাবে কেতবোৰ ৰাজ্যই নিজৰ মাজতে প্ৰতিযোগিতাত নামিব লগা হৈছে। দুয়োজন প্ৰতিনিধিয়ে নিজ নিজ ৰাজ্যক বিনিয়োগৰ ক্ষেত্ৰত আগবঢ়াই নিবৰ বাবে কৰা হেতা-ওপৰাই কেৱল তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰখনৰ অগ্ৰগতিতেই ইন্ধন যোগোৱা নাছিল, আন ৰাষ্ট্ৰৰ চকুত পৰা বিধৰ প্ৰদৰ্শনৰো ই কাম কৰিছিল। এনে হোৱাৰ ফলতে বিল ক্লিণ্টন আৰু জৰ্জ ডব্লিউ বুশ্বে ক্ৰমে ২০০০ আৰু ২০০৬ বৰ্ষত হায়দৰাবাদ দৰ্শন কৰে আৰু প্ৰাক্তন চীনা প্ৰিমিয়াৰ লী পেঙে ২০০১ চনত বেংগালুৰু দৰ্শন কৰে।

**প্ৰাদেশিক বিনিয়োগকাৰীৰ সন্মিলন ঃ**

প্ৰাদেশিক বিনিয়োগৰ ক্ষেত্ৰত 'গুজৰাট ভাইব্ৰেণ্ট সন্মিলন'এ ২০০৩ চনত আৰ্হি দেখুওৱাৰ লগে লগে অনুপ্ৰাণিত হৈ আন ভালেকেইখন ৰাজ্যয়ো যেনে বিহাৰ, মধ্য প্ৰদেশ, পঞ্জাৱ আৰু আনকি ত্ৰিপুৰায়ো এই প্ৰক্ৰিয়া অনুসৰণ কৰিবলৈ লয়। এই কথা নক'লেও হ'ব যে এনে ধৰণৰ বিনিয়োগ সন্মিলনৰ প্ৰকৃতি আৰু উদ্দেশ্য ভিন ভিন। ২০১২ চনত অনুষ্ঠিত বিহাৰ সন্মিলনখনৰ দিশটো হ'ল মন কৰিবলগীয়া। সেই সন্মিলনলৈ তেতিয়াৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে নেপালৰ প্ৰধানমন্ত্ৰী বাবুৰাম ভাট্টাৰিক আমন্ত্ৰণ জনাইছিল। বিহাৰৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰিছিল যে সৰ্বজনৰ বিকাশৰ ধাৰণাই কেৱল ভৌগোলিক সুবিধা থকা কেইটামান অঞ্চলৰ বিকাশক সামৰি ল'লৈই নহ'ব, ই দেশখনৰ সকলো অংশৰে বিকাশক সামৰি লোৱা উচিত।

২০১৩ বৰ্ষত অনুষ্ঠিত 'উন্নয়নশীল পঞ্জাৱ বিনিয়োগকাৰী সন্মিলন'ৰ মূল উদ্দেশ্য আছিল ব্যক্তিগত খণ্ডৰ দেশীয় বিনিয়োগকাৰীৰ দৃষ্টি আকৰ্ষণ। এই সন্মিলনৰ পিছতে 'প্ৰবাসী পঞ্জাৱী সন্মিলন' অনুষ্ঠিত কৰা হৈছিল য'ত পঞ্জাৱী মূলৰ ব্যৱসায়ী তথা পঞ্জাৱী মূলৰ কানাডীয় ৰাজনীতিবিদে অংশগ্ৰহণ কৰিছিল।

এই সন্মিলনসমূহৰ উপৰিও কেইজনমান মুখ্যমন্ত্ৰীয়ে অইন দেশত

ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰি আহিছে। শেহতীয়াভাৱে কেইজনমান মুখ্যমন্ত্ৰীৰ দলে দক্ষিণ-পূব এছিয়া ভ্ৰমণত ভাৰতক প্ৰতিনিধিত্ব কৰিছে। ইয়াৰ ভিতৰত তেলেংগানাৰ মুখ্যমন্ত্ৰী (কে চি আৰ ৰাও), পশ্চিম বংগৰ মুখ্যমন্ত্ৰী (মমতা বেনাৰ্জী) আৰু ৰাজস্থানৰ মুখ্যমন্ত্ৰী (বসুন্ধৰা ৰাজে চিন্ধিয়া)ৰ ছিংগাপুৰ ভ্ৰমণ; কৰ্ণাটকৰ মুখ্যমন্ত্ৰী চিদ্দা ৰাম্মাইয়াৰ চীন ভ্ৰমণৰ কথা উল্লেখ কৰিব পাৰি।

বিদেশী বিনিয়োগকাৰীৰ দৃষ্টি আকৰ্ষণ কৰাৰ উপৰিও ৰাজ্যিক প্ৰতিনিধিসমূহে ঋণৰ বাবে বিশ্ববেংককে ধৰি বিভিন্ন বহুজাতিক সংস্থাৰ সৈতেও আলোচনা কৰাৰ সুযোগ পাইছিল। বিশেষকৈ কৃষিখণ্ড বিষয়ত বিশ্ব বাণিজ্য সংস্থাৰ লগত কৰা আলোচনাৰ বাবে কেন্দ্ৰই ৰাজ্যিক প্ৰতিনিধিসকলক সুযোগ দিছিল।

যদিও দেশখনৰ বহিৰ্দেশৰ সৈতে অৰ্থনৈতিক যোগসূত্ৰ স্থাপন কৰাৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকা সক্ৰিয় হৈ পৰিছে, তথাপি এই প্ৰক্ৰিয়া অধিক তীব্ৰতৰ কৰাৰ প্ৰয়োজনীয়তা আহিছে।

**অৰ্থনৈতিক কূটনীতি অধিক কাৰ্যকুশল কৰি তোলাৰ ক্ষেত্ৰত ঃ**

ভাৰতক নিৰ্মাণ খণ্ডৰ কেন্দ্ৰস্থল হিচাপে গঢ় দিয়া আৰু একেধাৰে ৰাজ্যসমূহৰ লগত সহযোগিতামূলক সম্পৰ্ক গঢ়ি তোলাটো বৰ্তমানৰ চৰকাৰখনৰ মূল উদ্দেশ্য হোৱাৰ সময়তে নীতি আৰু ধাৰণাৰ ক্ষেত্ৰত থকা কেতবোৰ আসোঁৱাহ দূৰ কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে।

প্ৰথমতেই কেন্দ্ৰীয় চৰকাৰ আৰু ৰপ্তানি পৰিষদৰ ভূমিকা সম্পৰ্কীয় বিষয়ৰ স্পষ্টতাৰ প্ৰয়োজন আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ব্যৱস্থিতকৰণৰ বিষয়ত জোৰ দিয়াৰ লগতে ৰাজ্যিক পৰ্যায়ত ৰপ্তানি ক্ষেত্ৰক উৎসাহ যোগোৱা পৰিষদৰ ক্ষমতা বঢ়োৱাৰ হকে মত পোষণ কৰিছে। ইয়াৰ বাবে মৌলিক নীতিৰ সংশোধন কৰাৰ লগতে চিন্তাধাৰাও সলনি কৰাৰ প্ৰয়োজন আছে।

দ্বিতীয়তে বৈদেশিক বিনিয়োগৰ সুষম বিতৰণৰ বিষয়তো নজৰ দিয়াটো জৰুৰী। কিয়নো কেতবোৰ ৰাজ্যই প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ সুবিধা পোৱাৰ সময়তে আন কিছুমান ৰাজ্য এনে সুবিধা নোপোৱাকৈ থাকি যায়। মহাৰাষ্ট্ৰ, নতুন দিল্লী, গুজৰাট আৰু তামিলনাডুৰ ভৌগোলিক স্থিতিৰ কাৰণে এই চাৰিটা অঞ্চলে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ সিংহভাগেই লাভ কৰে। “ভাৰতত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ বিষম আঞ্চলিক বিতৰণ ঃ সমস্যা আৰু সম্ভাৱনা” শীৰ্ষক লিখাত মুখাৰ্জীয়ে এই বিষয়ে এনেদৰে কৈছে—

২০০০ চনৰ এপ্ৰিল মাহৰ পৰা ২০১২ চনৰ জুনলৈ ভাৰতবৰ্ষত হোৱা বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত ৭০ শতাংশৰো অধিক পৰিমাণৰ অংশ মহাৰাষ্ট্ৰ, দিল্লী, কৰ্ণাটক, তামিলনাডু, গুজৰাট আৰু অন্ধ্ৰ প্ৰদেশ— এই ছখন ৰাজ্যৰ দখলত আছিল। ই বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত হোৱা এককেন্দ্ৰীকৰণৰে স্পষ্ট ইংগিত বহন কৰে।

এই কেৰোণ দূৰ কৰাৰ বাবে পিচপৰি থকা ৰাজ্যসমূহক অইন ৰাজ্যই সহযোগ আগবঢ়োৱা উচিত। দেশৰ পিচপৰা ৰাজ্যসমূহক অৰ্থনৈতিক উন্নয়নৰ মূলভেঁটি কৰি গঢ়ি তুলিব নোৱাৰাটো ভাৰতবৰ্ষৰ বাবে বিফলতাৰ বিষয়। তাৰ সম্পূৰ্ণ বিপৰীতে চীনে এই ক্ষেত্ৰত সফলতা লাভ কৰিছে। এটা কথা এইখিনিতে ক’ব লাগিব যে বিহাৰ আৰু মধ্য প্ৰদেশে বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰখনত নিজকে আগবঢ়াই নিবলৈ সামান্য পৰিমাণে হ’লেও সক্ষম হৈছে যদিও বিনিয়োগকাৰীৰ গন্তব্যস্থল হিচাপে নিজকে গঢ় দিয়াৰ ক্ষেত্ৰত দুয়োখন ৰাজ্যই ভালেখিনি অনুশীলন কৰিব লগা আছে। দেশখনৰ পূৰ্বোত্তৰ ৰাজ্যসমূহ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত অধিক মনোযোগ দিয়াৰ প্ৰয়োজন আছে। বাৰানসীত ‘বাণিজ্যিক সুবিধা উপলব্ধিকৰণ কেন্দ্ৰ’ৰ আধাৰশিলা স্থাপনৰ সময়ত শিপিনী-সকলক উদ্দেশ্য কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিকাশৰ সমধাৰাৰ প্ৰতি সমৰ্থন জনাই কৈছে যে ভাৰতৰ পশ্চিমাঞ্চলৰ বিকাশ যথোচিতভাৱে হোৱা নাই। তেওঁ তেনে অঞ্চলসমূহৰ উন্নয়নৰ ওপৰত জোৰ দিয়াৰ কথা উক্ত ভাষণত উল্লেখ কৰিছে।

‘ভাৰতবৰ্ষত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত থকা আন্তঃৰাজ্যিক সম্পৰ্ক নিৰ্ণয়কাৰী’ শীৰ্ষক এটি লিখনিত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত থকা প্ৰয়োজনীয় কাৰক যেনে দেশীয় বিনিয়োগ, পৰিবহন আৰু যোগাযোগ সম্পৰ্কীয় আন্তঃগাঁথনি আদিৰ বিষয়ে আলোচনা কৰা হৈছে। ম্যানমাৰৰ সৈতে ভাৰতৰ সম্পৰ্কৰ প্ৰাসংগিকতালৈ চাই উত্তৰ-পূৰ্বাঞ্চলক আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু অইন বৃহৎ প্ৰকল্প আদিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অগ্ৰাধিকাৰ দিয়া উচিত। এনেধৰণৰ ব্যৱস্থাই দেশীয় বিনিয়োগ বঢ়োৱাৰ লগতে বৈদেশিক বিনিয়োগৰ সম্ভাৱনাও প্ৰৱল কৰি তুলিব পাৰে। কিয়নো—

এখন অনুন্নত ৰাজ্যত দেশীয় বিনিয়োগে আন্তঃগাঁথনি আৰু বজাৰৰ সম্ভাৱনা বঢ়াই তুলিব পাৰে, যাৰ ফলত বৈদেশিক বিনিয়োগকাৰীয়ে বিনিয়োগৰ বাবে আগ্ৰহ প্ৰকাশ কৰিব পাৰে। এখন

ৰাজ্যত হোৱা অধিক দেশীয় বিনিয়োগে অনুকূল বাতাবৰণ সৃষ্টি কৰাৰ ফলত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ বাট মুকলি হ'ব পাৰে।

এয়া উল্লেখ কৰাটো সমীচীন হ'ব যে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ সুফল কেৱল সাতভনীয়ে লাভ কৰাই নহয়, আন কিছুমান ৰাজ্য, বিশেষকৈ পশ্চিমবংগও উপকৃত হ'ব। ভৌগোলিক স্থানৰ স্বকীয়তাৰ বাবেই কলকাতা কেন্দ্ৰস্থল হৈ উঠিব পাৰে। পলমকৈ হ'লেও ই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিনিয়োগকাৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

তদুপৰি অৰ্থ বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ ইচ্ছা জাহিৰ কৰ ৰাজ্যসমূহক দেশীয় সীমাৰ বাহিৰত বাণিজ্যিক কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰই অনুমতি প্ৰদান কৰিছে। এইধৰণৰ অনুশীলন আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন আৰু জাপানৰ প্ৰদেশসমূহৰ ক্ষেত্ৰত পূৰ্বৰে পৰা হৈ আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই কথা বাৰম্বাৰ দোহাৰিছে যে এইধৰণৰ ব্যৱস্থাৰ কৌশলী প্ৰয়োগৰ দ্বাৰা আকাংক্ষিত ফল লাভ কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিব লাগিব। ৰাজ্যসমূহে নিজাববীয়াকৈ বৈদেশিক কাৰ্যালয় স্থাপন কৰাটো জৰুৰী নহয়।

কিছুমান ক্ষেত্ৰত ভাৰতে যুটীয়া বাণিজ্যিক কাৰ্যালয় খোলাৰ কথাও বিবেচনা কৰিব পাৰে। ব্যৱসায় আৰু বাণিজ্যৰ যোগেদি দৃঢ় যোগসূত্ৰ স্থাপন কৰা আৰু প্ৰচাৰ চলোৱা ৰাষ্ট্ৰৰ ক্ষেত্ৰত ই খুবেই প্ৰয়োজনীয়। উদাহৰণ স্বৰূপে গুজৰাট আৰু তামিলনাডুৱে ছিংগাপুৰত যুটীয়াভাৱে কাৰ্যালয় স্থাপন কৰিব পাৰে। এই ক্ষেত্ৰত গুজৰাটৰ শক্তিশালী অৰ্থনৈতিক যোগসূত্ৰ থকাৰ বিপৰীতে তামিলনাডুৰ ঐতিহাসিক যোগসূত্ৰ কামত আহিব পাৰে। একেদৰে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন অংশ যেনে কেলিফৰ্ণিয়া, নিউয়ৰ্ক, নিউ জাৰ্ছি, টেক্সাছ আদি প্ৰদেশত ভাৰতীয় লোক থকা হেতুকে কেতবোৰ ভাৰতীয় ৰাজ্যই তেনেবোৰ প্ৰদেশত যুটীয়াভাৱে কাৰ্যালয় স্থাপন কৰিব পাৰে। তদুপৰি চুবুৰীয়া ৰাষ্ট্ৰসমূহতো বাণিজ্যিক কাৰ্যালয় স্থাপনৰ বিষয়টোক গুৰুত্ব সহকাৰে লোৱা উচিত। এইক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে ম্যানমাৰ আৰু বাংলাদেশত তেনে কাৰ্যালয় স্থাপনৰ কথা ভাবিব পাৰে।

আৰু এটা মন দিবলগীয়া কথা হ'ল এয়ে যে বিনিয়োগকাৰীৰ চকুত নপৰা ৰাজ্যসমূহে অনুষ্ঠিত কৰা বিনিয়োগ সন্মিলনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিনিধিৰ উপস্থিতি অন্ততঃ কিছুপৰিমাণে হ'লেও তেনে বিনিয়োগকাৰীৰ দৃষ্টি আকৰ্ষণ কৰাৰ ক্ষেত্ৰত ফলপ্ৰসূ হ'ব বুলি আশা কৰিব পাৰি। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত প্ৰধানমন্ত্ৰীয়ে নোৱাৰিলেও অন্ততঃ বাণিজ্যিক মন্ত্ৰীয়ে বিনিয়োগ সন্মিলনত অংশ গ্ৰহণ কৰাটো যুগুত।

**সামৰণি ঃ**

অৰ্থনৈতিক কূটনীতিত ৰাজ্যৰ অংশগ্ৰহণৰ ক্ষেত্ৰত কিছু যোগাত্মক উন্নয়ন পৰিলক্ষিত হ'লেও এই প্ৰক্ৰিয়া আনুষ্ঠানিক হোৱাটো নিশ্চিত কৰাৰ লগতে তাক অধিক কাৰ্যকুশল কৰি তোলাটো সময়ৰ আহ্বান। এই প্ৰক্ৰিয়াক ফলদায়ক কৰি তুলিবলৈ হ'লে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ উপৰিও চেম্বাৰ অব কমাৰ্চ, চিন্তাবিদ আৰু উক্ত সাধনাত ব্ৰতীসকলক প্ৰক্ৰিয়াটোত অন্তৰ্ভুক্ত কৰাটো খুবেই জৰুৰী। ❒


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। ▯ গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে কে বি পথ, নিউ ক'লনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# বিশৃঙ্খল অভিযোজন আৰু পাৰ্শ্বৱৰ্তী সম্ভাব্য

**দেৱ নাথন***

এই নাতিদীৰ্ঘ লেখাটোত প্ৰযুক্তিমূলক প্ৰণালীৰ প্ৰসংগত বিশৃঙ্খল অভিযোজনৰ বিষয়ে আলোচনা কৰিম।

এতিয়া বিশৃঙ্খল অভিযোজন কি সেই বিষয়ে জানি লোৱা হওক। ই এনে ধৰণৰ উদ্ভাৱন, যি প্ৰচলিত বজাৰৰ সুস্থিৰতা বা সংহতি বিনষ্ট কৰে— য'ত ই নতুন পণ্যদ্ৰব্য হ'বও পাৰে, নহ'বও পাৰে, কিন্তু নতুন আৰু নিম্ন মূল্যৰ যোগেদি ই বজাৰৰ নীতি-নিয়ম ভংগ কৰি অস্থিৰ অৱস্থাৰ সৃষ্টি কৰে। গৱেষক খ্ৰীষ্টেন্‌চনে ইয়াক 'নিম্ন মানৰ সংহতিনাশক' বুলি অভিহিত কৰিছে, যি তেনে গ্ৰাহককহে লক্ষ্য হিচাপে লয়— যিসকল উচ্চমানৰ পণ্যদ্ৰব্যৰ গ্ৰাহক নহয়। প্ৰযুক্তিগত দিশৰ পৰা চাবলৈ হ'লে এনে পণ্য দ্ৰব্যৰ বজাৰ দখলৰ পদ্ধতি সৰলৰৈখিক— য'ত সহজলভ্য উপাদান লগ লগাই নতুন পণ্যদ্ৰব্যৰ আৰ্হি কৰা হয়— যি পূৰ্ব বজাৰ সম্বন্ধীয় ধ্যান-ধাৰণাৰ পৰা ফালৰি কাটি আহে। এখন প্ৰতিষ্ঠিত বজাৰৰ গ্ৰাহকে বিচৰা ধৰণে একো দিব নোৱাৰাৰ ফালৰ পৰা তেনে সামগ্ৰীয়ে বজাৰ দখল কৰাৰ কোনো সম্ভাৱনা নথকা যেন লাগে। কিন্তু সংহতিনাশক উদ্ভাৱনৰ ক্ষেত্ৰত মূলধাৰাৰ গ্ৰাহকৰ চাহিদাৰ সৈতে কোনো ধৰণৰ সংগতি নাৰাখি তেনে বজাৰৰ সৈতে যোগসূত্ৰ নথকা উদীয়মান বজাৰত ভিন্নধৰ্মী গুণসম্পন্ন পেকেজহে মুকলি কৰা হয়।

বিশৃঙ্খল অভিযোজনৰ এটা সঠিক উদাহৰণ হৈছে ভাৰতীয় ফাৰ্মাচিউটিকেল উদ্যোগৰদ্বাৰা বিকশিত সাধাৰণ ঔষধৰ বজাৰ। পণ্যদ্ৰব্য উদ্ভাৱনৰ পৰিৱৰ্তে পশ্চাৎমুখী অভিযান্ত্ৰিক প্ৰক্ৰিয়াৰ ভিত্তিত বজাৰখনৰ বিকাশৰ এই ধাৰা ভাৰতীয় স্বত্ব আইনে নিয়ন্ত্ৰণ কৰিছিল। এই আইনে প্ৰক্ৰিয়াৰ বাবেহে সুবিধা দিছিল, স্বত্বৰ বাবে নহয়। ডব্লিউ টি অ' স্থাপন হোৱাৰ পিচৰে পৰা ভাৰতীয় ফাৰ্মাচিউটিকেল আইনখন টি আৰ আই পি এছ-ৰ আওতালৈ আহে। সি যি কি নহওক, ভাৰতীয় ফাৰ্মাচিউটিকেল উদ্যোগে সাধাৰণ ঔষধ তৈয়াৰ কৰাৰ কাম অব্যাহত ৰাখে আৰু ইবোৰ ২০ বছৰৰ পাচত স্বত্বৰ পৰা মুক্ত হৈ পৰে। উন্নয়নশীল পৰ্যায়ৰ নিম্ন আৰু মধ্য আয়সম্পন্ন দেশসমূহৰ জনস্বাস্থ্যৰ খতিয়ান লোৱাৰ দায়িত্ব ডব্লিউ টি অ'-ক জাপি দিয়াৰ ফলস্বৰূপে সাধাৰণ ঔষধ নিৰ্মাণৰ ক্ষেত্ৰখনত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰৱেশ ঘটে। বিশৃঙ্খল অভিযোজনৰ সাধাৰণ প্ৰণালীৰ ঔষধ, যি প্ৰথমতে নিম্ন আয়ৰ বজাৰক লক্ষ্য হিচাপে লৈছিল, সেয়া গৈ উচ্চ-আয়ৰ বজাৰত প্ৰৱেশ কৰে। এটা কথা ইয়াতে উল্লেখ কৰিব লাগিব যে চিকিৎসা ব্যৱস্থাৰ উৎপাদন ব্যয় কমোৱাৰ বিষয়টোৱে ইয়াত গুৰুত্ব লাভ কৰে।

ইয়াৰ পৰিণতিস্বৰূপে মূলধাৰাৰ বজাৰৰ চাহিদাৰ সৈতে কোনো ধৰণৰ সংগতি নথকা আৰু তেনে বজাৰৰ সৈতে যোগসূত্ৰ নথকা সাধাৰণ ঔষধ উচ্চ আয়সম্পন্ন দেশৰ চিকিৎসা ব্যৱস্থাত প্ৰতিষ্ঠিত হৈ পৰে। উদাহৰণ-স্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪০ শতাংশ সাধাৰণ ঔষধ ভাৰতীয় উদ্যোগে যোগান ধৰে। সাধাৰণ ঔষধৰ বিশৃঙ্খল অভিযোজনৰ এনে বৰ্দ্ধিত চাহিদাৰ কথা স্পষ্ট কৰিছে শেহতীয়াভাৱে আমেৰিকীয় ঔষধ নিৰ্মাণকাৰী উদ্যোগ এটাই এবিধ ঔষধৰ সাধাৰণ সংস্কৰণ বজাৰত উলিয়াই দিয়াৰ উদ্দেশ্যে ভাৰতীয় উদ্যোগ এটাৰ লগত কৰা চুক্তিয়ে। মূল ঔষধ বিধৰ স্বত্বৰ ম্যাদ উকলি নৌযাওঁতেই এই চুক্তি কৰা হৈছে। এই ঔষধবিধ হৈছে হেপাটাইটিছ-চি ৰোগৰ ঔষধ— উন্নয়নশীল দেশৰ চিকিৎসা ব্যৱস্থাত যাৰ গুৰুত্ব অপৰিসীম। এই চুক্তিৰ ফলত উচ্চ আয়সম্পন্ন দেশত ১০০০ ডলাৰৰ ঔষধৰ এটা বড়ি নিম্ন আয়সম্পন্ন দেশত মাত্ৰ ১ ডলাৰতে উপলব্ধ হ'ব। উক্ত চুক্তিৰ জৰিয়তে আমেৰিকীয় উদ্যোগটোৱে উন্নয়নশীল দেশত উচ্চ মূল্য লাভ কৰি থকাৰ লগতে কম আয়সম্পন্ন দেশত নিম্ন হাৰৰ মূল্য লাভ কৰিবলৈ সক্ষম হ'ব। ঔষধৰ বজাৰখনৰ এনেদৰে বিশৃঙ্খল হোৱাৰ পৰা এটা কথা স্পষ্টৰূপত ওলাই পৰে যে পাশ্চাত্যৰ ফাৰ্মাচিউটিকেল উদ্যোগ-সমূহে ব্যৱসায়ৰ কাৰ্যনীতি সলনি কৰিবলৈ ধৰিছে।

*দেৱ নাথন নতুন দিল্লীস্থিত 'ইন্‌ষ্টিটিউট অব হিউমেন ডেভেলপমেণ্ট'ৰ অধ্যাপক আৰু ডিউক বিশ্ববিদ্যালয়ৰ গৱেষক

সাধাৰণ ঔষধৰ এনে পৰিৱৰ্তনক বিশৃঙ্খল অভিযোজনৰ সঠিক উদাহৰণ বুলি ক'ব পাৰি। এনে ঔষধ নতুনকৈ উদ্ভাৱিত নহ'লেও প্ৰক্ৰিয়াৰ ফালৰ পৰা নতুন আৰু উৎপাদনৰ নতুন প্ৰক্ৰিয়াই সামগ্ৰীবিধক প্ৰতিষ্ঠিত কৰে। ভাৰততে এনে বহু প্ৰক্ৰিয়াগত উদ্ভাৱন আছে যি বিশৃঙ্খল নহয় যদিও তেনে হোৱাৰ পূৰামাত্ৰাই সুযোগ আছে। ভাৰতৰ চন্দ্ৰ অভিযানৰ ব্যয় কম হোৱাৰ মূলতে কেৱল উচ্চ আয়সম্পন্ন দেশৰ তুলনাত ভাৰতীয় বিজ্ঞানী আৰু অভিযন্তাৰ ব্যয় কম হোৱাটোৱে নাছিল। এই কথা জানিবলৈ পোৱা গৈছে যে এটি বিশেষ প্ৰক্ৰিয়াগত অভিযোজনৰ ফলত মংগলায়নক মংগল গ্ৰহৰ কক্ষত স্থাপন কৰাৰ বাবে ব্যৱহৃত ৰকেটৰ আকাৰ হ্ৰাস পাইছিল। প্ৰকল্পৰ ব্যয় কমাৰ ইও এটা কাৰণ আছিল। ভাৰতত এতিয়াও আমেৰিকা যুক্তৰাষ্ট্ৰ নাইবা চীনদেশৰ দৰে ব্যয়বহুল আৰু শক্তিশালী ৰকেট নাই। সেয়ে ইছৰোৰ বিজ্ঞানীয়ে অইন শক্তিশালী ৰকেটৰ দৰে গতি লাভ কৰিবৰ বাবে ৰকেটটোক পৃথিৱীৰ বহিৰ্কক্ষত প্ৰথমে স্থাপন কৰিছিল। বাধা বা অন্তৰায়ে মিতব্যয়ী উদ্ভাৱনৰ মূল বুলি জি ই হেল্‌থকেয়াৰৰ কেন্দ্ৰীয় কাৰ্যবাহী বিষয়া টেৰী ব্ৰেছেনহামে উল্লেখ কৰি গৈছে। গ্ৰাম্য ভাৰতৰ বিশ্বাসত ল'ব নোৱাৰা বিদ্যুৎ আৰু ধূলিময় অৱস্থাৰ বাবেই আই আই টি, চেন্নাইৰ বিজ্ঞানীয়ে এ টি এম-ত নোট ৰখাৰ প্ৰযুক্তিত স্প্ৰিঙৰ সলনি মাধ্যাকৰ্ষণ শক্তি ব্যৱহাৰ কৰে। ই বিদ্যুৎ শক্তিৰ ব্যৱহাৰ ৯৫ শতাংশলৈ হ্ৰাস কৰাই নহয়, বাতানুকূল ব্যৱস্থাৰ প্ৰয়োজনো নোহোৱা কৰে।

প্ৰযুক্তিগত বিৱৰ্তনৰ কাঠামোৰ লগত এনে প্ৰক্ৰিয়াগত উদ্ভাৱন কেনেদৰে খাপ খুৱাই লোৱা হৈছে বাৰু? যিয়েই নহওক, এনে বিৱৰ্তনমূলক কাঠামোৰ অধ্যয়নে উদ্ভাৱনৰ ক্ষেত্ৰত ভাৰতৰ বৰ্তমানৰ স্থিতি স্পষ্ট কৰে।

**ভাৰতীয় প্ৰক্ৰিয়াগত অভিযোজনৰ স্থিতি ঃ**

ইতিমধ্যে থকা কৌশলক প্ৰক্ৰিয়াগত অভিযোজনে নতুন ধৰণে বিন্যাস ঘটায়। ষ্টুৱাৰ্ট কৌফমেনে ক'বৰ দৰে উদ্ভাৱনে ইতিমধ্যে থকা প্ৰক্ৰিয়া এটাৰ আসন্ন সম্ভাৱনা প্ৰৱল কৰি তোলে। "জীৱবিদ্যাৰ ভাষাত ক'বলৈ হ'লে 'আসন্ন সম্ভাৱনা' হ'ল আণৱিক পৰ্যায়ৰ প্ৰজাতিৰ সংহতি— যি প্ৰকৃত বিনিয়োগৰ এখাপ পিচত, কিন্তু প্ৰকৃততে তেনে কোনো বিক্ৰিয়াৰ অস্তিত্বই নাথাকে।"

অৰ্থনৈতিক দিশৰ পৰা চাবলৈ হ'লে এনে প্ৰক্ৰিয়াত কৌশলসমূহ প্ৰকৃততে একেই থাকে। কিন্তু তাৰ সমান্তৰালভাৱে প্ৰচলিত বজাৰৰ আও-ভাওৰ ওপৰত আধাৰিত আন কৌশলো থাকে, যি প্ৰকৃততে নাথাকিলেও প্ৰচলিত কৌশলৰ লগত যোগ দিলে তেনে কৌশলেও বজাৰ দখল কৰিব পাৰে। এই কথাৰেই আঁত ধৰি জ'ল মকাৰ নামৰ বিশেষজ্ঞগৰাকীয়ে জ্ঞান আৰু কৌশলৰ সম্পৰ্কৰ তত্ত্বৰ ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে যিকোনো বিৱৰ্তনমূলক প্ৰযুক্তিৰ ক্ষেত্ৰত কামত আহিব পৰা বিধৰ জ্ঞান (ওমেগা) আৰু কাৰ্যকৰী কৌশল (লেম্‌ডা)ৰ মাজত সামঞ্জস্য ৰখাটো বিবেচনাৰ মূল বিষয় হ'ব লাগে।

কিন্তু এইখিনিতে এটা কথা উল্লেখ কৰা উচিত যে কাৰ্যকৰী কৌশলৰ উপৰিও বজাৰত ইতিমধ্যে প্ৰচলিত হৈ থকা কৌশলত সংহতি থাকে। ইয়াক ছিগমা বুলি ধৰা হওক। কাৰ্যকৰী কৌশলৰ পৰা প্ৰকৃত কৌশল বিয়োগ দিলে (লেম্‌ডা - ছিগমা = এপচিলন) আমি কৌফমেনৰ 'আসন্ন সম্ভাৱনা' পাম। আমি বিশ্ব অৰ্থনীতিক কাৰ্যকৰী কৌশল হিচাপে অৰ্থাৎ এপচিলন হিচাপে ধৰি 'আসন্ন সম্ভাৱনা' নিৰ্দ্ধাৰণ কৰিব পাৰো। ইয়াত নিশ্চয়কৈ ব্যৱহাৰ্য জ্ঞানে কাৰ্যকৰী কৌশলৰ ক্ষেত্ৰত অন্তৰায় হিচাপে কাম কৰিব। কিন্তু প্ৰকৃত কৌশলে কাৰ্যকৰী কৌশলৰ ঠাই পূৰাব নোৱাৰা হেতুকে প্ৰচলিত জ্ঞান ব্যৱস্থা থকা সত্ত্বেও অৰ্থনীত এটা নতুন আসন্ন সম্ভাৱনাৰ দিশে গতি কৰাটো স্বাভাৱিক।

কিন্তু বিচাৰ্য বিষয় এইটো যে কি কাৰকে আসন্ন সম্ভাৱনাৰ দিশ আৰু ই কি কাৰ্যকৰী কৌশল লৈ আগবাঢ়িব সেয়া নিৰ্দ্ধাৰণ কৰে। কি কৌশল কাৰ্যকৰী হ'ব, আসন্ন সম্ভাৱনা কেনে প্ৰকৃতিৰ হ'ব সেই বিষয়ে প্ৰাৰম্ভিক অৱস্থাত প্ৰযুক্তিবিদে বিভিন্ন পূৰ্বাভাস দিয়ে যদিও বজাৰত কি কৌশলে খোপনি পুতিব পাৰিব সেয়া বজাৰেহে নিৰ্দ্ধাৰণ কৰে।

ইয়াৰ পৰা এটা কথা বুজিব পাৰি যে প্ৰকৃত কৌশলৰ পৰা কাৰ্যকৰী কৌশলৰ সহায়ত আসন্ন সম্ভাৱনাৰ পিনে গতি কৰাটো বিশৃঙ্খল নহয়। ই উদ্ভাৱকৰ সিদ্ধান্ত আৰু বজাৰৰ কাৰকৰ আধাৰত চাহিদা আৰু সুযোগৰ সঠিক জ্ঞানৰ ওপৰত নিৰ্ভৰশীল। ই বাৰুকৈয়ে পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ প্ৰকৃতি বজাৰ ভেদে বিশেষকৈ নিম্ন মূল্যৰ বজাৰৰ পৰা উচ্চ মূল্যৰ বজাৰ ভেদে ভিন্নও হ'ব পাৰে। উচ্চ মূল্যৰ বজাৰৰ ক্ষেত্ৰত সামগ্ৰী এবিধৰ প্ৰতি এককৰ মূল্যৰ কথাটো প্ৰাধান্যৰ বিষয় নহ'বও পাৰে, তাৰ গুণাগুণ বা বৈশিষ্ট্যসমূহহে গুৰুত্বৰ বিষয় হ'ব পাৰে। কিন্তু নিম্ন মূল্যৰ বজাৰত সামগ্ৰী

বিধৰ অতিৰিক্ত গুণ বা বৈশিষ্ট্যৰ সলনি তাৰ ব্যৱহাৰৰ সময়ৰ ব্যয় অধিক গুৰুত্বপূৰ্ণ হ'ব পাৰে। গতিকে বিভিন্ন বজাৰ (উচ্চ মূল্যৰ বজাৰ, নিম্ন মূল্যৰ বজাৰত)ত খাপ খোৱা ধৰণৰ কাৰক বেলেগ বেলেগ।

অৰ্থাৎ বিভিন্ন বজাৰত কাম কৰি থকা কাৰকৰ ফলত আসন্ন সম্ভাৱনাই স্থিতি লোৱাৰ প্ৰক্ৰিয়া ভিন্ন হ'ব। উদাহৰণ স্বৰূপে এটা শীতলীকাৰক যন্ত্ৰ নিৰ্মাণ কৰাৰ সময়ত সি বিদ্যুৎ শক্তি নথকা অৱস্থাত কাম কৰিব পাৰিব নে নাই সেয়া বিচাৰ্য বিষয় নহ'লেও গ্ৰাম্য ভাৰত বা আফ্ৰিকাৰ ক্ষেত্ৰত এই কথাও বিবেচনালৈ আনিব লাগিব। ইয়াৰ অৰ্থ এয়ে যে বিভিন্ন বজাৰত আসন্ন সম্ভাৱনা কাৰ্যকৰী হৈ থাকোতে তাৰ প্ৰকৃতি ভিন ভিন হয়। নিম্ন মূল্যৰ বজাৰত আহিলা এবিধ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত তাৰ মৌলিক কাৰ্য একে ৰাখি সামগ্ৰীবিধ আৰু তাৰ পৰিচালনৰ ব্যয় কমোৱাৰ প্ৰৱণতাই আসন্ন সম্ভাৱনাৰ প্ৰকৃতি নিৰ্দ্ধাৰণ কৰাৰ বিপৰীতে উচ্চ মূল্যৰ বজাৰ এখনত সামগ্ৰীবিধ অধিক আকৰ্ষণীয় কৰি তুলিব পৰা বিধৰ বৈশিষ্ট্য যোগ দিয়াৰ প্ৰৱণতাই আসন্ন সম্ভাৱনাক বাট দেখুৱায়। ইয়ে স্মাৰ্ট ফোনৰ ক্ষেত্ৰত চীনৰ জিও'মি, ভাৰতীয় মেক্স ম'বাইল আৰু আমেৰিকীয় এপলৰ দৃষ্টিভংগী ব্যাখ্যা কৰে।

**অভিযোজন আৰু গ্ৰাহকৰ ভূমিকা ঃ**

নতুন সামগ্ৰী উদ্ভাৱনৰ ক্ষেত্ৰত উৎপাদনকৰ্তা আৰু ব্যৱহাৰকৰ্তাৰ (ভন হিপেলৰ ভাষাত ক'বলৈ হ'লে প্ৰধান ব্যৱহাৰকৰ্তা) মাজত সঘন আৰু ঘনিষ্ঠ বিচাৰ-পৰামৰ্শ আদি হোৱাটো আৱশ্যকীয়। এনে প্ৰধান ব্যৱহাৰকৰ্তা এনে ধৰণৰ ব্যক্তিও হ'ব পাৰে, যি পাহাৰীয়া অঞ্চলত মটৰ-চাইকেল চলাবলৈ গাড়ীখনত প্ৰয়োজন হোৱা সংযোজনৰ বিষয়ে জানে। আকৌ এনে ব্যৱহাৰকৰ্তা উৎপাদক বা নিৰ্মাণ কাৰ্যৰ লগত জড়িত ব্যক্তিও হ'ব পাৰে। উদাহৰণ স্বৰূপে ইনটেল প্ৰচেছৰ তৈয়াৰ কৰা কোম্পানীয়ে সঘনাই ছফটৱেৰ নিৰ্মাতা যেনে মাইক্ৰ'ছফ্ট আৰু কম্পিউটাৰ নিৰ্মাতাসকলৰ লগত আলোচনাত বহে। ডিজাইন আৰু তাৰ সৈতে সংলগ্ন বজাৰৰ বাবে ই অতিশয় গুৰুত্বপূৰ্ণ। যি অৰ্থনীতিত সামগ্ৰী নিৰ্মাণকৰ্তা আৰু প্ৰধান ব্যৱহাৰকৰ্তাৰ মাজত যোগাযোগ সঘন, তেনে অৰ্থনীতিয়ে নতুন উন্নীত সামগ্ৰী উৎপাদন কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে এনে সম্পৰ্ক অটুট ৰাখিবলৈ সক্ষম নোহোৱা অৰ্থনীতিত তেনে সামগ্ৰীৰ উৎপাদন নহয়গৈ।

কিন্তু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ ক্ষেত্ৰত উন্নীত অৰ্থনীতিয়ে উন্নয়নশীল বজাৰৰ প্ৰয়োজনীয়তাৰ বিষয়টো বিবেচনা নকৰাকৈ নাথাকে। তদুপৰি ইণ্টাৰনেটৰ প্ৰয়োগৰ জৰিয়তে ভৌগোলিক দূৰত্ব থকা সত্বেও ব্যৱহাৰকৰ্তাৰ লগত সম্পৰ্ক বজাই ৰখাত সুবিধাই দেখা দিছে। কিন্তু এই কথা ভাবিব পাৰি যে উন্নত অৰ্থনীতিয়ে উন্নয়নশীল অৰ্থনীতিক প্ৰতিনিধিত্ব কৰাটো চলি থাকিব। আন কথাত ক'বলৈ হ'লে উন্নত অৰ্থনীতি আৰু অৰ্থনৈতিক সহযোগিতা আৰু উন্নয়ন সংস্থাৰ অন্তৰ্গত দেশৰ অৰ্থনীতিৰ উদ্যোগসমূহে উক্ত অৰ্থনীতিৰ প্ৰয়োজনীয়তাৰ বিষয়টোৰ সৈতে সম্পৰ্ক ৰাখিব। এখন উন্নয়নশীল অৰ্থনীতি থকা দেশত গৱেষণা আৰু বিকাশৰ কাম চলাই নিব পাৰি কিন্তু এই ক্ষেত্ৰত কাম অৰ্থনৈতিক সহযোগিতা আৰু উন্নয়ন সংস্থাৰ সাহায্যৰ দ্বাৰাহে হ'ব লাগিব। উদাহৰণস্বৰূপে কোৰিয়াৰ ছেমছাং উদ্যোগৰ প্ৰধান গৱেষণাৰ কেন্দ্ৰসমূহ ভাৰততে আছে। এনে গৱেষণা কেন্দ্ৰই উচ্চ প্ৰযুক্তিসম্পন্ন সামগ্ৰী নিৰ্মাণৰ কামত লাগি আছে যি ছেমছাঙক এপলৰ প্ৰধান প্ৰতিদ্বন্দ্বী হিচাপে থিয় কৰোৱাত সহায় কৰিছে। যেনে ছেমছাং ম'বাইল ফোনত থকা গেমিং, মিউজিক, ৰিডাৰ আৰু ছ'চিয়েল নেটৱৰ্কিং এপ্লিকেচন আদিৰ উক্ত ভাৰতীয় গৱেষণা কেন্দ্ৰতে বিকাশ ঘটোৱা হৈছে।

উচ্চ আয়সম্পন্ন গ্ৰাহকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত উন্নত অৰ্থনীতি উন্নয়নশীল অৰ্থনীতিতকৈ আগবাঢ়ি থাকিবই। কিন্তু উন্নয়নশীল অৰ্থনীতিৰ উদ্যোগ— যি উন্নত দেশৰ বিভিন্ন ঠাইত ব্যৱসায় চলাই আছে, যেনে ভাৰতীয় তথ্য প্ৰযুক্তি উদ্যোগ 'হাবেই', টেলিকম খণ্ডৰ চীনা যোগানকৰ্তা আদিৰ ফলত উন্নয়নশীল অৰ্থনীতি আৰু উন্নত অৰ্থনীতিৰ মাজত থকা ব্যৱধান হ্ৰাস পাব পাৰে।

আনহাতে, বজাৰৰ মাজত থকা এই ভিন্নতাই এই কথা বুজাব পাৰে যে উন্নয়নশীল দেশৰ উদ্যোগসমূহে নিম্ন আয়ৰ বজাৰৰ বিষয়ে ভালদৰে জানে বাবে তেনে বজাৰক উদ্দেশ্য কৰি সামগ্ৰী তৈয়াৰ কৰাত আগভাগ ল'ব পাৰে। আকৌ, গৱেষক ইমলেটে ক'বৰ দৰে নিম্ন আয়সম্পন্ন দেশৰ বজাৰৰ বাবে উৎপাদন কৰা সামগ্ৰীয়ে উচ্চ আয়সম্পন্ন দেশৰ বজাৰ দখল কৰিব পাৰে। উচ্চ আয়সম্পন্ন দেশ এখনৰ সকলো বজাৰ উচ্চ আয়-সম্পন্ন নহ'বও পাৰে। উচ্চ আয়-সম্পন্ন দেশ এখনতো নিম্ন আয়সম্পন্ন বজাৰ থাকিব পাৰে।

**(৫৬ পৃষ্ঠাত চাওক)**

# পল্লৱিত অসংগঠিত অৰ্থনীতি ঃ আনুষ্ঠানিকতাকৰণৰ দিশে কৌশলৰ উপাদান

**অনুপ কুমাৰ সৎপথী***
**কালাইয়াৰচান এ***

এই অধ্যায়ত নেপথ্যৰ লগতে অসংগঠিত অৰ্থনীতিৰ লগত সম্পৰ্কিত সংজ্ঞা নিৰূপণ দিশ অসংগঠিত নিয়োগৰ আকাৰ আৰু বৈশিষ্ট্য আৰু আনুষ্ঠানিকতাকৰণৰ দিশত সু-সংহত আৰু সৰ্বাত্মক কৌশলৰ ৰূপৰৈখিক উপাদান আদি তিনিটা মূল বিষয়ৰ সন্দৰ্ভত আলোকপাত কৰা হৈছে।

## ১. পৰিচিতি

অসংগঠিত অৰ্থনীতিয়ে বিশ্বৰ অৰ্দ্ধেক কৰ্মশক্তি নিৰিষ্ট কৰি আনিছে আৰু ভাৰতো ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতীয় শ্ৰমিক বজাৰত ই মুঠ শ্ৰম শক্তিৰ প্ৰায় ৯৩ শতাংশ অধিকাৰ কৰি ৰাষ্ট্ৰীয় উপাৰ্জনলৈ ৫০% বৰঙণি আগবঢ়াই বৈশিষ্টপূৰ্ণ স্থান অধিকাৰ কৰিছে। অৰ্থনৈতিক কাম-কাজ বৈচিত্ৰ্য-পূৰ্ণ কৰাৰ ফলত অৰ্থনীতি কৃষি-নিৰ্ভৰশীল অৰ্থনীতিৰ পৰা আধুনিক প্ৰযুক্তিবিদ্যা আৰু নতুন আৰু নৈৰ্ব্যক্তিক সাংগঠনিক ৰূপত সৰ্বাত্মক চৰিত্ৰগত পৰিৱৰ্তনৰ দিশে গতি কৰা অ-কৃষি কাম-কাজলৈ ধাৱিত হ'ব বুলি আৰম্ভণিতে আশা কৰা হৈছিল। এনে ধৰণৰ চৰিত্ৰগত পৰিৱৰ্তনে বৃহৎ পৰিসৰৰ উৎপাদন গাঁথনি আৰু উৎপাদনশীলতাত বৃদ্ধি হোৱাটো সূচায়। সি যি কি নহওক, অনুন্নত প্ৰযুক্তিবিদ্যা আৰু পৰম্পৰাগত উদ্যোগৰ অস্তিত্বই ভাৰতৰ অৰ্থনৈতিক জীৱনৰ বাস্তৱক অসংগঠিত অৰ্থনীতিৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ থকাটোৰে ইংগিত দিয়ে। কৰ্ম প্ৰক্ৰিয়াৰ অনানুষ্ঠানিকতাকৰণ কেৱল অসংগঠিত খণ্ডতে সীমাবদ্ধ নহয়। গোলকীকৰণ আৰু ঘৰুৱা অৰ্থনীতিৰ পুনৰ্গাঁথনিৰ যুগত, অনানুষ্ঠানিকতাকৰণ সংগঠিত খণ্ডতো অপৰিহাৰ্য উপাদান হৈ পৰিছে (সুদৰ্শন আৰু উন্নি, ২০০৩)।

ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ ইয়াৰ উল্লেখনীয় বৰঙণিৰ সত্বেও, অসংগঠিত খণ্ডত মৰ্যাদাপূৰ্ণ কামৰ অভাৱ অধিকভাৱে উচ্চাৰিত হৈছে। সু-প্ৰশাসনৰ অভাৱ অসংগঠিত অৰ্থনীতিত বৰ্তি থকা আৰু অব্যাহত থকাৰ এটা কাৰণ হ'ব পাৰে, জীৱিকাৰ বাবে পৰিয়ালৰদ্বাৰা চালিত কৃষি কাম-কাজৰ ওপৰত অধিক নিৰ্ভৰশীলতা, উদ্যোগ আৰু শ্ৰমিকৰ ভৌগোলিক স্থিতি, প্ৰতি উদ্যোগত নিম্ন নিয়োগ হাৰ, অসংগঠিত খণ্ডৰ শ্ৰমিকৰ কম শিক্ষা আৰু দক্ষতা, অপৰিশোধেয় পৰিয়ালৰ কৰ্মী, অসংগঠিত শ্ৰমিকৰ অদৃশ্যতা আদি অন্যান্য গুৰুত্বপূৰ্ণ গাঁথনিগত কাৰণো উলাই কৰাটো উচিত নহ'ব। সেই কাৰণে সকলোৰে বাবে মৰ্যাদাপূৰ্ণ কাম লাভ কৰাৰ কাৰণে আনুষ্ঠানিকতাকৰণৰ দিশত হোৱা অগ্ৰগতি মুখ্য কাম— যিটো কেৱল এটা সুসংহত আৰু সৰ্বাত্মক কৌশল গ্ৰহণ কৰিলেহে সম্ভৱ হ'ব।

"অসংগঠিত অৰ্থনীতি"ৰ ধাৰণা যোৱা চাৰিটা দশকৰ পৰাই ব্যাপকভাৱে ব্যৱহাৰ কৰা হৈছে যদিও ইয়াৰ নিৰ্ভুল অৰ্থ এতিয়াও সাৰি গৈছে আৰু ই সদায় ব্যাপক আলোচনা আৰু বিতৰ্কৰ বিষয় হৈ আছে (হুচমানছ, ১৯৭৭)। পূৰ্ব কোনো মানসম্পন্ন সংজ্ঞাৰ অভাৱত অসংগঠিত অৰ্থনীতিৰ আকাৰে ৰাষ্ট্ৰৰ বাহিৰ আৰু অভ্যন্তৰ উভয়তে লক্ষ্য সামৰি লোৱা স্থান আৰু ব্যৱহাৰোপযোগী সংজ্ঞাৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ ব্যৱধান প্ৰদৰ্শন কৰিছিল। শেহতীয়া বছৰবোৰত অসংগঠিত অৰ্থনীতিৰ অপ্ৰত্যাশিত বিকাশে বৰ্তমান বৰ্তি থকা সংজ্ঞায়িত আৰু পৰিসংখ্যা সংগ্ৰহ পদ্ধতি বিদ্যাৰ প্ৰৱাহে আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় উভয় পৰ্যায়তে তন্ন তন্নকৈ পৰীক্ষা কৰা আৰু পৰিসংখ্যা সংগ্ৰহ অভ্যাস পদ্ধতিগত কৰাৰ প্ৰয়োজনীয়তা কম কৰে (সৎপথ, ২০০৪)।

'অসংগঠিত খণ্ড'ক ব্যাখ্যায়িত কৰিবলৈ ১৯৯৩ চনত (আন্তৰ্জাতিক শ্ৰমিক সংগঠন, ১৯৯৩) পঞ্চদশ আন্তৰ্জাতিক শ্ৰমিক পৰিসংখ্যাবিদ সন্মিলনে (চমুকৈ আই চি এল এছ) প্ৰথম আন্তঃৰাষ্ট্ৰীয় উদ্যোগ গ্ৰহণ কৰিছিল। আন্তৰ্জাতিক শ্ৰমিক পৰিসংখ্যাবিদ সন্মিলনে উপাদন গোটৰ (উদ্যোগৰ সমকক্ষ) বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি অসংগঠিত খণ্ডৰ সংজ্ঞা আগবঢ়াইছিল। সন্মিলনে এই খণ্ডক

***অনুপ কুমাৰ সৎপথী নয়দাস্থিত ভি ভি গিৰি ৰাষ্ট্ৰীয় শ্ৰম প্ৰতিষ্ঠান আৰু কালাইয়াৰচান এ নতুন দিল্লীস্থিত ৰাষ্ট্ৰীয় শ্ৰম অৰ্থনৈতিক গৱেষণা আৰু উন্নয়ন প্ৰতিষ্ঠানৰ ফেকাল্টি**

উৎপাদন গোটৰ দলৰ সমষ্টি হিচাপে ব্যাখ্যায়িত কৰিছিল, যিটোৱে নিয়োগ আৰু উপাৰ্জন সৃষ্টিৰ প্ৰাথমিক লক্ষ্যৰে সামগ্ৰী আৰু সেৱা উৎপাদন কৰা পৰিয়ালৰ উদ্যোগ হিচাপে পৰিয়াল খণ্ডৰ এটা অংশ গঠন কৰে। সি যি কি নহওক, পঞ্চদশ আন্তৰ্জাতিক শ্ৰমিক সংগঠনে আগবঢ়োৱা এই ব্যাখ্যাই এই খণ্ডত নিয়োজিত শ্ৰমিকসকলৰ বৈশিষ্ট্য বিবেচনা নকৰাৰ বাবে ইয়াক সংকীৰ্ণ হিচাপে বিবেচনা কৰা হ'ল। আন অৰ্থত, এই সংজ্ঞাই কেৱল উৎপাদনৰ সম্পৰ্কহে বিবেচনা কৰিছিল আৰু নিয়োগ সম্পৰ্কীয় দিশে উন্মোচন কৰা বিভিন্ন মাত্ৰা সামৰি লোৱা নাছিল। পঞ্চদশ আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ এই সংজ্ঞাৰ এতিয়াও প্ৰাসংগিকতা আছে যদিও গোলকীয় প্ৰতিযোগিতা আৰু তথ্য আৰু যোগাযোগ প্ৰযুক্তি আন্দোলনৰ (ষ্টেণ্ডিং, ১৯৯৯) ফলত বিশ্বৰ বিভিন্ন অংশত তাৎপৰ্যপূৰ্ণভাৱে বিকাশ হোৱা অনানুষ্ঠানিকতা আৰু অনানুষ্ঠানিকতা-কৰণৰ বিভিন্ন ৰূপৰ প্ৰতি আকৰ্ষণ কৰিবলৈ ব্যৰ্থ হ'ল। অসংগঠিত খণ্ডৰ সকলো ৰূপ সন্নিৱিষ্ট কৰাৰ কাৰণে ২০০৩ চনত সপ্তদশ আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ সন্মিলনে 'অসংগঠিত অৰ্থনীতি' শব্দ দুটা যোগ দিলে যিটো অসংগঠিত খণ্ডৰ ধাৰণাতকৈ ব্যাপক আৰু উৎপাদন সম্পৰ্ক আৰু নিয়োগ সম্পৰ্ক উভয়কে সামৰি অসংগঠিতৰ ধাৰণাৰ সূচনা কৰাৰ বাবে ব্যৱহাৰ কৰা হ'ল (আন্তৰ্জাতিক শ্ৰমিক সংগঠক, ২০০৩)। অসংগঠিত অৰ্থনীতিয়ে অসংগঠিত খণ্ড, সংগঠিত খণ্ড আৰু পৰিয়াল খণ্ডৰ সকলো অসংগঠিত নিয়োগক সামৰি ল'লে আৰু সেই বাবে এই সংজ্ঞাকে সৰ্বসন্মতভাৱে গ্ৰহণ কৰা হৈছে।


এই আন্তৰ্জাতিক ব্যাখ্যাৰ সিদ্ধান্ত মতে ৰাষ্ট্ৰীয় নমুনা জৰীপ কাৰ্যালয়ে ১৯৯৯/২০০০ চনত অসংগঠিত খণ্ডৰ আকাৰ[১] প্ৰত্যক্ষভাৱে নিৰূপণ কৰিবলৈ পাঁচ বছৰজোৱা শ্ৰমিক শক্তি জৰীপত প্ৰথমবাৰৰ কাৰণে নিৰ্দিষ্ট অনুসন্ধানমূলক প্ৰশ্ন সন্নিৱিষ্ট কৰিছিল। পৰৱৰ্তী কালত অসংগঠিত খণ্ডৰ উদ্যোগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগে (এন চি ই ইউ এছ) অনানুষ্ঠানিক (অসংগঠিত) আৰু অনানুষ্ঠানিক (অসংগঠিত) নিয়োগ (এন চি ই ইউ এছ, ২০০৭) উভয়কে সংজ্ঞায়িত কৰিছিল। আয়োগে ব্যক্তি বা পৰিয়ালৰদ্বাৰা পৰিচালিত দহজনতকৈ কম শ্ৰমিকেৰে সামগ্ৰী উৎপাদন আৰু সেৱা আগবঢ়োৱাৰ বাবে নিয়োজিত একত্ৰিত হৈ নথকা সকলো ব্যক্তিগত উদ্যোগৰ সমষ্টিক অনানুষ্ঠানিক খণ্ড হিচাপে সংজ্ঞায়িত কৰিছে। নিয়োগকৰ্তাৰ দ্বাৰা সামাজিক সুৰক্ষা লাভৰ সৈতে নিয়োজিত কৰা নিয়মীয়া কৰ্মীক বাদ দি সেই অসংগঠিত খণ্ড বা পৰিয়ালসমূহৰ কাম কৰা লোকসকলক অসংগঠিত কৰ্মী আৰু নিয়োগকৰ্তাৰদ্বাৰা কোনো নিয়োগ আৰু সামাজিক সুৰক্ষা লাভৰ অবিহনে সংগঠিত খণ্ডত কাম কৰাসকলক সংগঠিত কৰ্মী হিচাপে সংজ্ঞা আগবঢ়াইছে। এই পৰ্যায়ত, অসংগঠিত খণ্ড আৰু অসংগঠিত অৰ্থনীতিৰ নিয়োগৰ আকাৰ হিচাপ কৰিবলৈ ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠন গোট পৰ্যায়ৰ শ্ৰমিক শক্তি পৰিসংখ্যাত সংগঠিত আৰু অসংগঠিত খণ্ডৰ উদ্যোগত ৰাষ্ট্ৰীয় আয়োগৰ সংজ্ঞা ব্যৱহাৰ কৰা হৈছে।

**নিয়োগৰ আকাৰ আৰু ধাৰা; অসংগঠিত খণ্ড আৰু অসংগঠিত অৰ্থনীতি**

এই শাখাই ২০০৪/০৫ আৰু ২০১১/১২ চনৰ দুটা কালছোৱাৰ অসংগঠিত খণ্ড আৰু অসংগঠিত অৰ্থনীতিৰ নিয়োগ সমষ্টিৰ ধাৰাৰ আকাৰ আগবঢ়াইছে। ১নং আৰ্হিত দেখুওৱা মতে ২০১১-১২ চনত মুঠ নিয়োগৰ সংখ্যা প্ৰায় ৪৭ কোটি ৪০ লাখৰ ভিতৰত প্ৰায় ৩৭ কোটি ৩০ লাখ বা ৭৯% কৰ্মী হ'ল অসংগঠিত খণ্ডৰ আৰু বাকী প্ৰায় ১০ কোটি ২০ লাখ অৰ্থাৎ ২১% কৰ্মী সংগঠিত খণ্ডত নিয়োজিত হৈ আছে। সি যি কি নহওক, নিয়মীয়া সময়ৰ পাচত অসংগঠিত খণ্ডত মুঠ নিয়োগৰ অংশ ২০০৪-০৫ চনত ৮৭% থকাৰ বিপৰীতে ২০১১-১২ চনত ৭৯%লৈ হ্ৰাস পায়। এই হ্ৰাস মাত্ৰ শতাংশৰ অংশতে হোৱা নাই অসংগঠিত খণ্ডত নিয়োগ কৰা লোকৰ সংখ্যাৰ ক্ষেত্ৰতো সম্পূৰ্ণ হ্ৰাস পাইছে। ২০০৪-০৫ চনত অসংগঠিত খণ্ডত নিয়োগৰ সংখ্যা আছিল প্ৰায় ৪০ কোটি ১০ লাখ আৰু ই ২০১১-১২ চনৰ কালছোৱাত ৩৭ কোটি ৩ লাখলৈ হ্ৰাস পায়। অন্য অৰ্থত ক'বলৈ গ'লে ২০০৪-০৫ চন আৰু ২০১১-১২ চনৰ মাজৰ কালছোৱাত প্ৰায় ২ কোটি ৮০ লাক কৰ্মী অনানুষ্ঠানিক খণ্ডৰ পৰা আনুষ্ঠানিক বা সংগঠিত খণ্ডলৈ স্থানান্তৰ হয়। সি যি কি নহওক, অসংগঠিত খণ্ডৰ পৰা সংগঠিত খণ্ডলৈ শ্ৰমিকৰ এই স্থানান্তৰক নিয়োগ মানৰ উৎকৰ্ষৰ চিন বুলি চোৱাৰ প্ৰয়োজন নাই কাৰণ সংগঠিত খণ্ডৰ শ্ৰমিক শক্তিৰ অনানুষ্ঠানিকতাকৰণৰ ধাৰাৰো প্ৰমাণ আছে।

দ্বিতীয় শাখাত কৰা আলোচনা মতে, অসংগঠিত খণ্ডৰ নিয়োগ অৰ্থনীতিৰ সকলো অসংগঠিত নিয়োগৰ মাত্ৰ উপ-নিৰ্দ্ধাৰণ, যিহেতু আগৰটোৱে ইয়াৰ পৰিসীমাত অসংগঠিত নিয়োগ অন্তৰ্ভুক্ত কৰা নাই, যিটো সংগঠিত খণ্ডত বৰ্তি আছে। সেই কাৰণে এই শাখাই অসংগঠিত অৰ্থনীতিত নিয়োগৰ ধাৰা আৰু আকাৰ— উদাহৰণস্বৰূপে

১নং আৰ্হি ঃ ২০০৪/০৫ আৰু ২০১১-২০১২ বৰ্ষত অসংগঠিত খণ্ডত নিয়োগৰ আকাৰ আৰু ধাৰা (নিযুতৰ হিচাপত দেখুওৱা হৈছে)




**উৎস ঃ** ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনৰ গোট পৰ্যায়ৰ শ্ৰমিক শক্তিৰ জৰীপ পৰিসংখ্যা ৬১ সংখক (২০০৪/০৫) আৰু ৬৮ সংখ্যক (২০১১/১২) ৰাউণ্ডৰ পৰা লোৱা হৈছে।

ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনৰ শ্ৰমিক শক্তিৰ পৰিসংখ্যালৈ সংগঠিত আৰু অসংগঠিত খণ্ডৰ নিয়োগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগে আগবঢ়োৱা ‘অসংগঠিত কৰ্মী’ৰ সংজ্ঞা ব্যৱহাৰ কৰা সংগঠিত বা অসংগঠিত খণ্ড য’তেই নহওক বৰ্তি থকা সকলো প্ৰকাৰৰ অসংগঠিত নিয়োগৰ বিষয়ে আলোচনা আগবঢ়াইছে। ২নং আহিত ২০১১-১২ চনৰ কালছোৱাত অসংগঠিত খণ্ডৰ নিয়োগৰ পৰিমাণতকৈ (৬৬ নিযুত) অসংগঠিত অৰ্থনীতি ৪৩৮.৮ নিযুত নিয়োগ সুবিধাৰে যথেষ্ট ডাঙৰ। এই ভিন্নতাৰ মাজৰ প্ৰতিচ্ছবিয়ে ২০১১-১২ বৰ্ষত সংগঠিত খণ্ডত এই ৬৬ নিযুত কৰ্মীয়ে অসংগঠিত নিযুক্তিৰ কাম কৰিছিল বুলি আভাস দিয়ে। ২০০৪-০৫ আৰু ২০১১-১২ বৰ্ষৰ মাজৰ সময়ছোৱাত যদিও অসংগঠিত অৰ্থনীতিত নিয়োগৰ অংশৰ যথেষ্ট পৰিৱৰ্তন নাছিল, কিন্তু এনে নিয়োগৰ প্ৰকৃত পৰিমাণ ৮ নিযুত বৃদ্ধি পাইছিল। আন এটা মন কৰিবলগীয়া আমোদজনক বিষয় হ’ল সংগঠিত খণ্ডত নিয়োগৰ পৰিমাণ বৃদ্ধি হোৱাৰ সত্ত্বেও ২০০৪-০৫ বৰ্ষৰ পৰা ২০১১-১২ বৰ্ষৰ কালছোৱাত মুঠ নিয়োগত সংগঠিত নিয়োগৰ অংশ স্থবিৰ হৈ আছিল। ২০০৪-০৫ বিত্তীয় বৰ্ষত মুঠ নিয়োগৰ সংগঠিত নিয়োগৰ অংশ আছিল মাত্ৰ ৬% আৰু ২০১১-১২ বৰ্ষত মাথো অলপহে (৭%) বৃদ্ধি হৈছিল। আন অৰ্থত ক’বলৈ গ’লে সংগঠিত খণ্ডৰ ভিতৰত অসংগঠিত কৰ্মীৰ বৃদ্ধিৰ সৈতে সংগঠিত খণ্ডত নিয়োগ বৃদ্ধি হৈছিল।


**অসংগঠিত খণ্ডৰ বৈশিষ্ট্যসমূহ ঃ**

অসংগঠিত খণ্ড সম্পূৰ্ণ অসমসত্ব (সকলো উপাদান সমানভাৱে নথকা) আৰু ই সংগঠিত খণ্ডৰ মূল বৈশিষ্ট্য-সমূহৰ পৰা তাৎপৰ্যপূৰ্ণভাৱে বেলেগ। নিয়োগ আৰু উপাৰ্জনৰ নিম্ন মান, শিক্ষা আৰু দক্ষতা ভিত্তিৰ নিম্ন স্তৰ, উদ্যোগৰ ক্ষুদ্ৰ আকাৰ, সামাজিক সুৰক্ষা লাভৰ প্ৰায় অভাৱ, প্ৰশাসন আৰু বিধিগত গাঁথনিৰ অভাৱ আৰু নিম্ন শ্ৰমিক সংঘৰ গাঢ়তা আদি অসংগঠিত খণ্ডৰ সংজ্ঞায়িত বৈশিষ্ট্যসমূহৰ বিষয়ে পিচৰ খণ্ডত আলোচনা কৰা হৈছে।

**১. নিয়োগ আৰু উপাৰ্জনৰ নিম্ন মান**

নিয়োগ আৰু উপাৰ্জনৰ নিম্নমান ভাৰতৰ অসংগঠিত খণ্ডৰ এটা সংজ্ঞাবদ্ধ বৈশিষ্ট্য। অসংগঠিত খণ্ডৰ কৰ্মী মুকলিভাৱে নিবনুৱা নহয় অৰ্থত শ্ৰম বজাৰৰ এটা অংশ গঠন কৰে যদিও শ্ৰম

২নং আৰ্হি ২০০৪-০৫ আৰু ২০১১-১২ বৰ্ষত অসংগঠিত অৰ্থনীতিত নিয়োগৰ (নিযুতৰ হিচাপত) আকাৰ আৰু ধাৰা




উৎস ঃ ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠন গোটৰ পৰ্যায়ৰ শ্ৰমশক্তি জৰীপ পৰিসংখ্যাৰ ৬১ সংখ্যক (২০০৪-০৫) আৰু ৬৮ সংখ্যক (২০১১-১২) ৰাউণ্ডৰ পৰা লোৱা হৈছে।

বজাৰৰ ভিতৰত তেওঁলোকৰ প্ৰকৃতি আৰু অংশগ্ৰহণৰ প্ৰকাৰে তেওঁলোকৰ নিয়োগৰ গুণগত বৈশিষ্ট্য মানসম্পন্ন হৈ নুঠা আৰু কম মজুৰি লাভ কৰা কাম কৰি জীৱিকা নিৰ্বাহ কৰি থকাৰ বিষয়ে আভাস দিয়ে। নিয়োগ স্থিতিৰ বিশ্লেষণে ভাৰতত অসংগঠিত খণ্ডত মুঠ অসংগঠিত কৰ্মীৰ ৬৩ শতাংশৰে স্ব-নিয়োজিত খণ্ডৰে আভাস দিয়ে (১নং তালিকা)। সি যি কি নহওক, স্ব-নিয়োজিত সকলৰ ভিতৰত যথেষ্ট স্থান অধিকাৰ কৰি আছে নিজৰ সুবিধা অনুযায়ী কাম কৰা কৰ্মী (পথত সামগ্ৰী বিক্ৰেতা, জাবৰ সংগ্ৰহকাৰী আৰু ৰিক্সাচালক আদি) আৰু বিভিন্ন উপ-ঠিকাভিত্তিক ব্যৱস্থাত কাম কৰা চকুত নপৰা গৃহকৰ্মী বিশেষকৈ মহিলাসকলকে ধৰি বেতন লাভ নকৰা কৰ্মী। এনেকুৱা নিম্নমান আৰু নিম্ন উপাৰ্জনৰ স্পৰ্শকাতৰ জীৱিকা গ্ৰহণ কৰা মজুৰি উপাদানৰ ক্ষেত্ৰত ২০১১-১২ বৰ্ষত সকলো অসংগঠিত খণ্ডৰ ৩০% নিয়মীয়া ভাল মজুৰিপ্ৰাপ্ত কৰ্মীৰ ওপৰত নিয়োগ, মজুৰি আৰু সামাজিক সুৰক্ষাবিহীন আৰু ৰূঢ় পৰিৱেশত কাম কৰা কৰ্মীয়ে প্ৰভুত্ব বিস্তাৰ কৰিছিল। অনিয়মীয়া কৰ্মীয়ে ঠিকাভিত্তিক, অস্থায়ী, অংশকালীন আৰু দৈনিক হাজিৰা কৰা লোক হিচাপে অসংগঠিত শ্ৰম বজাৰত অংশগ্ৰহণ কৰিছিল। মজুৰি নোপোৱা পৰিয়ালৰ কৰ্মীসকলৰ লগতে তেওঁলোক সুবিধাহীন আৰু স্পৰ্শকাতৰ গোটত পৰিণত হৈছিল আৰু অস্থিৰ নিয়োগ ব্যৱস্থা, শিক্ষা আৰু প্ৰশিক্ষণৰ অভাৱ, মৰ্যাদাপূৰ্ণ জীৱন নিৰ্বাহৰ বাবে যুক্তিসংগত মজুৰি লাভ কৰিবলৈ দৰদাম কৰাৰ কাৰণে মাত মাতিব নোৱাৰা অৱস্থাৰ বাবে নিয়োগৰ ক্ষেত্ৰত নিৰাপত্তাহীনতাৰ সন্মুখীন হয়।

আৰু স্পৰ্শকাতৰ গোটৰ (এন চি ই ইউ এছ, ২০০৭)।

২. **শিক্ষা আৰু দক্ষতা ভিত্তিৰ নিম্ন স্তৰ**

ভাৰতত বিশেষকৈ সাধাৰণ আৰু অসংগঠিত শ্ৰম বজাৰৰ অন্যতম প্ৰধান দুৰ্বলতা হ'ল আমাৰ শ্ৰমশক্তিৰ শিক্ষা আৰু দক্ষতাৰ নিম্ন স্তৰ। ২০১১-১২ বৰ্ষৰ ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনৰ পৰিসংখ্যাত প্ৰকাশ হোৱা মতে কৰ্ম বয়সৰ জনসংখ্যাৰ ৩৫% হয় অশিক্ষিত নতুবা প্ৰাথমিক শিক্ষাৰ নিম্ন পৰ্যায়ৰ, ৯৭% লোকৰ কোনো কাৰিকৰী শিক্ষা নাই আৰু ৮৮% লোকৰ কোনো আনুষ্ঠানিক বা অনানুষ্ঠানিক বৃত্তিমূলক আৰু দক্ষতা বিকাশ কাৰ্যসূচীৰ সৈতে সম্পৰ্ক নাই। অশিক্ষিত লোকসকলৰ দহজনৰ ভিতৰত প্ৰায় ৯ জন দৰিদ্ৰ আৰু স্পৰ্শকাতৰ হোৱা আৰু অসংগঠিত কৰ্মীৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰাৰ

১নং তালিকা ঃ **অসংগঠিত আৰু সংগঠিত খণ্ডত নিয়োগ স্থিতিৰ কৰ্মীসকল (% হিচাপত)**

| **নিয়োগ স্থিতি** | **২০০৪-০৫** | | | **২০১১-১২** | | |
|---|---|---|---|---|---|---|
| | **অসংগঠিত খণ্ড** | **সংগঠিত খণ্ড** | **মুঠ** | **অসংগঠিত খণ্ড** | **সংগঠিত খণ্ড** | **মুঠ** |
| স্ব-নিয়োজিত | ৬৩.৯ | ৮.২ | ৫৬.৯ | ৬২.৭ | ১২.২ | ৫২.২ |
| নিয়মিত বেতনভোগী | ৬.৪ | ৬৮.৬ | ১৪.৩ | ৭.৬ | ৫৭ | ১৭.৯ |
| অনিয়মীয়া কৰ্মী | ২৯.৭ | ২৩.১ | ২৮.৯ | ২৯.৭ | ৩০.৮ | ২৯.৯ |
| সমগ্ৰ | ১০০.০ (৪০২.১ নিযুত) | ১০০.০ (৫৭.৬ নিযুত) | ১০০.০ (৪৫৯.৯ নিযুত) | ১০০.০ (৩৭৫.৪ নিযুত) | ১০০.০ (৯৮.৭ নিযুত) | ১০০.০ (৪৭৪.১ নিযুত) |

**উৎস ঃ** ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠন গোট পৰ্যায়ৰ শ্ৰমশক্তি জৰীপ পৰিসংখ্যাৰ ৬১ সংখ্যক (২০০৪-০৫) আৰু ৬৮ সংখ্যক (২০১১-১২) ৰাউণ্ডৰ পৰা লোৱা হৈছে।

কৰ্মীসকল দাৰিদ্ৰ্যত পোত গৈ আছে।

২০১১-১২ বৰ্ষত মুঠ অসংগঠিত খণ্ডত মজুৰিপ্ৰাপ্ত কৰ্মী আছিল (অনিয়মীয়া আৰু নিয়মীয়া) ৩৭%। স্ব-নিয়োজিতসকলৰ ক্ষেত্ৰত মজুৰিপ্ৰাপ্ত কৰ্মীসকলো সমসত্ব শ্ৰেণীৰ নহয়।

অসংগঠিত অৰ্থনীতিত বৃহৎ সংখ্যক নিম্ন মজুৰীপ্ৰাপ্ত কৰ্মীৰ বিষয়ে পূৰ্ব বিবেচনা কৰি, উদ্যোগ আৰু অসংগঠিত খণ্ডৰ ৰাষ্ট্ৰীয় আয়োগে নিৰূপণ কৰে যে, অনানুষ্ঠানিক বা অসংগঠিত খণ্ডৰ ৭৯% কৰ্মী হ'ল দুখীয়া অতিমাত্ৰা সম্ভাৱনা থাকে (এন চি ই ইউ এছ, ২০০৭)। মুঠতে কোনোৱে শিক্ষাৰ দিশে গতি কৰিলে, নিয়োগ সুৰক্ষা আৰু সংগঠিত অৰ্থনীতিত হিত লাভ কৰিলে অনানুষ্ঠানিকতা হ্ৰাস পায় (আই এল অ', ২০১৪)।

৩. **ক্ষুদ্ৰ আকাৰৰ উদ্যোগ**

অসংগঠিত খণ্ডৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল ঠুনুকা আৰু সৰু গোটৰ ব্যাপকতা (তালিকা নং-২)। ২০১১-১২ চনৰ কালছোৱাত অসংগঠিত খণ্ডৰ প্ৰায় ৮৬% কৰ্মী ৬ জনতকৈয়ো কম কৰ্মী নিযুক্ত উদ্যোগত কাম কৰে আৰু বাকী ১৪% কৰ্মী ৬ জন আৰু তাতকৈ অধিক কিন্তু ১০ জনতকৈ কম সংখ্যক কৰ্মী থকা উদ্যোগত কাম কৰে। তদুপৰি ২০০৪-০৫ বিত্তীয় বৰ্ষৰ তুলনাত, অসংগঠিত খণ্ডৰ প্ৰতিষ্ঠান জড়িত নিয়োগ আকাৰৰ বেছি পৰিৱৰ্তন হোৱা নাছিল। ইয়াৰ বিপৰীতে সংগঠিত খণ্ডত প্ৰায় ৫৯% কৰ্মী ২০ জন বা তাতোকৈ অধিক সংখ্যক কৰ্মী থকা উদ্যোগত কাম কৰিছিল আৰু আন ২৬% কৰ্মী ১০ জন বা তাতোকৈ অধিক কিন্তু, ২০ জনতকৈ কম কৰ্মী থকা উদ্যোগত কাম কৰিছিল। সামৰণিত সামগ্ৰিক পৰ্যায়ত মুঠ কৰ্মীৰ প্ৰায় ৬১% কৰ্মীয়ে এতিয়াও ৬ জনতকৈ কম কৰ্মী থকা শ্ৰেণীত আৰু প্ৰায় ১৯% কৰ্মীয়ে ২০ নতুবা তাতোকৈ অধিক কৰ্মী থকা উদ্যোগত কাম কৰে। ২০০৪-০৫ আৰু ২০১১-১২ চনৰ মাজৰ কালছোৱাত ক্ষুদ্ৰ আৰু সৰু আকাৰৰ উদ্যোগসমূহৰ মজলীয়া আৰু বৃহৎ খণ্ডলৈ আকাৰ পৰিৱৰ্তনৰ গতিধাৰা কিছু পৰিমাণে লেহেমীয়া আছিল আৰু এই প্ৰক্ৰিয়াত মজলীয়া উদ্যোগ খণ্ডত বৃহৎ খোপনি পুতিবলৈ ব্যৰ্থ হৈছিল।

৪. **সামাজিক সুৰক্ষাৰ অনুপস্থিতি**

সংগঠিত নিয়োগৰ সকলো কৰ্মীৰে সামাজিক সুৰক্ষাৰ নীতি থাকে কিন্তু অসংগঠিত নিয়োগৰ যিটো মুঠ নিয়োগৰ প্ৰায় ৯৩%— এই কৰ্মীসকল সামাজিক সুৰক্ষাৰ পৰা বঞ্চিত। এনে কৰ্মশক্তিৰ বৃহৎ অংশই হ'ল স্ব-নিয়োজিত শ্ৰেণীৰ, তেওঁলোক সামাজিক সুৰক্ষা আৱেষ্টনীৰ পৰা বাহিৰত। উদাহৰণস্বৰূপে, কাৰ্যকৰী হৈ থকা সামাজিক সুৰক্ষাৰে সামৰি লোৱা কৰ্মীৰ পৰিসংখ্যা ২০১১-১২ বিত্তীয় বৰ্ষৰ সময়ছোৱাত মুঠ ৪৭ কোটি ৪০ লাখ শ্ৰম শক্তিৰ ভিতৰত ৩১.৫% (বা ১৪ কোটি ৯৫ লাখ) শতাংশৰহে সংগ্ৰহ কৰা হৈছে (আৰ্হি-৩)। আন অৰ্থত ক'বলৈ গ'লে বাকী ৬৮.৫ শতাংশ কৰ্মী হয় স্ব-নিয়োজিত কৰ্মীৰূপে নতুবা শস্যৰ পাম আৰু কৃষিৰ দৰে খণ্ডত নিয়োজিত হৈ আছে আৰু সেই বাবে এইসকল লোক সামাজিক সুৰক্ষা আঁচনিৰ ব্যৱস্থাৰ বাহিৰ হৈ গৈছে। উদাহৰণস্বৰূপে অসংগঠিত খণ্ডত মাত্ৰ ৭ কোটি ৮ লাখ কৰ্মীহে এনে সামাজিক সুৰক্ষা আঁচনিৰ পৰা হিত লাভ কৰিবলৈ সক্ষম হৈছে— এইখিনি এই খণ্ডত কৰ্মৰত মাত্ৰ ১৮.৯ শতাংশ কৰ্মীহে। ইয়াৰ বিপৰীতে সংগঠিত খণ্ডত নিয়োজিত ৮০% অৰ্থাৎ প্ৰায় ৭৮ কোটি ৮ লাখ কৰ্মী সামাজিক সুৰক্ষা কল্যাণ লাভ কৰিবলৈ সমৰ্থ হৈছে। এইটো গুৰুত্বপূৰ্ণ কিয়নো সংগঠিত খণ্ডত শ্ৰম শক্তিৰ অধিকাংশ নিয়মিত বা অনিয়মিত কৰ্মী হিচাপে নিয়োজিত আৰু সেইবাবে সমৰ্থবান কৰ্মীৰ সংখ্যাও অধিক।


তদুপৰি, ২০১১-১২ চনৰ কালছোৱাত ১৪ কোটি ৯৫ লাখ সমৰ্থবান কৰ্মীৰ ভিতৰত ৩ কোটি ৪৯ লাখ কৰ্মীকহে সামাজিক সুৰক্ষা কল্যাণ আঁচনিৰে সামৰি লোৱা হৈছিল। ৩

২নং তালিকা ঃ **অসংগঠিত আৰু সংগঠিত খণ্ডত উদ্যোগৰ আকাৰ অনুসৰি কৰ্মী (% হিচাপত)**

| নিয়োগ আকাৰ | ২০০৪-০৫ | | | ২০১১-১২ | | |
|---|---|---|---|---|---|---|
| | অসংগঠিত খণ্ড | সংগঠিত খণ্ড | মুঠ | অসংগঠিত খণ্ড | সংগঠিত খণ্ড | মুঠ |
| ৬তকৈ কম | ৯১.৯ | ১১.০ | ৭৪.৬ | ৮৬ | ৮ | ৬০.৬ |
| ৬ আৰু ইয়াৰ অধিক কিন্তু ১০তকৈ কম | ৮.১ | ৫.১ | ৭.৫ | ১৪ | ৭.৮ | ১২ |
| ১০ আৰু ইয়াৰ অধিক কিন্তু ২০তকৈ কম | ০.০ | ২৭.৬ | ৫.৯ | ০ | ২৫.৬ | ৮.৩ |
| ২০ আৰু ইয়াৰ অধিক | ০.০ | ৫৬.৪ | ১২.০ | ০ | ৫৮.৬ | ১৯.১ |
| মুঠ | ১০০.০ | ১০০.০ | ১০০.০ | ১০০.০ | ১০০.০ | ১০০.০ |

**উৎস ঃ** ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠন গোটৰ শ্ৰমশক্তি জৰীপ পৰিসংখ্যাৰ ৬১ সংখ্যক (২০০৪-০৫) আৰু ৬৮ সংখ্যক ৰাউণ্ডৰ পৰা লোৱা হৈছে।

৩নং আৰ্হি ঃ **সামাজিক সুৰক্ষা আঁচনিৰে সামৰি লোৱা কৰ্মী (নিযুতৰ হিচাপত), ২০১১-১২**




**উৎস ঃ** ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনৰ গোটৰ শ্ৰমিক শক্তিৰ জৰীপ পৰিসংখ্যা ৬৮ সংখ্যক (২০১১/১২) ৰাউণ্ডৰ পৰা লোৱা হৈছে।

কোটি ৪৯ লাখ[২] কৰ্মীৰ ভিতৰত ৩ কোটি ৩২ লাখ সংগঠিত আৰু ১৮ লাখ অসংগঠিত খণ্ডৰ কৰ্মী। সেই কাৰণে, এইটো প্ৰমাণিত যে, সংগঠিত খণ্ডই ইয়াৰ কৰ্মীসকললৈ কিছু সামাজিক সুৰক্ষা লাভ আগবঢ়াইছে আৰু অসংগঠিত খণ্ডত এইটো একেবাৰে অৱহেলিত হৈ আছে। আনকি দুয়োটা খণ্ডতে, কৰ্মীসকলে সামাজিক সুৰক্ষা হিতলৈ বৰঙণি আগনবঢ়াই বাবে বৃহৎ পৰিমাণৰ কৰ্মী সামাজিক সুৰক্ষা হিতৰ[৩] ব্যৱস্থাৰ আওতাৰ বাহিৰত আছে।

### ৫. বিধি আৰু শ্ৰমিক সংঘকৰণৰ অনুপস্থিতি

ভাৰতীয় শ্ৰম বজাৰ অতিকৈ অনিয়ন্ত্ৰিত। অসংগঠিত অৰ্থনীতি জড়িত হৈ থকা ৯০ শতাংশৰো অধিক কৰ্মী বিধি ব্যৱস্থাৰ বাহিৰত— হয় স্বত্ত্ববান —নহয় আচল, যি ক্ষেত্ৰত অধিক সংখ্যক শ্ৰম বিধিয়ে সংগঠিত খণ্ডৰ কৰ্মীসকলক সামৰি লৈছে। শ্ৰম বিধিৰ সুপ্ৰয়োগৰ অভাৱত কৰ্ম পৰিস্থিতিত কঠোৰ বাধ্যবাধকতা, মজুৰি আৰু সামাজিক সুৰক্ষা ব্যৱস্থা গঢ় দিব নোৱাৰি আৰু সেইটোৰেই অসংগঠিত কৰ্মীসকলক কৰ্ম পৰিস্থিতিত নিজৰ অধিকাৰৰ সুৰক্ষাৰ বাবে যুঁজিবলৈ এৰি দিছে। আনহাতে ভাৰতত মুঠ কৰ্মীৰ মাত্ৰ ২% আৰু ৫% অ-কৃষিখণ্ডৰ কৰ্মীহে শ্ৰমিক সংঘৰ লগত জড়িত আৰু সেই বাবে বিষয়টো বেছি জটিল হৈ পৰিছে।

বিধিৰ অনুপস্থিতি বা অভাৱে কেৱল কৰ্মীৰ ওপৰতে প্ৰভাৱ পেলায় তেনে নহয়, ই ক্ষুদ্ৰ আৰু ঠুনুকা উদ্যোগৰ ওপৰতো প্ৰভাৱ পেলায়। এই অৰ্থনৈতিক গোটসমূহ বৃহৎ পৰিমাণে নিয়ন্ত্ৰকৰ বাহিৰত হোৱা বাবে সুৰক্ষিত সম্পত্তিৰ অধিকাৰ উপভোগ কৰিব নোৱাৰে আৰু সেইবাবে এই গোটবোৰ মূলধন আৰু ঋণ উভয়তে প্ৰৱেশৰ পৰা বঞ্চিত হয়। এই উদ্যোগসমূহক নিয়ন্ত্ৰক ব্যৱস্থাৰ আওতাৰ অধীনলৈ অনাৰ প্ৰয়োজন আছে আৰু বিত্ত, বজাৰ, আন্তঃগাঁথনি, দক্ষতা, বিকাশ আদি সুবিধাৰ ক্ষেত্ৰত প্ৰৱেশ সুচল কৰিব লাগে যাতে এই গোটবোৰ উৎপাদনশীল হ'ব পাৰে আৰু কাৰ্যাৱলী সম্প্ৰসাৰণ কৰিব পাৰে।

### আনুষ্ঠানিকতাকৰণৰ দিশে কৌশলৰ উপাদান

শিক্ষা, দক্ষতাৰ অভাৱ আৰু বঞ্চিত হোৱাৰ অন্যান্য কাৰণৰ বাবে আনুষ্ঠানিক বা সংগঠিত শ্ৰম বজাৰত প্ৰৱেশ কৰিবলৈ ব্যৰ্থ হোৱা অসংগঠিত খণ্ডৰ আশ্ৰয়প্ৰাপ্তৰ বিষয়ে পূৰ্বে আলোচনা কৰা হৈছে। মুঠতে, সংগঠিত খণ্ডত ভাল মজুৰি আৰু কৰ্ম পৰিস্থিতিৰ লগতে সামাজিক সুৰক্ষাসহ নিয়োগ সুবিধাৰ অভাৱত কৰ্মীসকলে অসংগঠিত খণ্ডত সামান্য ধনেৰেই জোৰা মাৰিব পৰা কম মজুৰি আৰু কৰ্ম পৰিস্থিতি সুবিধাৰ বাবে কাম কৰে। ঠিক একেদৰে, সংগঠিত খণ্ডত নিয়োগ সমন্ধে অনানুষ্ঠানিকতা-কৰণ বৰ্তমান স্বীকৃত হৈছে আৰু ই সমানেই উদ্বেগৰ বিষয়ো হৈছে। সংগঠিত খণ্ডত অসংগঠিত কৰ্মীয়ে শ্ৰম মানৰ নাটনিত ভোগে। সেই কাৰণে এই বাস্তৱক চিনাক্ত কৰাটো হ'ল আনুষ্ঠানিকতাকৰণৰ বাবে ফলদায়ক কৌশল উদ্ভাৱন কৰাৰ ক্ষেত্ৰত পূৰ্বচৰ্ত।

চৰকাৰে অসংগঠিত অৰ্থনীতি ক্ৰমান্বয়ে আনুষ্ঠানিকতাকৰণৰ বাবে আইন, নীতি আৰু কাৰ্যসূচীৰ ৰূপত বহুত দিনৰ পৰাই ব্যৱস্থালানি গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে, অসংগঠিত খণ্ডৰ উদ্যোগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগে, সংগঠিত আৰু অসংগঠিত উভয় খণ্ডতে (এন চি ই ইউ এছ, ২০০৭) অসংগঠিত কৰ্মীৰ কাৰণে নিয়োগ আৰু নিয়োগ যোগ্যতাৰ সম্প্ৰসাৰণ ঘটাই এটা বুনিয়াদী 'ন্যূনতম সামাজিক মজিয়া'ৰ (মিনিমাম

ছ'চিয়েল ফ্লৰ) ধাৰণা আৰু জীৱিকাৰ উৎকৰ্ষৰ কৰ্মসূচী দাঙি ধৰিছিল। অলপতে, চলিত বছৰৰ জুন মাহত আন্তৰ্জাতিক শ্ৰমিক সংগঠনে ইয়াৰ ১০৩ সংখ্যক আন্তৰ্জাতিক শ্ৰমিক সন্মিলনত অসংগঠিত অৰ্থনীতিক সংগঠিত অৰ্থনীতিলৈ পৰিৱৰ্তন কৰাটো সহজসাধ্য কৰিবলৈ সাতোটা কৌশল সন্নিৱিষ্ট এখন আন্তৰ্জাতিক খচৰাৰ বিষয়ে আলোচনা কৰিছিল। এন চি ই ইউ এছ আৰু প্ৰস্তাৱিত আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ কৌশলৰ মাজত বহু উমৈহতীয়া বিষয় আছে। ভাৰতৰ প্ৰসংগত অসংগঠিত অৰ্থনীতি আনুষ্ঠানিকতাকৰণৰ এই কৌশলসমূহৰ কিছুমান মূল উপাদানৰ বিষয় ইয়াত আলোচনা কৰা হ'ব।

**গুণগত আৰু লাভজনক নিয়োগ সৃষ্টি**

অসংগঠিত অৰ্থনীতিত নিমজ্জিত হৈ থকা আৰু নিবনুৱাসকলক শ্ৰম শক্তিত নতুন প্ৰৱেশকাৰী হিচাপে নিৰিষ্ট কৰিবলৈ উচ্চ বিকাশ আৰু উচ্চ নিয়োগ বিস্তৃত খণ্ডৰ বিষয়ত গুৰুত্ব আৰোপ কৰি গুণগত আৰু লাভজনক নিয়োগ সৃষ্টি কৰিব পাৰি। অসংগঠিত অৰ্থনীতিত নিয়োগ সাপেক্ষ বৃহৎ অৰ্থনৈতিক, খণ্ডীয় নীতি, বহনক্ষম উদ্যোগ আৰু কাম কৰাৰ চৰ্তৰ উন্নতি সাধনৰ (কামৰ শাৰীৰিক অৱস্থা আৰু কৰ্ম সময় উভয়তে) জৰিয়তে সংগঠিত অৰ্থনীতিত নিয়োগৰ উৎকৰ্ষ সাধনৰ বিষয়ত যতদূৰ সম্ভৱ আলোকপাত কৰা উচিত।

**শ্ৰম বিধেয়কত সন্মতি প্ৰদান আৰু সফল ৰূপায়ণ**

কাম কৰাৰ ন্যূনতম পৰিৱেশ উন্নত কৰা আৰু কামৰ অধিকাৰ ৰক্ষাৰ কাৰণে অসংগঠিত অৰ্থনীতিৰ লগত সম্পৰ্কিত শ্ৰম বিধেয়কত সন্মতি প্ৰদান আৰু সফল ৰূপায়ণৰ প্ৰয়োজন। শিশু শ্ৰমিক নিয়োগ, বলপূৰ্বক শ্ৰম অৱস্থা আৰু কাম কৰাৰ অধিকাৰ বিষয়ক অনুৰূপ অমাৰ্জিত উলংঘনৰ নিচিনা গোচৰবোৰত যথেষ্ট জৰিমনাৰ ব্যৱস্থা ৰাখি বাধ্যবাধকতা আৰু বলবৎকৰণ শক্তিশালী কৰা উচিত। বিভিন্ন শ্ৰম আইনৰ অধীনত সামৰি লোৱাৰ উদ্দেশ্যেৰে আৰম্ভণিৰ সীমাৱদ্ধতা হ্ৰাস কৰি সকলো কৰ্মী বা শ্ৰমিক আৰু অৰ্থনৈতিক গোটৰ বাবে প্ৰচলিত শ্ৰম আইনসমূহ ক্ৰমান্বয়ে সম্প্ৰসাৰণ কৰাৰো প্ৰয়োজন আছে। একেদৰে, অসংগঠিত অৰ্থনীতিৰ অধীনত থকা গোটসমূহ পঞ্জীয়নভুক্ত কৰিবলৈ আগবাঢ়ি অহাৰ কাৰণে উদগনি জনাবলৈ গোটসমূহৰ নথিপত্ৰ/পঞ্জীয়ন যুক্তিসিদ্ধ কৰাৰ বাবে জৰুৰী প্ৰয়োজন আছে।

**অসংগঠিত অৰ্থনীতিৰ শ্ৰমিক বা কৰ্মী আৰু উদ্যোগসমূহ দক্ষ কৰি তোলা**

শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে (এম অ' এল ই) ২০০৯ চনত গঠন কৰা ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নীতিৰ অধীনত অসংগঠিত অৰ্থনীতিৰ শ্ৰমিক আৰু উদ্যোগসমূহৰ পূৰ্বালোকন কৰা হয়। এই সামগ্ৰিক দক্ষতা আহিৰ্ৰ এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল অসংগঠিত অৰ্থনীতিৰ শ্ৰমিকৰ পূৰ্বৱৰ্তী শিক্ষণ/অৰ্হতাৰ স্বীকৃতি দিয়া আৰু মূল্যায়ণ কৰা আৰু তেওঁলোকৰ পূৰ্বৱৰ্তী শিক্ষণৰ প্ৰত্যয়িত কৰা। পূৰ্বৱৰ্তী শিক্ষণৰ এই ফলাফলভিত্তিক মূল্যায়ণে অসংগঠিত অৰ্থনীতিৰ শ্ৰমিকসকলক তেওঁলোক যে নিৰ্দিষ্ট নিৰূপিত কামৰ বাবে সমৰ্থ সেইটো প্ৰদৰ্শন কৰে আৰু তেওঁলোকক নিয়োগ গতিশীলতা প্ৰদান কৰে আৰু অধিক উপাৰ্জন কৰাত সহায় কৰে।

**অসংগঠিত অৰ্থনীতিৰ শ্ৰমিকসকললৈ সামাজিক সুৰক্ষা সম্প্ৰসাৰণ**

অসংগঠিত অৰ্থনীতিৰ শ্ৰমিক-সকললৈ স্বাস্থ্য, দুৰ্ঘটনা, প্ৰসূতিকালীন আৰু পতিহীনা আৰু বয়সস্থ সকললৈ পেঞ্চনৰ সুবিধা আদি সামাজিক সুৰক্ষা কল্যাণ আগবঢ়োৱা আৰু এইটো নিশ্চিত কৰা।

**সংগঠন, প্ৰতিনিধিত্ব আৰু সামাজিক আলোচনা আদিৰ উৎকৰ্ষ**

ভাৰত গণতান্ত্ৰিক আৰু মুক্ত উদ্যোগৰ অৰ্থনীতি হিচাপে ইয়াৰ কৰ্মী আৰু কৰ্মচাৰী সংগঠনসমূহ হ'ল গুৰুত্বপূৰ্ণ সামাজিক আৰু শ্ৰম বজাৰ প্ৰতিষ্ঠান। সাংবিধানিক আৰু আইনগত গাঁথনিয়ে মুক্ত, স্বাধীন আৰু বহুত্ব ঐক্য প্ৰদান কৰিছে। সি যি কি নহওক, এই ইতিবাচক ব্যৱস্থাসমূহ থকা সত্ত্বেও অসংগঠিত অৰ্থনীতিৰ মহিলা শ্ৰমিক, অনিয়মীয়া কৰ্মী, পদপথৰ দোকানী, প্ৰব্ৰজনকাৰী শ্ৰমিক, ঘৰত কাম কৰা লোক, গৃহ সহায়কাৰী আদি স্পৰ্শকাতৰ গোট-সমূহৰ প্ৰতিনিধিত্ব এতিয়াও কম। এই প্ৰতিনিধিত্বমূলক ব্যৱধান হ্ৰাস কৰাৰ প্ৰয়োজন আছে, যিটোৱে অসংগঠিত অৰ্থনীতিৰ শ্ৰমিক আৰু গোটৰ দৰদাম কৰা শক্তি শক্তিশালীকৰণৰ জৰিয়তে আনুষ্ঠানিকতাকৰণৰ বাবে সুবিধা আগবঢ়াব।

**বিত্ত যোগান, বজাৰ, ব্যৱস্থাপনা আৰু নতুন প্ৰযুক্তি বিদ্যাৰ কাৰণে ক্ষুদ্ৰ, সৰু আৰু মজলীয়া আকাৰৰ উদ্যোগত প্ৰৱেশৰ সম্প্ৰসাৰণ আৰু বিভিন্ন বিধিগত আৰু অন্যান্য প্ৰতিবন্ধক আঁতৰ কৰি সেইবোৰৰ উৎপাদন আৰু উৎপাদনৰ স্বাভাৱিক বিকাশৰ মাত্ৰা বঢ়োৱাত তেওঁলোকক সহায় কৰা।**

(৪৭ পৃষ্ঠাত চাওক)

# কেন্দ্ৰীয় চৰকাৰৰ 'দক্ষ ভাৰত' গঢ়াৰ পৰিকল্পনা

**ড° অনিল কুমাৰ শইকীয়া***

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত দক্ষতা উন্নয়নৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰি ইয়াৰ জটিলতা প্ৰসংগত উল্লেখ কৰা হৈছে যে— Skill development is critical for achieving faster, sustainable and inclusive growth on the one hand and for providing decent employment opportunities to the growing young population on the other.। ভাৰতবৰ্ষৰ সাম্প্ৰতিক সময়ৰ জনসাংখ্যিকীয় সুবিধালৈ লক্ষ্য কৰিলে ভাৰতবৰ্ষখন 'বিশ্বৰ দক্ষতাৰ ৰাজধানী' হিচাপে গঢ়ি উঠাৰ সম্ভাৱনা পূৰামাত্ৰাই আছে। কাৰিকৰীভাৱে দক্ষ শ্ৰম শক্তি সৃষ্টি কৰি একমাত্ৰ অৰ্থনীতি সমৃদ্ধ কৰাই নহয়, বিশ্বৰ আগবঢ়া ৰাষ্ট্ৰসমূহৰ সৈতে ফেৰ মাৰিব পৰা সামৰ্থ্য আছে। সেয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙে সঠিকভাৱেই কৈছিল— Young population is an asset only if it is educated, skilled and finds productive employment. যদিহে সঁচাকৈ এইয়া সম্ভৱ হয় তেনেহ'লে প্ৰতিবছৰে শতকৰা ১০ ভাগতকৈও অধিক সম্ভাৱনাপূৰ্ণ যুৱকক নিযুক্তি দিব পৰা যাব। ব'ষ্টন পৰামৰ্শ গোটৰ ২০০৭ চনৰ অধ্যয়ন এটাত প্ৰকাশ পাইছিল যে ২০২০ চনত ভাৰতে যেতিয়া ৫ কোটি ৬০ লাখ শ্ৰমিক ৰাহি কৰিব তেতিয়া বিশ্বই ৪ কোটি ৭০ লাখ শ্ৰমিকৰ অভাৱ অনুভৱ কৰিব। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত দক্ষতা কৌশলৰ আৰ্হি প্ৰস্তুত কৰি এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰা হৈছে, য'ত গুণগত, পদ্ধতিগত অথবা প্ৰতিষ্ঠান স্থাপন, চলিত দক্ষতা উন্নয়নৰ স্থিতি আৰু বিভিন্ন অৰ্থনৈতিক নীতিৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

দেশৰ মুঠ ঘৰুৱা উৎপাদনত গৌণ আৰু সহায়কাৰী খণ্ডৰ অৱদান আৰু জনসাংখ্যিকীয়ভাৱে উপলব্ধ সুবিধাক দক্ষতা উন্নয়নৰ কৌশল হিচাপে গ্ৰহণ কৰি এই পঞ্চবাৰ্ষিক পৰিকল্পনাই অৰ্থনীতিত এক গাঁথনিগত পৰিৱৰ্তন আনিব বিচাৰিছে। উল্লেখযোগ্য যে ২০২২ চনত ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় ৬৩ শতাংশই যুৱকৰ্মী হিচাপে পৰিচিত হ'ব। এনেধৰণৰ সুবিধা চীনদেশে মাত্ৰ ২০১৫ চনলৈকেহে ভোগ কৰিবলৈ পোৱাৰ বিপৰীতে ভাৰতে এই বৃহৎ পৰিমাণৰ শ্ৰমশক্তিৰ সুফল ২০৪০ চন পৰ্যন্ত লাভ কৰিব পাৰিব। দেশখনে যদিহে এই শ্ৰম শক্তিক দক্ষ আৰু প্ৰশিক্ষণ দি নিয়োগৰ উপযোগী কৰি তুলিব পাৰে তেনেহ'লে দেশখনৰ নিবনুৱা সমস্যা বহু পৰিমাণে লাঘৱ হোৱাই নহয়, আৰ্থিক বিকাশ হাৰো উৰ্দ্ধগামী কৰি তুলিব পাৰিব।

বিশ্বৰ প্ৰতিযোগিতাৰ বজাৰখনত নিযুক্তি দিব পৰাকৈ দক্ষতা উন্নয়নৰ নীতিসমূহৰ লক্ষ্য হৈছে— সকলো অঞ্চল, সামাজিক আৰু বিভিন্ন অৰ্থনীতিৰ খণ্ড, সকলো লিংগ আদি সামৰি উদ্ভাৱনমূলক দৃষ্টিভংগীৰে সমতাপূৰ্ণ প্ৰশিক্ষণ নিশ্চিত কৰি তোলা। সকলো ধৰণৰ ব্যৱসায়ৰ অংশীদাৰ, সামাজিক সংগঠনৰ অংশীদাৰ, বিদেশৰ অংশীদাৰ আৰু চৰকাৰী-বেচৰকাৰী যৌথ অংশীদাৰ সামৰি বৃহৎ মাত্ৰাত আৰু সক্ৰিয় সহযোগিতাত দক্ষতা উন্নয়ন সম্ভৱ কৰি তোলা আৰু এক উচ্চ গুণসম্পন্ন চাহিদা চালিত দক্ষ শ্ৰম শক্তি, উদ্যোগী, চলিত আৰু বিকশিত নিযুক্তিৰ বজাৰখনৰ বাবে উপযুক্ত কৰি তোলাত গুৰুত্ব প্ৰদান। দেশখনৰ বিভিন্ন মন্ত্ৰণালয়ৰ মাজত সক্ৰিয় আৰু বন্ধুত্বপূৰ্ণ সহযোগিতা, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত এক সম্প্ৰসাৰিত ৰূপত অংশদাৰিত্বৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা; গৱেষণা, উন্নয়ন, গুণগত নিশ্চয়তা, পৰীক্ষা আৰু মান-পত্ৰ প্ৰদান, অনুমতি প্ৰদান অথবা স্বীকৃতি প্ৰদান আৰু সমগ্ৰ দেশজুৰি দক্ষতা উন্নয়নৰ মূল্যাংকন কৰিব পৰাকৈ প্ৰতিষ্ঠানগত প্ৰক্ৰিয়া আৰম্ভ কৰা।

ৰাষ্ট্ৰীয় দক্ষতা নীতিৰ মহান লক্ষ্যসমূহৰ সম্পৰ্কত কোৱা হৈছে, যে 'Promoting the following forms of delivery of skill : institutional based skill development including ITI/Private/ITI, Vocational Schools, Technical Schools, Polytechnic Professional Colleges, leaving initiative of sectoral development

*ড° অনিল কুমাৰ শইকীয়া কাকজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক

organised by different ministries, formal and non-formal Apprentieship and other types of training by enterprise'ৰ উপৰি স্ব-নিযুক্তি আৰু উদ্যোক্তা উন্নয়নৰ প্ৰশিক্ষণ, প্ৰাপ্তবয়স্কৰ শিক্ষা, অৱসৰপ্ৰাপ্ত অভিজ্ঞ কৰ্মচাৰীক নিযুক্তি আৰু জীৱনজোৰা প্ৰশিক্ষণ, সভ্য সমাজৰ অনা-চৰকাৰী সংগঠনবিলাকক সামৰি অনানুষ্ঠনিক প্ৰশিক্ষণ, ৱেবছাইটৰ শিক্ষাৰ লগতে দূৰসংযোগ শিক্ষাক অন্তৰ্ভুক্ত কৰি দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত সম্ভৱ কৰি তুলিবলৈ প্ৰয়াস কৰা হৈছে।

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত গ্ৰহণ কৰা ৰাষ্ট্ৰীয় দক্ষতা উন্নয়ন অভিযানে যথেষ্ট সংখ্যক কৰ্ম আঁচনি যুগুতাইছিল যদিও বিগত সময়ছোৱাত বাৰ্ষিকীয় লক্ষ্যসমূহতে উপনীত হ'ব নোৱাৰিলে। পুঁজিৰ অভাৱকেই একমাত্ৰ জগৰীয়া কৰিলে নহ'ব, বিভিন্ন মন্ত্ৰণালয়ৰ দক্ষতা উন্নয়নৰ প্ৰতি থকা কাৰ্যকাৰিতাত অনীহা, পৰিকল্পিত কৰ্মসূচীৰ অভাৱ, বিভিন্ন মন্ত্ৰণালয়ৰ মাজত সমন্বয়হীনতা, পৰিচালনা সম্পৰ্কীয় শিথিলতা আদিবোৰৰ বাবে দক্ষতা উন্নয়ন অভিযান সফল তথা ফলপ্ৰসূ হৈ উঠা নাছিল। সেয়ে নতুন চৰকাৰে প্ৰথম বাজেটতে দক্ষতা উন্নয়নক অন্যতম অগ্ৰাধিকাৰ বিষয় হিচাপে চিনাক্ত কৰিছে।

কেইমাহমান আগত প্ৰধানমন্ত্ৰী মোডীয়ে সগৰ্বে ঘোষণা কৰিছিল যে— The country should be known as Skilled India instead of Scam India.। সেয়ে বিত্তমন্ত্ৰীয়ে এই বক্তব্য সৰোগত কৰি এক ৰাষ্ট্ৰীয় আঁচনি বাজেটখনত ঘোষণা কৰিছে যিখনক “দক্ষ ভাৰত” নামাকৰণেৰে সমাদৃত কৰিছে। ইয়াৰ লগত জড়িত হৈ আছে নিযুক্তিৰ সামৰ্থ্য আৰু ঔদ্যোগিক দক্ষতা। বিভিন্ন মন্ত্ৰণালয়ৰ অধীনত থকা এনে প্ৰশিক্ষণ আৰু নিয়োগ সম্পৰ্কীয় বিষয়বোৰ এই আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ দিছে। প্ৰশিক্ষণ সম্পৰ্কীয় প্ৰায়বোৰ আইন পৰিৱৰ্তনৰ ইংগিত দি বাজেটখন দক্ষ ভাৰত গঢ়াৰ বাবে অধিক উদ্যোগ আৰু যুৱাসকলৰ কাৰণে সংবেদনশীল কৰিব বিচৰা হৈছে।

বিশেষভাৱে উল্লেখনীয় যে প্ৰতিবছৰে ভাৰতবৰ্ষৰ শ্ৰম শক্তিত নতুনকৈ ১ কোটি ২০ লাখ যুৱক শ্ৰম বজাৰত প্ৰৱেশ কৰিছে, যিটো বিশ্বৰ আটাইতকৈ সুবৃহৎ যুৱ শ্ৰম শক্তি হিচাপে পৰিগণিত হৈছে। কিন্তু দুৰ্ভাগ্যজনক বিষয়টো হৈছে যে ইয়াৰ মাত্ৰ ২ শতাংশ যুৱকৰহে নিয়োগযোগ্য “প্ৰমাণিত সামৰ্থ্য” আছে। ইয়াৰ অৰ্থ হৈছে যে দেশখনৰ বৃহৎ শ্ৰম শক্তিক সম্পদ হিচাপে বাস্তৱত গঢ় দিয়াত সফল হ'ব পৰা নাই। উদ্যোগবিলাকে এই পৰ্যন্ত প্ৰকৃত বিনিয়োগযোগ্য শ্ৰমিকক নিযুক্তি দিবলৈ সক্ষম হোৱা নাই। যদিহে অতি সম্প্ৰতি এই যুৱকসকলক দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ দি নিযুক্তিৰ বাবে সক্ষম কৰি তোলা নহয়, তেনেহ'লে দেশখনৰ আৰ্থ-সামাজিক আনকি ৰাজনৈতিক দিশতো প্ৰৱলৰূপত অস্থিৰ অৱস্থা সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

সাধাৰণতে নিৰ্মাণ আৰু মূলধন সামগ্ৰী উৎপাদনী উদ্যোগসমূহত দক্ষ কাৰিকৰী লোকৰ অভাৱ বুলি কৈ অহা হৈছে, সেয়ে বিত্তমন্ত্ৰীয়ে এনে দক্ষ শ্ৰমিক সৃষ্টিৰ বাবে বাজেটখনত সুবিধা ৰাখিছে। ১৯৫৯ চনত প্ৰৱৰ্তন কৰা শিক্ষানবীচ প্ৰশিক্ষণ আঁচনিখন পুনৰ ১৯৬১ চনত আইন হিচাপে পৰিচিত হয় যদিও সেইখন আইন মুঠেই সন্তোষজনক নাছিল। আইনখনৰ বহুবোৰ দোষ-ত্ৰুটি আঙুলিয়াই দি বিত্তমন্ত্ৰীজনে— ‘উদ্যোগত নিয়োগ প্ৰশিক্ষণ সুবিধাসমূহৰ কিছুসংখ্যাক অব্যৱহৃত’ বুলি উল্লেখ কৰিছে। ইমান বছৰ ধৰি এই আঁচনিখনে মাত্ৰ ২.১ লাখ লোককহে দক্ষতাৰ প্ৰশিক্ষণ দিব পাৰিছিল। বাজেটখনত নতুন যুৱ নেতৃত্ব আৰু জীৱন গঢ়াৰ পৰামৰ্শ কেন্দ্ৰৰ বাবে বিনিময় কেন্দ্ৰৰ বাবদ ১০০ কোটি টকা ধাৰ্য কৰিছে। তথ্য প্ৰযুক্তি জ্ঞানৰ প্ৰশিক্ষণৰ বাবে বাজেটখনত ধাৰ্য কৰা ৫০০ কোটি টকাই ‘দক্ষ ভাৰত’ গঢ়াৰ প্ৰবল ইংগিত বহন কৰিছে বুলি ভাবিব পাৰি। ❒

# কৰ্মী জনসংখ্যাৰ অনুপাত আৰু অৰ্থনৈতিক উন্নয়ন

**মীৰা বালা বৰা***

২০৫০ চনত ব্ৰাজিল, ৰাছিয়া আৰু চীন আদি উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰত ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হ'ব বুলি সময়ে সময়ে বিভিন্ন অনুষ্ঠানৰ অধ্যয়নৰ তথ্য সংবাদ মাধ্যমত দেখিবলৈ পোৱা যায়।

জাৰ্মানীৰ Deutsche বেঙ্কৰ প্ৰতিবেদন "গোলকীয় উন্নয়ন কেন্দ্ৰসমূহ"ৰ মতে ভাৰতবৰ্ষ ২০২০ চনত বিশ্বৰ চাৰিটা অৰ্থনীতিৰ অন্যতম কেন্দ্ৰ হ'ব।

বিশ্ব বেঙ্কৰ প্ৰতিবেদন "ভাৰতবৰ্ষ আৰু প্ৰজ্ঞা অৰ্থনীতি"ৰ মতে ভাৰতত প্ৰজ্ঞাৰ ভিত্তিত মানৱ মূলধন গঠনে ভাৰতবৰ্ষৰ জনমূৰি আয় ২০০২ চনৰ ১,০০০ ডলাৰৰ পৰা ২০১০ চনত ৩,০০০ ডলাৰলৈ বৃদ্ধি কৰিব।

স্বাভাৱিকতে প্ৰশ্ন জাগে ভাৰতবৰ্ষৰ এনে স্থান বৰ্তমান পৰিস্থিতিত সম্ভৱ নে? তেনেহ'লে কিহৰ ভিত্তিত এনে ধৰণৰ তথ্য প্ৰকাশ কৰা হৈছে? বিশ্ব বেঙ্কৰ প্ৰতিবেদনত এই কথা স্পষ্ট হৈছে যে বৰ্তমান জ্ঞান ভিত্তিক অৰ্থনীতিত কৰ্মী জনসংখ্যা অৰ্থাৎ ১৫-৬৫ বছৰৰ ব্যক্তিক মানৱ মূলধনলৈ পৰিৱৰ্তনৰ দ্বাৰাই এনে উত্থান সম্ভৱ। নিউ ইয়ৰ্কৰ Goldman Sachs আৰু জাৰ্মানীৰ Deutsche বেঙ্কেও ভাৰতৰ মানৱ মূলধনৰ ওপৰত ভিত্তি কৰিয়েই এই তথ্য আগবঢ়াইছিল।

অৰ্থনৈতিক উন্নয়নৰ লগে লগে দেশ এখনৰ জনসংখ্যাৰ বয়সৰ গাঁথনিৰ পৰিৱৰ্তন ঘটে। প্ৰাৰম্ভিক অৱস্থাত দেশ এখনৰ জন্ম আৰু মৃত্যুৰ হাৰ দুয়োটা উচ্চ হোৱা বাবে জনসংখ্যাৰ পৰিৱৰ্তন নঘটে। দেশ এখন উন্নয়নৰ পথত আগবঢ়াৰ লগে লগে চিকিৎসা সেৱা উন্নয়ন আৰু জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নয়নৰ ফলত মৃত্যুৰ হাৰ দ্ৰুতভাৱে কমে যদিও জন্মৰ হাৰ নকমাত জনসংখ্যাৰ বিস্ফোৰণ ঘটে আৰু ০-১৪ বছৰৰ ল'ৰা-ছোৱালীৰ সংখ্যা বাঢ়ে। অৰ্থাৎ নিৰ্ভৰশীল জনসংখ্যাৰ অনুপাত মুঠ কৰ্মী জনসংখ্যাৰ তুলনাত বৃদ্ধি পায়। জনসংখ্যাৰ বৃদ্ধিৰ হাৰ সৰ্বাধিক হয়।

ইয়াৰ পাচৰ স্তৰত মৃত্যুৰ হাৰ হ্ৰাসৰ লগে লগে জন্মৰ হাৰ হ্ৰাস পাবলৈ ধৰে। শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস, শিক্ষাৰ প্ৰসাৰ, অধিক বয়সত বিবাহ, সন্তানক উপাৰ্জনৰ উৎস হিচাপে বিবেচনা কৰাৰ পৰিৱৰ্তে খৰচৰ স্থল হিচাপে বিবেচনা কৰা, একক পৰিয়ালত সন্তানক লালন-পালন কৰাৰ অসুবিধা আদিয়ে জন্মৰ হাৰ হ্ৰাস কৰে। ফলস্বৰূপে জনসংখ্যাৰ ৰূপান্তৰৰ এই তৃতীয় স্তৰত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ পূৰ্বৰ তুলনাত কিছু হ্ৰাস পায়। ইয়াৰ ফলত কৰ্মী জনসংখ্যাৰ অনুপাত বৃদ্ধি পাবলৈ ধৰে। উন্নয়নশীল ৰাষ্ট্ৰ চীনে এনে কৰ্মী জনসংখ্যাৰ সুবিধা ২০১৫ চনলৈকে লাভ কৰিবলৈ সক্ষম হ'ব। অন্যহাতে ভাৰতবৰ্ষই এনে সুবিধা ২০৪০ চনলৈকে লাভ কৰিবলৈ সক্ষম হ'ব (দ্বাদশ পৰিকল্পনা, ভাৰত)। এই বৰ্দ্ধিত জনসংখ্যাক স্বাস্থ্য, জ্ঞান আদিৰ সংযোগ ঘটাই মানৱ মূলধনলৈ পৰিৱৰ্তন ঘটালে জনসাংখ্যিক আয়ৰ যোগেদি দেশ এখনে উন্নতি লাভ কৰিবলৈ সক্ষম হ'ব। কে এছ জেমছ, বেহমেন আৰু এণ্ডাৰছনৰ মতে অৰ্থনৈতিক উন্নয়নত কৰ্মী জনসংখ্যাৰ শক্তিশালী ধনাত্মক প্ৰভাৱ আছে। ব্লুম আৰু উইলিয়ামছন (১৯৯৮)এ ৭৮ খন এছিয়া আৰু অনা-এছিয়া দেশসমূহৰ এটা অধ্যয়ন চলাই দেখুৱাইছিল যে পূব এছিয়াৰ দেশসমূহৰ এক-তৃতীয়াংশ অৰ্থনৈতিক উন্নয়নৰ ৰহস্য হ'ল এই জনসংখ্যাৰ পৰা উদ্ভৱ হোৱা আয়।

জনসংখ্যাবিদসকলৰ মতে বৰ্তমান এছিয়াৰ বহুতো দেশত জন্মৰ হাৰ হ্ৰাস পোৱাত ০-১৪ বছৰৰ ল'ৰা-ছোৱালীৰ সংখ্যা হ্ৰাস পাইছে। অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধিত কৰ্মী জনসংখ্যা অংশৰ পৰিমাণ বৃদ্ধি পাইছে। কৰ্মী জনসংখ্যাৰ পৰা উদ্ভৱ হোৱা এই আয়ক জনসাংখ্যিক লাভ পুৰস্কাৰ বা খিৰিকি বুলি কোৱা হয়। কৰ্মী জনসংখ্যাৰ তুলনাত নিৰ্ভৰশীল জনসংখ্যাৰ অনুপাত কম হোৱা বাবে দেশ এখনৰ নিৰ্ভৰশীল জনসংখ্যাৰ বাবে কৰিবলগীয়া খৰচ হ্ৰাস হয়। ফলস্বৰূপে স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি কৰি মানৱ মূলধন গঠন কৰিব পাৰে।

দেশখনত ০-১৪ বছৰৰ

*মীৰা বালা বৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা

নির্ভৰশীলতা হ্ৰাসৰ হাৰ একে নহয়। ভাৰতৰ গুজৰাট, কৰ্ণাটক, কেৰালা, পঞ্জাৱ আৰু তামিলনাডুত ১৯৬১-২০০১ চনলৈ ০-১৪ বছৰৰ ল'ৰা-ছোৱালী ১০ পইণ্ট হ্ৰাস পাইছে। অৰ্থাৎ কৰ্মীলোকৰ সংখ্যাত এই ১০ পইণ্ট অন্তৰ্ভুক্ত হৈছে। মহাৰাষ্ট্ৰ আৰু পশ্চিমবঙ্গৰ ০-১৪ বছৰৰ জনসংখ্যা প্ৰায় ৫ শতাংশ হ্ৰাস পাইছে। বিহাৰ, মধ্য প্ৰদেশ আৰু ৰাজস্থানত ইয়াৰ পৰিমাণ ৩ শতাংশ হ্ৰাস পাইছে। উত্তৰ প্ৰদেশত এই সময়ছোৱাত ল'ৰা-ছোৱালীৰ সংখ্যা সামান্য বৃদ্ধি পাইছে গতিকে উত্তৰৰ অঞ্চলসমূহে কৰ্মী জনসংখ্যাৰ সুবিধা অধিক সময়লৈ লাভ কৰিব।

তদুপৰি সততে উন্নয়ন প্ৰক্ৰিয়াৰ পৰা আঁতৰি থকা মহিলাসকলৰ শিক্ষাৰ উন্নয়ন, গৰ্ভধাৰণ হ্ৰাসে মহিলাসকলক অনা-আৰ্থিক কাম-কাজত ব্যস্ত থকাৰ পৰা কিছু মুক্ত কৰিব। তেওঁলোকেও মানৱ মূলধন গঠনত অৰিহণা যোগাই জনসাংখ্যিক আয় বৃদ্ধিত অৰিহণা যোগাব।

ভাৰতৰ কৰ্মী জনসংখ্যা কেনেদৰে বৃদ্ধি পাইছে আৰু পোৱাৰ সম্ভাৱনা আছে তাৰে এখন তালিকা তলত দিয়া হ'ল।

সময়ছোৱাত শ্ৰম শক্তিত অন্তৰ্ভুক্ত নহয়। পৰিয়ালৰ আয় বৃদ্ধি পোৱা বাবে মহিলাসকলে নিম্ন মানৰ কৰ্মত নিয়োজিত হ'বলৈ ইচ্ছা নকৰে। আনহাতে ১৫ বছৰৰ তলৰ ল'ৰা-ছোৱালী আৰ্থিক কাম-কাজত নিয়োজিত হৈ থাকে। তদুপৰি কৰ্মৰ অভাৱৰ বাবে কিছুসংখ্যক কৰ্মী জনসংখ্যা কৰ্মত নিয়োজিত হ'ব নোৱাৰে।

ভাৰতৰ একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত কোৱা হৈছে যদি সঠিক-ভাৱে কৰ্মী জনসংখ্যাৰ কৌশলভিত্তিক দক্ষতাৰ উন্নয়ন সাধন কৰিব পৰা যায় তেতিয়া হ'লে উক্ত জনসংখ্যাৰ পৰা আয় লাভ কৰিবলৈ সক্ষম হ'ব। যদিহে কৰিব পৰা নাযায় তেতিয়া হ'লে জন-সংখ্যাৰ দুঃস্বপ্নৰ সন্মুখীন হ'ব লাগিব।

মানৱ উন্নয়ন প্ৰতিবেদন মতে ২০১১ চনত ভাৰতত স্কুললৈ নোযোৱা শিশুৰ সংখ্যা আছিল ১৪ লাখ। ২০১১-১২ বৰ্ষত উচ্চ শিক্ষাত ভাৰতৰ নামভৰ্তিৰ অনুপাত বৃদ্ধি পাইছে যদিও ইয়াৰ পৰিমাণ হ'ল মাত্ৰ ১১%। সেই সময়ত বিশ্বত ইয়াৰ পৰিমাণ হ'ল ২৩.২% আৰু উন্নত দেশসমূহত ইয়াৰ অনুপাত হ'ল ৫৪.৬%। উচ্চ শিক্ষাৰ যোগেদিহে জ্ঞানভিত্তিক

**ভাৰতৰ কৰ্মী জনসংখ্যাৰ প্ৰক্ষেপণ**

| বৰ্ষ | মুঠ জনসংখ্যা (১৫-১৬ বছৰ) | কৰ্মী জনসংখ্যা (শতাংশৰ হিচাপত) |
|---|---|---|
| ২০০১ | ৬১.৯ কোটি | ৬০.২% |
| ২০২১ | ৯০.৮ কোটি | ৬৭.৮% |
| ২০২৬ | ৯৫.৮ কোটি | ৬৮.৪% |

**উৎস ঃ** ২০০৬ চনৰ মে'ৰ জনসংখ্যা প্ৰক্ষেপণৰ কাৰিকৰী গোটৰ প্ৰতিবেদন

উপৰোক্ত কৰ্মী জনসংখ্যাৰ তুলনাত দেশ এখনত শ্ৰম শক্তিৰ পৰিমাণ দৰাচলতে একে নহয়। কাৰণ উচ্চ শিক্ষাত নিয়োজিত ব্যক্তিসকল সেই

অৰ্থনীতি গঢ় দিয়া সম্ভৱ। উচ্চ শিক্ষাই গৱেষণা, প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ সুফল মানৱ জাতিৰ মঙ্গলৰ বাবে সু-প্ৰয়োগত সহায় কৰে। সেয়ে মানৱ সম্পদেই অৰ্থনৈতিক উন্নয়নৰ মূল ধাৰক আৰু বাহক। কাৰণ দেশ এখনৰ মানৱ সম্পদেহে ইয়াৰ প্ৰকৃতি প্ৰদত্ত সম্পদসমূহ সমুচিত অৰ্থনৈতিক কাৰ্যৰদ্বাৰা উন্নয়ন সম্ভৱ কৰি তোলে। বৰ্তমান প্ৰতিখন ৰাজ্যত একোখনকৈ আই আই টি আৰু আই আই এম স্থাপন কৰাৰ সিদ্ধান্ত লোৱাৰ লগতে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ গুণগত মান, গৱেষণা আৰু উদ্ভাৱনী ক্ষমতা বৃদ্ধি কৰাৰ বাবে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।। বিভিন্ন দিশত প্ৰয়োজন অনুযায়ী কৰ্মপটুতা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় বহুমুখী দক্ষতা অভিযান আৰম্ভ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। পৰ্যায়ক্ৰমে সকলো ৰাজ্যত 'এইমছ'ৰ আৰ্হিৰ উন্নত মানৰ চিকিৎসালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ লগে লগে উপযুক্ত মানৱ পৰিকল্পনাৰ ওপৰত গুৰুত্ব দিব লাগিব। সেয়ে নহ'লে প্ৰয়োজন অনুপাতে দক্ষ ব্যক্তিৰ অভাৱ ঘটিব।

দেশৰ কৰ্মী জনসংখ্যাৰ স্বয়ংক্ৰিয়-ভাৱে নিযুক্তি হৈ নাযায়। কৰ্মসংস্থাপন-হীন উন্নয়নৰ ফলত নিযুক্তি বৃদ্ধি নোপোৱাত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। বৰ্তমানৰ পুঁজিবাদী অৰ্থ ব্যৱস্থাই এই কৰ্মী জনসংখ্যাৰ উৎপাদিকা শক্তি বৃদ্ধি কৰাত সহায় নকৰা বাবে দেশখনে বৃহৎ জনসংখ্যাৰ উদ্বৃত্ত লাভ কৰিবলৈ সক্ষম হোৱা নাই। দেশখনৰ নিযুক্তিৰ স্থিতিস্থাপকতা '৯০ৰ দশকৰ পৰা হ্ৰাস পোৱা দেখা গৈছে। ১৯৭২-৭৩ চনৰ পৰা ১৯৭৭-৭৮ চনলৈ নিযুক্তিৰ স্থিতিস্থাপকতা আছিল ০.৫৯। এই পৰিমাণ ১৯৭৭-৭৮ৰ পৰা ১৯৮৩ চনত হয়গৈ ০.৫৩। ১৯৯৩-৯৪ৰ পৰা ১৯৯৯-২০০০ চনত হয়গৈ ০.১৬।

ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি পালেও দক্ষিণ এছিয়াৰ দেশবিলাক

(ভাৰত, পাকিস্তান, বাংলাদেশ, শ্ৰীলঙ্কা, নেপাল আৰু ভূটান)ৰ সামাজিক সূচক যেনে— জীৱনৰ প্ৰত্যাশা, ল'ৰা-ছোৱালীৰ টীকাকৰণ, অপুষ্টিজনিতা, শিশুৰ মৃত্যুৰ হাৰ আৰু ল'ৰা-ছোৱালীৰ শিক্ষা আদিলৈ চালে দেখা যায় ২০ বছৰৰ পূৰ্বে ভাৰতবৰ্ষ আছিল এই দেশসমূহৰ ভিতৰত দ্বিতীয়। কিন্তু বৰ্তমান ভাৰতৰ স্থান হ'ল তলৰ ফালৰ পৰা দ্বিতীয়। বিভিন্ন সমস্যা জৰ্জৰিত পাকিস্তানতকৈ মাত্ৰ ওপৰত। উক্ত সামাজিক সূচকসমূহে মানৱ উন্নয়নৰ সামৰ্থ্যৰ কথা নিৰ্দেশ কৰে। অৰ্থাৎ ভাৰতবৰ্ষ— বাংলাদেশ, নেপাল আৰু ভূটান আদি দেশতকৈও পাচপৰি গৈছে।

২০০৬ চনৰ এটা সমীক্ষা মতে ভাৰতৰ বাহিৰে জনবহুল বি আৰ আই চি দেশসমূহ (ব্ৰাজিল, ৰাছিয়া, ভাৰত আৰু চীন)ৰ প্ৰায় এশ শতাংশ লোকেই শিক্ষিত। কিন্তু ভাৰতৰ এক-পঞ্চমাংশ পুৰুষ আৰু এক-চতুৰ্থাংশ মহিলাই লিখা-পঢ়া কৰিব নোৱাৰে।

মানৱ উন্নয়ন প্ৰতিবেদন ২০১৩ৰ মতে ভাৰতৰ ৫৩.৭% জনসংখ্যা বা ৬১.২২ কোটি ব্যক্তি বহুমাত্ৰীয় দৰিদ্ৰতাত ভোগে আৰু ভাৰতবৰ্ষ নিম্ন মানৱ উন্নয়ন দেশৰ ভিতৰত অন্তৰ্ভুক্ত।

এই তথ্যসমূহে ভাৰতৰ জনসংখ্যাৰ পৰা উদ্ভৱ হ'ব পৰা সম্ভাব্য জনসাংখ্যিক আয়ৰ পৰিৱৰ্তে ভাৰতবৰ্ষই বৰ্দ্ধিত জনসংখ্যাৰ সম্ভাব্য প্ৰত্যাহ্বানৰ সন্মুখীন শীঘ্ৰে হ'ব লাগিব তাৰে প্ৰতিচ্ছবি দাঙি ধৰিছে। দৰিদ্ৰতা, অপুষ্টিজনিতা, নিবনুৱা, আয়ৰ অসমান বিতৰণ আৰু পৰিৱেশীয় সমস্যাই বহনযোগ্য উন্নয়নৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে আৰু কৰিব।

এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত দ্বাদশ পৰিকল্পনাত অনাকৃষি খণ্ডত ৫ কোটি নতুন কৰ্ম সৃষ্টিৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি প্ৰয়োজনীয় বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰা হৈছে।

বৃহৎ জনশক্তিক উপযুক্ত মানৱ পৰিকল্পনাৰ যোগেদি মূলধনী শক্তিলৈ ৰূপান্তৰিত কৰি উন্নয়নৰ জখলাত আগবাঢ়োতে বহনযোগ্য বিনিয়োগ বা পৰিৱেশ বন্ধু বিনিয়োগৰ ওপৰত গুৰুত্ব দিব লাগিব যাতে এই উন্নয়ন মানৱ জাতিৰ বাবে বুমেৰাং হৈ নপৰে। কাৰণ উন্নয়নে আনি দিয়া অধিক উৎপাদন আৰু উন্নত জীৱন-যাপনে পৃথিৱীৰ সম্পদৰ ওপৰতে শোষণৰ মাত্ৰা বৃদ্ধি কৰাৰ লগতে অপজাত দ্ৰব্যৰ নিক্ষেপণ বৃদ্ধি কৰে। পৃথিৱীৰ ধাৰণ ক্ষমতা আৰু নবীকৰণ ক্ষমতাৰ এটা সীমা আছে। গতিকে বৰ্দ্ধিত জনসংখ্যাৰ পৰা সুফল লাভ কৰোঁতে জীৱ বাসৰ বাবে অনুকূল পৰিৱেশ যাতে বৰ্তি থাকে তাৰ বাবে বহনযোগ্য উন্নয়নৰ ওপৰত গুৰুত্ব দিব লাগিব। তেহে দেশখনে কৰ্মী জনসাংখ্যিক আয়ৰ সুবিধা কৰিবলৈ সক্ষম হ'ব। ❐

---

**(৪২ পৃষ্ঠাৰ পৰা)**

পৰিশেষত এইটো মনত ৰাখিব লাগিব যে ভাৰতত অসংগঠিত অৰ্থনীতি সম্পূৰ্ণ অসমসত্ব আৰু বৰ্ণাঢ্য। অসংগঠিত অৰ্থনীতিৰ শ্ৰমিক আৰু গোটসমূহৰ অসমসত্বতা আৰু বৰ্ণাঢ্যতাই উপযুক্ত প্ৰৱেশৰ আহ্বান জনোৱাৰ লগতে কামত অধিকাৰ আৰু মৌলিক নীতিক সন্মান জনায়। তদুপৰি, অসংগঠিত অৰ্থনীতিত জীৱিকা আৰু উদ্যোগশীলতাৰ সুবিধা সুৰক্ষিত কৰাৰ প্ৰয়োজন আৰু অসংগঠিত অৰ্থনীতিৰ পৰা সংগঠিত অৰ্থনীতিলৈ ক্ৰমাগত আৰু সফল স্থান পৰিৱৰ্তন সহজসাধ্য কৰাৰ বাবে স্থান পৰিৱৰ্তনৰ ব্যয় ন্যূনতম কৰা আৰু লাভৰ পৰিমাণ সৰ্বোচ্চ কৰাৰ প্ৰয়োজন আছে।

(১) ১৯৯৯/২০০০ৰ পূৰ্বৱৰ্তী ৰাষ্ট্ৰীয় নমুনা জৰীপ সংস্থাই (এন এছ এছ অ') 'অসংগঠিত খণ্ড' শব্দ দুটা ব্যৱহাৰ কৰিছিল আৰু অৱশিষ্ট পদ্ধতি ব্যৱহাৰ কৰি অসংগঠিত খণ্ডৰ শ্ৰমিক সংখ্যা নিৰূপণ কৰিছিল।

(২) ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনৰ শ্ৰম শক্তি জৰীপত শ্ৰমিকসকলক সামাজিক সুৰক্ষা লাভেৰে সামৰি ল'বৰ বাবে বিবেচনা কৰা হৈছিল যদিহে (ক) নিয়োগকৰ্তাই সামাজিক সুৰক্ষা লাভ ৰূপায়ণ কৰিবৰ বাবে আংশিক বা সম্পূৰ্ণভাৱে বৰঙণি আগবঢ়ায়/দিহা কৰে/পৰিশোধ কৰে আৰু (খ) নিয়োজিত আৰু নিয়োগকৰ্তা উভয়েই যদি এই আঁচনিলৈ বৰঙণি আগবঢ়ায়।

(৩) অসংগঠিত খণ্ডত, সামাজিক সুৰক্ষাৰ পৰা বহিৰ্ভূত শ্ৰমিকসকল অসংগঠিত নিয়োগত গুৰুত্বপূৰ্ণ।

# অসমৰ এৰী শিল্প ঃ আৰ্থ-সামাজিক দিশৰ উন্নয়নত ইয়াৰ ভূমিকা

**ড° অন্নজ্যোতি গগৈ***

এৰী পলু পালন অসমত ক্ষুদ্ৰ কুটীৰ শিল্প হিচাপে পৰিগণিত। কৃষিকৰ্মৰ আগে-পাচে পলু পালন কৰাৰ উত্তম সময় হিচাপে বিবেচিত হয়। এৰী পলুৰ পৰা এৰী সূতা পোৱা যায়। এই এৰী পলুৰ বৈজ্ঞানিক নাম— Samia ricini, (Syn. Philosamia ricini, Attacus ricini)। ই ছেটাৰনিডি (Saturniidae) গোত্ৰ আৰু লেপিডপ্টেৰা (Lepidoptera) বৰ্গৰ অন্তৰ্গত। শ্ৰেণী— পতংগ (Insecta)। এৰী পলু সম্পূৰ্ণ ঘৰচীয়া প্ৰকৃতিৰ অৰ্থাৎ ঘৰৰ ভিতৰতেই ইহঁতৰ জীৱন-চক্ৰৰ আটাই-কেইটা দশা পাৰ হয়।

এৰী শব্দটো এৰা গছৰ পৰা উদ্ভৱ হৈছে। এৰা গছৰ (castor plant) সংস্কৃত নাম 'eranda'ৰ পৰা 'eri' শব্দটো লোৱা হৈছে। কিয়নো এৰা গছেই হ'ল এৰী পলুৰ মূল খাদ্য গছ।

ভাৰতৰ ভালেমান অঞ্চলত এৰী পলু পালন কৰা হয় যদিও অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত এই শিল্পৰ পয়োভৰ বেছি। মেঘালয়, মিজোৰাম, নাগালেণ্ড, মণিপুৰ আৰু অৰুণাচল প্ৰদেশৰ নামনি অংশতো এৰী পলুৰ খেতি কৰা হয়। তদুপৰি বৰাক উপত্যকাৰ হাইলাকান্দি আৰু কৰিমগঞ্জ মহকুমাতো সেৰেঙাকৈ এৰী পলু পালন কৰা হয়। সেইদৰে ত্ৰিপুৰাৰ সমতলভূমি, বিহাৰৰ মুজাফৰপুৰ, ভাগলপুৰ আৰু পুৰ্ণিয়া, পশ্চিমবঙ্গৰ কোচবিহাৰ আৰু জলপাইগুৰি তথা উৰিষ্যাৰ অংশবিশেষত কম-বেছি পৰিমাণে এৰী পলু পালন কৰা হয়।

এৰী পলু পালন বৃত্তি অসমৰ বিভিন্ন জনগোষ্ঠী, বিশেষকৈ পিচপৰা আৰু জনজাতীয় লোকৰ মাজত অধিক দেখা যায়। এই অঞ্চলত বাস কৰা ইণ্ডো-মংগোলীয় আৰু তিব্বতীয় বাৰ্মা উপজাতিৰ মাজত পৰম্পৰাগতভাৱে এৰী পালন কৰা হয়। সমতলভূমিৰ গঞাৰ মাজত এৰী পলু পালন আৰু সূতা কটাৰ বাবে যথেষ্ট জ্ঞান, অভিজ্ঞতা আৰু ঐতিহ্য থকাৰ বাবে এই পলু পালনত তেওঁলোক সফল হ'ব পাৰিছে। পৰম্পৰাগত বয়ন শিল্পৰ জৰিয়তে গাঁৱৰ বহুতো আৰ্থিকভাৱে অনগ্ৰসৰ লোকে উপাৰ্জনৰ বাট বিচাৰি পাইছে। এৰী পোহাৰ পৰা কাপোৰ বোৱালৈকে এই সকলোখিনি কাম সাধাৰণতে মহিলাই কৰে। ঘৰৰ ভিতৰত এৰী পলু পোহা হয় বাবে মহিলাসকলৰ পক্ষে অধিক সুবিধাজনক হয়।

অসমৰ সৰ্বসাধাৰণ লোকৰ সামাজিক জীৱনধাৰাৰ লগত এৰী পলু পালন ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। নুনী পাট পলুতকৈ অসমে এৰী আৰু মুগা পালনতহে স্বকীয়তা বজাই ৰাখিব পাৰিছে। এৰী আৰু মুগা পালনৰ বাবে উত্তৰ-পূব ভাৰতৰ জলবায়ু আৰু প্ৰাকৃতিক পৰিৱেশ অতি অনুকূল। দেশৰ মুঠ ৯৪% এৰী সূতা কেৱল অসমেই উৎপাদন কৰে। এৰী পলু পালন জনজাতীয় লোক, বিশেষকৈ বড়ো, ৰাভা, মিচিং, সোণোৱাল কছাৰী আৰু আহোম জনগোষ্ঠীৰ দৈনন্দিন জীৱনৰ এৰাব নোৱাৰা অংগ হৈ পৰিছে। এই সূতাক দৰিদ্ৰৰ উণ বা দৰিদ্ৰৰ ছিল্ক (poor man's silk) নামেৰেও অভিহিত কৰা হয়। অসমত এৰী সূতা এটা সময়ত যথেষ্ট সস্তা আছিল; তদুপৰি দুখীয়া, অৰ্থনৈতিকভাৱে অনগ্ৰসৰ লোকসকল এৰী শিল্পৰ লগত অতীজৰে পৰা জড়িত থকাৰ বাবেও 'দৰিদ্ৰৰ ছিল্ক' বুলি কোৱাৰ থল আছে।

এৰী পলু বহুচক্ৰীয় (multivoltine) আৰু বছৰেকত ইয়াৰ চাৰিৰ পৰা ছটা খেতি কৰিব পাৰি। ১,৫২৫ মিটাৰ উচ্চতালৈকে এৰী পলু পুহিব পৰা হয়। ইয়াৰ বনৰীয়া প্ৰজাতিবিধ Philosamia cynthia. (Syn. Attacus cynthia) উত্তৰ-পূব ভাৰতত বিস্তৃত-ভাৱে পোৱা যায়। বনৰীয়া আৰু ঘৰচীয়া— এই দুয়োবিধৰ মাজত মুক্ত-ভাৱে সংকৰণ (hybridization) হয়।

**খাদ্যগছ**

এৰাপলু বহুভক্ষী (polyphagous)। এই পলুৰ প্ৰধান খাদ্যগছ হ'ল এৰা। কোচৰু এৰী পলুৰ দ্বিতীয় বাছনিৰ খাদ্যগছ। এৰা আৰু কোচৰু গছৰ অভাৱত এৰী পলুৱে শিমলু আলু, অমিতা, গমাৰি, ভোট এৰা, বগৰী আদি গছৰ পাতো খায়। খাদ্যগছৰ ওপৰত নিৰ্ভৰ কৰি সূতাৰ বৰণ আৰু লেটাবাহৰ মানৰ তাৰতম্য ঘটে। এৰাপাত আটাইতকৈ উৎকৃষ্ট হিচাপে পৰিগণিত হয়। এৰাপাত খোৱা পলুৰ

*ড° অন্নজ্যোতি গগৈ ধেমাজি মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী

লেটাবাহ ডাঙৰ আৰু সূতাৰ পৰিমাণ বেছি হয়। তদুপৰি পলুৰ জীৱনকাল তুলনামূলকভাৱে চুটি হোৱাৰ বাবে কম শ্ৰমতে আশানুৰূপ সঁহাৰি লাভ কৰিব পৰা যায়।

সাধাৰণতে এৰা গছৰ খেতি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত ব্যাপক মাত্ৰাত কৰা নহয়। এই অঞ্চলৰ পলু পালকে অলপ-অচৰপ এৰা গছৰ খেতি কৰাৰ উপৰিও পতিত মাটি, ৰাস্তাৰ দাঁতি, ঘৰৰ চৌহদৰ অ'ত-ত'ত এৰাগছ নিজে নিজে গজি উঠা দেখা যায়। বীজৰ জৰিয়তে এৰা গছৰ বংশ বৃদ্ধি হয়। এৰা একবৰ্ষজীৱী উদ্ভিদ। অৱশ্যে কিছুমান এৰা গছ বহুবৰ্ষজীৱী প্ৰকৃতিৰ হয়। বৰণৰ ওপৰত নিৰ্ভৰ কৰি এৰাৰ দুটা প্ৰকাৰ পোৱা যায়। ৰঙা এৰা আৰু বগা এৰা।

ভাৰতৰ বিভিন্ন প্ৰদেশকে ধৰি পৃথিৱীৰ বহুতো দেশত তেল উৎপাদনৰ বাবে ব্যাপক মাত্ৰাত এৰা গছৰ খেতি কৰা হয়। বৃহৎ পৰিমাণৰ তেল পোৱা যায় অন্ধ্ৰ প্ৰদেশ, গুজৰাট, কৰ্ণাটক আৰু উৰিষ্যাৰ পৰা। বীজৰ পৰা তেল পোৱা হয়। এৰাতেল দ্ৰুতগতিৰ ইঞ্জিন আৰু উৰাজাহাজৰ পিছলকাৰী (lubricant) হিচাপে বহুলভাৱে ব্যৱহৃত হয়। তদুপৰি চাবোন, স্বচ্ছ কাগজ, ছপা চিয়াঁহী, বাৰ্ণিছ, নমনীয় বস্তু (plasticizer) প্ৰস্তুতিত এৰাতেল ব্যৱহৃত হয়। ঔষধ হিচাপেও এৰাতেল প্ৰয়োগ হয়। অৱশিষ্টখিনি সাৰ হিচাপে আৰু গছৰ কাণ্ড ইন্ধন বা কাগজৰ মণ্ড প্ৰস্তুতিত ব্যৱহৃত হয়। অৱশ্যে আমাৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলত কেৱল এৰী পলু পালনৰ বাবেহে এৰা গছ কামত ব্যৱহাৰ হোৱা দেখা যায়।

**জীৱন-চক্ৰ**

অন্যান্য পলুৰ দৰেই এৰী পলুৰ জীৱন চক্ৰ চাৰিটা দশাৰ মাজেদি পাৰ হয়। সেইকেইটা হ'ল কণী, পলু, লেটা (লেটাবাহৰ ভিতৰত) আৰু অৱশেষত মথ। জীৱন-চক্ৰ সম্পূৰ্ণ হ'বলৈ গ্ৰীষ্মকালত ৪৫-৫০ দিন আৰু শীতকালত ৮৫-৯০ দিন সময়ৰ প্ৰয়োজন হয়। পলু অৱস্থাৰ ব্যৱধান ঋতু অনুযায়ী ভিন ভিন হয়। নিম্নতম ১৭ দিন আৰু সৰ্বোচ্চ ৪৫ দিন লাগে। কণীৰ পৰা পৈণত অৱস্থাত উপনীত হ'বলৈ পলু আৰু লেটা অৱস্থা অতিক্ৰম কৰি সম্পূৰ্ণ ৰূপান্তৰ ঘটে। পলুৰ (larva) জীৱন-চক্ৰত পাঁচটা দশা পাৰ হ'বলগীয়া হয়। পলু অৱস্থাত চাৰিবাৰ মোট (moulting) সলায়। মোট সলোৱাৰ সময়ত পলুৱে পাত নাখায় আৰু লৰচৰ নকৰি একেথৰে থাকে, মূৰটো কিছু পৰিমাণে ওপৰলৈ ৰাখে আৰু দেহৰ বাকী অংশ চুটি হয়। এই অৱস্থা ২৪-৪৮ ঘণ্টালৈকে থাকিব পাৰে। উষ্ণতা আৰু আৰ্দ্ৰতা বেছি হ'লে পলুৰ মোট সলোৱা সময় চুটি আৰু নিম্ন উষ্ণতাত মোট সলোৱা সময় দীঘলীয়া হয়। মোট সলোৱাৰ ফলত পলুৰ পুৰণি ছালখন এৰাই যায় আৰু পলুক সতেজ লাগে।

**বিভিন্ন ঋতুত এৰী পলুৰ জীৱন-চক্ৰৰ সময়ৰ ব্যৱধান**

| অৱস্থা | গ্ৰীষ্মকাল (দিন) | শীতকাল (দিন) |
|---|---|---|
| কণী (egg) | ৭-১০ | ১৫ |
| পলু (larva) | ১৭ | ৪৫ |
| লেটাবাহ বন্ধা (cocoon spinning) | ৩ | ৫ |
| লেটাৰ পূৰ্বাৱস্থা আৰু লেটা (prepupal and pupal) | ১৩ | ১৮ |
| পৈণত (adult) | ৫ | ৭ |
| মুঠ | ৪৫-৫০ | ৮৫-৯০ |

কণী ফুটি পলু ওলাই অহা কাৰ্য (hatching) সাধাৰণতে ৰাতিপুৱা ভাগত হয়। পলু পকা আৰু মথ লেটাবাহৰ পৰা ওলোৱা কাম দিনৰ ভাগত ঘটে। চকৰা-চকৰীৰ মিলন আৰু ডিম্ব নিক্ষেপণ (coupling of moths and oviposition) ৰাতি হয়। আনহাতে পলুৰ মোট সলোৱা কাৰ্য গোটেই দিনটো চলি থাকে। মথ বা পখিলা লেটাবাহৰ পৰা ওলোৱা পাঁচৰ পৰা সাদিনৰ ভিতৰত মৰি যায়। সেইকেইদিনত সিহঁতে একো নাখায়।

**পাত খোৱাৰ পৰিমাণ**

পলুৰ সমগ্ৰ জীৱন-চক্ৰত পাঁচটা ৰূপেই হ'ল খোৱা অৱস্থা। জীৱনকালৰ বাকী অৱস্থা যেনে লেটাবাহ বন্ধা, পৈণত মথৰ বাবে পুষ্টি আৰু শক্তি আহৰণৰ বাবে পলু অৱস্থাই হ'ল একমাত্ৰ উৎস। পলুৰ পঞ্চম ৰূপত পাত খোৱাৰ পৰিমাণ বেছি হয় (প্ৰায় ৮৫%)। আনহাতে পলুৰ অন্যান্য ৰূপকেইটাত পাত খোৱাৰ হাৰ কম।

পলুক সতেজ পাত দিনে তিনি-চাৰিবাৰলৈকে দিব লাগে। পঞ্চম ৰূপৰ পলুক পাঁচবাৰলৈকে পাত দিয়া উচিত। কুমলীয়া পাত চতুৰ্থ আৰু পঞ্চম অৱস্থাৰ পলুক দিব নালাগে। সেইদৰে কেঁচুৱা পলুক পূৰঠ পাত দিয়া ভাল নহয়। পলুক তিতা, লেতেৰা, ধূলি-বালি লগা,

**পাত খোৱাৰ পৰিমাণ**

| ৰূপ (instar) | I | II | III | IV | V |
|---|---|---|---|---|---|
| % হাৰত পাত খোৱাৰ মান | ০.২ | ০.৫ | ২.৬ | ১১.৬ | ৮৫.০ |
| প্ৰতিটো ৰূপৰ দিনৰ সংখ্যা | ৩ | ৩ | ৩ | ৩ | ৫ |

বেমাৰে আক্ৰমণ কৰা, পচি যোৱা, ফটা-ছিটা, শুকান বা পকা হালধীয়া পাত দিব নালাগে। এবাৰত অতি বেছি পাত দিয়াও বেয়া।

পলু পকিলে সিহঁতে খাবলৈ এৰে আৰু জুমৰ পৰা ওলাই আহি নিৰ্জন ঠাইৰ সন্ধানত ঘূৰে। পকা পলুৰ ওজন কম আৰু স্বচ্ছ। বাহ বান্ধিবলৈ পলুক ‘জালী’ত (শুকান পাতৰ জোঁট বান্ধি) দিব লাগে। ‘জালী’ৰ বাবে সাধাৰণতে নাহৰ, কল, আম, এজাৰ গছৰ শুকান পাতৰ সৈতে সৰু ঠেঙুলি বা বাঁহ গছৰ আগ নিৰ্বাচন কৰা হয়।

**এৰী সূতা আৰু লেটাৰ ব্যৱহাৰ**

অসমত এৰী পলু পোহাৰ উদ্দেশ্য দুটা। প্ৰথমটো এৰী সূতাৰ ব্যৱহাৰ আৰু দ্বিতীয়টো ভক্ষণীয় লেটা। এৰী সূতা উৎপাদনত অসম দেশৰ ভিতৰতে শীৰ্ষস্থানত আছে। এৰী চাদৰৰ ব্যৱহাৰ সৰ্বজনবিদিত। স্থায়িত্বৰ বাবে প্ৰখ্যাত এৰী কাপোৰ ঠাণ্ডা দিনত গৰম কাপোৰ হিচাপে বহুলভাৱে ব্যৱহাৰ হয়। গ্ৰাম্য অঞ্চলত এৰী কাপোৰৰ চাহিদা অধিক। আজিকালি এৰী সূতা অন্যান্য সূতাৰ লগত মিহলাই (যেনে মুগা) ফুলাম চাদৰ-মেখেলা কৰি বছৰৰ সকলো সময়তে পিন্ধাৰ উপযোগীকৈ বৈ লোৱা হয়। এনে কাপোৰৰ সমাদৰ তথা বজাৰ মূল্য যথেষ্ট বেছি। এৰী কাপোৰৰ মূল্য ঋতু আৰু গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি নিৰূপণ কৰা হয়। এখন এৰী চাদৰৰ দাম আঠশৰ পৰা বাৰশ টকা পৰ্যন্ত হয়। এৰীসূতা মিহলাই বোৱা ফুলাম মেখেলা-চাদৰৰ দাম দুহেজাৰৰ পৰা তিনি হাজাৰ টকালৈকে হয়। দুখীয়া পলু পালকে অৱশ্যে অভাৱৰ দিনত নিচেই কম দামতো এৰী কাপোৰ বিক্ৰী কৰা দেখা যায়।

কিছুমান জনগোষ্ঠীৰ বাবে এৰীলেটা উত্তম খাদ্য। লেটা প্ৰ’টিনৰ সু-উৎসস্বৰূপ।

**সামৰণি ঃ**

এৰী পলু পুহি, সূতা উৎপাদন কৰি, কাপোৰ বৈ বিক্ৰী কৰি অৰ্থনৈতিকভাৱে যথেষ্ট পৰিমাণে লাভৱান হ’ব পাৰি। মাথোঁ তাৰ বাবে লাগিব আত্মবিশ্বাস, কাম কৰাৰ আগ্ৰহ তথা ইচ্ছাশক্তি। আজৰি পৰত মহিলাসকলে এনেয়ে শুই-বহি সময় নষ্ট নকৰি দৈনন্দিন কামৰ মাজতে এৰী পলু পালন কৰি দুই-এপইচা অৰ্জন কৰিলে অৰ্থনৈতিকভাৱে পৰিয়ালটো লাভৱান হ’ব আৰু নিজেও কিছু পৰিমাণে স্বাৱলম্বী হ’ব পাৰিব।

চৰকাৰী, বেচৰকাৰী সংস্থা তথা ব্যক্তিগত পৰ্যায়ত অহোপুৰুষাৰ্থ প্ৰচেষ্টা চলালে অসমত এৰী শিল্পই গা কৰি উঠিবলৈ সক্ষম হ’ব। সংশ্লিষ্ট সকলো পক্ষৰ সুবুদ্ধিৰ ফলত তেতিয়া ৰেচম শিল্পই অসমীয়া সমাজৰ বৰপীৰাত বহিবলৈ সক্ষম হ’ব। কিয়নো অসমত এৰী শিল্পৰ সম্ভাৱনীয়তা অতিশয় উৎসাহজনক। ❐

*‘পয়োভৰা’ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ’লে ‘পয়োভৰা’ত প্ৰকাশ কৰা হ’ব।*

# ধুবুৰী জিলাৰ পথ পৰিবহন আৰু ইয়াৰ সম্ভাৱনা

ড° কিংশুক চক্ৰৱৰ্তী*

অসমৰ পশ্চিম প্ৰান্তত থকা ধুবুৰী জিলাখন হৈছে এখন বুৰঞ্জীপ্ৰসিদ্ধ ঠাই। এটা সময়ত ই আছিল অবিভক্ত গোৱালপাৰা জিলাৰ সদৰ। ১৯৮৩ চনত পুৰণি গোৱালপাৰা জিলাখন চাৰিটা ভাগত বিভাজন হয়। ধুবুৰী হৈছে ইয়াৰ অন্যতম জিলা। ইয়াৰ আয়তন হৈছে ১৬৬৪.১০ বৰ্গ কিলোমিটাৰ। ইয়াৰ তিনিটা মহকুমা আছে। যথাক্ৰমে ধুবুৰী (সদৰ), বিলাসীপাৰা আৰু মানকাচৰ। ২০১১ চনৰ লোকপিয়ল মতে, ইয়াৰ মুঠ জনসংখ্যা হৈছে ১৯৪৮৬৩২। ইয়াৰে ৯৯৮৩৪৬ জন পুৰুষ আৰু ৯৫০২৮৬ মহিলা। জিলাখন হৈছে অসমৰ ভিতৰত দ্বিতীয় জনঘনত্বৰ অঞ্চল। ইয়াৰ প্ৰতি বৰ্গ কিলোমিটাৰত ১১৭১ জন মানুহ বসবাস কৰে। শিক্ষিতৰ হাৰৰ দিশৰ পৰা ধুবুৰী জিলাখন হৈছে অসমৰ আটাইতকৈ পিচপৰা জিলা। এই জিলাৰ সাধাৰণ শিক্ষিতৰ হাৰ হৈছে ৫৪.২৬ শতাংশ।

ধুবুৰী জিলাৰ অৰ্থনীতি সম্পূৰ্ণৰূপে কৃষিনিৰ্ভৰ। জিলাখনৰ মুঠ ভৌগোলিক অঞ্চল ২৩৬১২৬ হেক্টৰৰ ভিতৰত ১৩০০৩৪ হেক্টৰত খেতি কৰা হয়। জিলাৰ মুখ্য কৃষি ফচল হৈছে সৰিয়হ, পাট আৰু ধান। জিলাখনত কোনো উদ্যোগ নাই। মজলীয়া আৰু সৰু কিছুমান উদ্যোগ বিক্ষিপ্তভাৱে অ'ত ত'ত সিঁচৰতি হৈ আছে। তথাপি জিলাখনৰ দৰিদ্ৰতা সমস্যা এতিয়ালৈকে সমাধান হোৱা নাই বৰং ই উন্নয়নৰ ক্ষেত্ৰত ডাঙৰ হেঙাৰ হিচাপে দেখা দিছে। কিন্তু আচৰিত হ'লেও সঁচা যে জিলাখনৰ এটা ডাঙৰ সম্ভাৱনা আছে।

ধুবুৰী জিলাখন হৈছে আন্তঃৰাজ্যিক আৰু আন্তঃৰ্জাতিক বাণিজ্যৰ এটা গুৰুত্বপূৰ্ণ অঞ্চল। জিলাখনৰ লগত লগ লাগি আছে পশ্চিম বংগ আৰু মেঘালয় ৰাজ্য। আনহাতে, ইয়াৰ লগত লাগি থকা অন্যতম প্ৰতিৰেশী ৰাষ্ট্ৰ হৈছে বাংলাদেশ। ভূটান আৰু নেপাল ৰাষ্ট্ৰও ইয়াৰ পৰা দূৰত নহয়। ইয়াৰ বাহিৰে ধুবুৰী জিলাৰ ওচৰত আছে গোৱালপাৰা, বঙাইগাঁও আৰু কোকৰাঝাৰ জিলা। এই প্ৰতিটো অঞ্চলৰ লগত বাণিজ্যৰ সম্পৰ্ক গঢ়ি তুলিবলৈ প্ৰয়োজন সুদৃঢ় বুনিয়াদী সা-সুবিধাৰ। ইয়াৰ ভিতৰত পৰিবহন ব্যৱস্থা অন্যতম। ধুবুৰী জিলাৰ পথ পৰিবহন ব্যৱস্থাৰ এটা চমু বিৱৰণ ১নং তালিকাত দিয়া হৈছে। তালিকাৰ পৰা স্পষ্ট হয় যে ২০১০-১১ চনত জিলাখন ৫৬ কিলোমিটাৰ ৰাজ্যিক ঘাইপথ, ৫৩ কিলোমিটাৰ মুখ্য জিলাপথ, ৮৫০ কিলোমিটাৰ গাঁৱলীয়া পথ আৰু ৩৮ কিলোমিটাৰ নগৰীয়া পথৰ অগ্ৰগতি হৈছে। ধুবুৰীৰ নিচিনা এটা সম্ভাৱনাপূৰ্ণ অঞ্চলৰ বাবে এই অগ্ৰগতি অতি লেহেমীয়া বুলি ক'ব পাৰি। (২) নম্বৰ তালিকাৰ পৰা স্পষ্ট হয় যে জিলাখনৰ প্ৰতি এক লাখ জনসংখ্যাত পথৰ দৈৰ্ঘ্য হৈছে ৫১.১৮ কিলোমিটাৰ য'ত অসমৰ ক্ষেত্ৰত ইয়াৰ পৰিমাণ হৈছেগৈ ১২৭.৬৯ কিলোমিটাৰ। অৱশ্যে প্ৰতি ১০০ বৰ্গ কিলোমিটাৰত ধুবুৰীৰ বাট-পথৰ দৈৰ্ঘ্য হৈছে ৫৯.৯৩ কিলোমিটাৰ। সমগ্ৰ ৰাজ্যত ইয়াৰ পৰিমাণ হৈছেগৈ ৫০.৭৪ কিলোমিটাৰ। গাঁৱলীয়া বাট নিৰ্মাণত ধুবুৰী এতিয়াও পিচপৰি আছে। গাঁৱলীয়া পকী পথ নিৰ্মাণ এই মুহূৰ্তত

তালিকা- ১ ঃ **ধুবুৰী জিলাৰ পথৰ প্ৰকাৰ, ২০১০-১১**

| | ৰাজ্যিক ঘাইপথ | মুখ্য জিলা পথ | গাঁৱলীয়া পথ | নগৰীয়া পথ |
|---|---|---|---|---|
| ধুবুৰী | ৫৬ | ৫৩ | ৮৫০ | ৩৮ |
| অসম | ৩১৩৩ | ৪৪১৫ | ৩০৮৪৪ | ১৪০৮ |

তালিকা- ২

| | মুঠ পথ | প্ৰতি লাখ জনসংখ্যাত | প্ৰতি ০০ বৰ্গ কি.মি.ত |
|---|---|---|---|
| ধুবুৰী | ৯৯৭ | ৫১.১৮ | ৫৯.৯৩ |
| অসম | ৩৯৭৯৭ | ১২৭.৬৯ | ৫০.৭৪ |

**উৎস** ঃ ২০১১, পৰিসংখ্যা হাতবহী

*কিংশুক চক্ৰৱৰ্তী বিলাসীপাৰা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক

আটাইতকৈ প্ৰয়োজনীয়। কিয়নো জিলাখনৰ ৮০ ভাগৰ অধিক লোক গাঁৱত থাকে আৰু জিলাখনৰ অৰ্থনীতি গাঁও নিৰ্ভৰ।

অসমত থকা ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য হৈছে ৩০৬৯ কিলোমিটাৰ। ধুবুৰী জিলাৰ মাজেদি যোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ ঘাইপথটো হৈছে ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। ই বহলপুৰত (অসম) সোমাইছে আৰু বক্সিৰহাট (পশ্চিমবংগ) হৈ ওলাই গৈছে। এই ঘাইপথে প্ৰত্যক্ষভাৱে চুই গৈছে চাপৰ, বহলপুৰ, ধীৰঘাট, বাঙ্গালীপাৰা, নয়াহাট, পাণবাৰী, আলমগঞ্জ, গৌৰীপুৰ, হালাকুৰা, আগমনী, ছাগলীয়াৰ দৰে উল্লেখযোগ্য অঞ্চলক। ইয়াৰ বাহিৰে ধুবুৰী, সাপটগ্ৰাম, বিলাসীপাৰা, গোলকগঞ্জ আদি অঞ্চল ৩১নং ঘাইপথৰ লগত ৰাজ্যিক ঘাইপথেৰে সংযোজিত হৈছে। ৩১নং ঘাইপথটোৱে গুৱাহাটী আৰু অসমৰ অইন জিলাবোৰৰ বাণিজ্যৰ বাবে উল্লেখযোগ্য পথ হিচাপ কাম কৰিছে। কিবা কাৰণত ধুবুৰী জিলাৰ ৩১নং ৰাষ্ট্ৰীয় ঘাইপথটো সাময়িকভাৱে বন্ধ হৈ গ'লে গুৱাহাটীৰ বজাৰত তীব্ৰ নাটনিৰ সৃষ্টি হয়। আন্তৰ্জাতিক বাণিজ্যৰ বাবে ধুবুৰীৰ দুটা গুৰুত্বপূৰ্ণ অঞ্চল হ'ল গোলকগঞ্জৰ সোণাৰহাট আৰু মানকাচৰ। মানকাচৰৰ যোগেদি বাংলাদেশৰ লগত নিয়মিত বাণিজ্য হৈছে যদিও সোণাৰহাট কেন্দ্ৰটো তেনেকৈ সুচল হোৱা নাই। অৱশ্যে ইয়াৰ বুনিয়াদী সা-সুবিধা গঠনৰ ওপৰত ৰাজ্য চৰকাৰে গুৰুত্ব দিছে। এই দুটা বাণিজ্য কেন্দ্ৰৰ মুখ্য মাধ্যম হ'ল পথ পৰিবহন ব্যৱস্থা। অৱশ্যে ধুবুৰীৰ পৰা বাংলাদেশ হৈ কলকাতালৈ অহা-যোৱাৰ ৰে'ল পৰিবহনৰ ব্যৱস্থা স্বাধীনতাৰ আগতে আছিল যদিও ই এতিয়া সম্পূৰ্ণ-ৰূপে বন্ধ হৈ আছে। ইয়াক পুনৰুজ্জীৱিত কৰাটো একান্ত প্ৰয়োজনীয় হৈ পৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা আঁচনি হ'ল 'পূবলৈ চোৱা নীতি'। অসমক উত্তৰ-পূৱৰ প্ৰৱেশ দুৱাৰ বুলি কোৱা হয়। এই ক্ষেত্ৰত ধুবুৰী জিলাক গুৰুত্ব দিব লাগিব। কিয়নো গোটেই দেশৰ অন্যান্য অঞ্চলৰ লগত উত্তৰ পূৰ্বাঞ্চলক সংযোগ কৰি ৰাখিছে ধুবুৰী জিলা আৰু কোকৰাঝাৰ জিলাৰ সামান্য অংশই। অৰ্থাৎ স্থল পথেৰে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ভাৰতৰ আন ঠাইলৈ যাবলৈ হ'লে ধুবুৰী জিলা হৈ যাবই লাগিব। পূবলৈ চোৱা নীতিৰ আধাৰত নিৰ্মীয়মান চাৰি লেনযুক্ত ইষ্ট-ওৱেষ্ট ক'ৰিডৰৰ সীমা হৈছে শ্ৰীৰামপুৰ - গুৱাহাটী - নগাঁও - শিলচৰ। অৰ্থাৎ মুঠ ৬৭০ কিলোমিটাৰ। ইয়াৰ কাম পূৰ্ণ উদ্যমত চলিছে, ২০১৫ চনত ই সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ এটা পৰ্যায় ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংযোগ কৰা হৈছে। বিশেষকৈ বক্সিৰহাটৰ পৰা ব্ৰহ্মপুত্ৰ নদৰ লগত ইয়াক সংযোগ কৰা হৈছে। ইয়াত নতুনকৈ ঘোষণা কৰা পথ হৈছে ৰাষ্ট্ৰীয় ঘাইপথ ১২৭ বি আৰু ইয়াৰ সীমা হৈছে শ্ৰীৰামপুৰ - ধুবুৰী - ফুলবাৰী (ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে ব্ৰহ্মপুত্ৰ নদৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া দলং)।

ধুবুৰীত প্ৰচুৰ পৰিমাণে কৃষিজাত সামগ্ৰী উৎপাদন হয়, যিবোৰ দেশ আৰু বিদেশৰ বজাৰত বিক্ৰী কৰি খেতিয়ক-সকলে ন্যায্য মূল্য লাভ কৰিব পাৰে। ধুবুৰীত প্ৰচুৰ পৰিমাণে উৎপাদন হোৱা কৃষি পণ্য হৈছে মৰাপাট, সৰিয়হ, ধান, বিভিন্ন শাক-পাচলি আৰু ফল-মূল। ইয়াৰ বাহিৰেও ধুবুৰীৰ পৰা বিভিন্ন প্ৰস্তুত সামগ্ৰী পথ পৰিবহনৰ যোগেদি ৰাজ্যিক আৰু আন্তৰ্জাতিক বজাৰত যোগান ধৰিব পাৰি। যেনে— নিমখ, চিমেণ্ট, ইটা, প্ৰস্তুত কাপোৰ, বৈদ্যুতিক সামগ্ৰী আদি। অৰ্থাৎ খুচুৰা আৰু পাইকাৰী ব্যৱসায় পথ পৰিবহনৰ যোগেদি সম্প্ৰসাৰিত কৰিব পাৰি। ইমান সম্ভাৱনা থকা সত্ত্বেও ধুবুৰীৰ পথ পৰিবহনক এতিয়ালৈকে ব্যৱহাৰ কৰা হোৱা নাই। কিছুমান ঠাইত ৰাষ্ট্ৰীয় ঘাইপথৰ জৰাজীৰ্ণ অৱস্থাই যানবাহনৰ দ্ৰুত চলাচল ব্যাহত কৰিছে। ভিতৰুৱা গাঁও অঞ্চলত; বিশেষকৈ চৰ অঞ্চলবোৰৰ পথ পৰিবহন ব্যৱস্থা এতিয়ালৈকে উন্নত হোৱা নাই। এই প্ৰেক্ষাপটত 'পূবলৈ চোৱা নীতি'য়ে ধুবুৰী জিলাৰ আৰ্থ-সামাজিক অৱস্থাক কিমান উপকৃত কৰিব সেয়া চিন্তনীয় বিষয়। উপযুক্ত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰী নীতিয়ে এই প্ৰতিবন্ধকতাবোৰ আঁতৰ কৰি সম্ভাৱনাবোৰক আশানুৰূপভাৱে ব্যৱহাৰ কৰিব পাৰিব বুলি আশা কৰিব পাৰি। ❐

# অৰ্থনৈতিক সংস্কাৰ আৰু বিদেশী পুঁজি বিনিয়োগ

**যতীন শইকীয়া***

১৯৮৮ চনৰ ‘গেট’ৰ (GATT)ৰ উৰুগুৱে বৈঠকতে বিশ্ববাণিজ্য সংস্থা এটা গঠন কৰাৰ হকে গেটৰ অন্তৰ্ভুক্ত দেশসমূহে সিদ্ধান্ত গ্ৰহণ কৰিছিল। গেটৰ দৰে এটা অনুষ্ঠান থকা সত্ত্বেও অন্য এটা বাণিজ্য সংস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ কাৰণ হ’ল গেটৰ বিশ্ববাণিজ্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত থাকিবলগীয়া ক্ষমতা নাছিল। গেট আছিল দিহা-পৰামৰ্শ দিব পৰা অনুষ্ঠানহে। গতিকে বিশ্ববাণিজ্য পৰিসৰ বৃদ্ধি হৈ অহাৰ কাৰণে আৰু বিশ্বৰ সকলো বিষয়তে দ্ৰুত পৰিৱৰ্তন হৈ অহাৰ লগে লগে বেহা-বেপাৰৰ ক্ষেত্ৰতো পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপখোৱাকৈ বিশ্ববাণিজ্যৰ ক্ষেত্ৰতো বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিবলগীয়া হয়। আশীৰ দশকৰ আগলৈ অংশগ্ৰহণকাৰী দেশৰ দ্বাৰা স্বাক্ষৰিত হোৱা গেট চুক্তিখনকেই বিশ্ববাণিজ্য সংস্থাৰ আধাৰ হিচাপে গ্ৰহণ কৰা হয়। নৱৈৰ দশকৰ প্ৰাৰম্ভতে বিশ্ববাণিজ্য সংস্থাৰ চনদ স্বাক্ষৰিত হয় আৰু ১৯৯৫ চনৰ পহিলা জানুৱাৰীৰ পৰা বিশ্ববাণিজ্য সংস্থাৰ ব্যৱস্থাসমূহ কাৰ্যকৰী হয়।

বিশ্ববাণিজ্য সংস্থাৰ চনদত বহু বিষয় সন্নিৱিষ্ট হৈ আছে। সকলো বিষয় দেশসমূহৰ আৰ্থিক উন্নয়নৰ কাৰণেই অন্তৰ্ভুক্ত কৰা হৈছে। বিষয়সমূহৰ ক্ষেত্ৰত নতুন দৃষ্টিভংগী আৰোপ কৰা হৈছে আৰু পূৰ্বতে আন্তঃৰাষ্ট্ৰীয় বেহা-বেপাৰত থকা প্ৰতিবন্ধকতাসমূহৰ অৱসান ঘটোৱা হৈছে। বিশ্বৰ বাণিজ্যৰ পৰিসৰ বৃদ্ধি কৰিবৰ কাৰণে বিশ্ববাণিজ্য সংস্থাৰ সদস্য দেশসমূহৰ মাজত দ্বিপাক্ষিক আৰু বহুপাক্ষিক চুক্তি স্বাক্ষৰিত কৰাৰ ব্যৱস্থা ৰখা হৈছে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ’ল ব্যৱসায়ৰ পৰিসৰ বৃদ্ধিৰ কাৰণে প্ৰয়োজন হোৱা পুঁজিৰ ক্ষেত্ৰতো ব্যাপক আৰু বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰি লোৱা হ’ল। পুঁজি সহজ লভ্য কৰি তোলা হ’ল। বিভিন্ন উন্নয়নজাতীয় দিশৰ আন্তঃগাঁথনি বিকাশৰ কাৰণে প্ৰয়োজন হোৱা পুঁজি কোনো বিত্তশালী দেশী, বিদেশী ব্যক্তি বা প্ৰতিষ্ঠানে অনায়াসে বিনিয়োগ কৰিব পৰা হ’ল। এনেধৰণৰ পুঁজি বিনিয়োগেই হ’ল বিশ্বৰ উদাৰীকৰণ প্ৰক্ৰিয়াৰ সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু সুদূৰপ্ৰসাৰী সংস্কাৰ।

বিশ্ববাণিজ্য সংস্থাৰ সকলো সদস্য দেশে স্বাক্ষৰিত চনদৰ তৃতীয় খণ্ডত পুঁজি বিনিয়োগৰ বিষয়টো বিস্তৃতভাৱে আলোচনা কৰি সেই সম্পৰ্কীয় দিহা-পৰামৰ্শ দিছে। বিশ্ববাণিজ্য চনদৰ ব্যাপক অংশত বিষয়টো সন্নিৱিষ্ট হৈ আছে। তাত বিষয়টো ‘ট্ৰিমছ’ বুলি উল্লেখ আছে। ট্ৰিমছৰ অৰ্থ হ’ল বাণিজ্য সম্পৰ্কীয় বিনিয়োগ ব্যৱস্থা, ট্ৰেড ৰিলেটেড ইনভেষ্টমেণ্ট ছিষ্টেম।

ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহৰ কাৰণে বিদেশী পুঁজি বিনিয়োগৰ বিষয়টো খুবেই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। দেশৰ ৰাজ্যসমূহৰ বাজেটৰ পৰা কেন্দ্ৰীয় বাজেটসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰতিখন বাজেটেই ঘাটি বাজেট। ঘাটি বাজেটৰ জৰিয়তে দেশৰ উন্নয়নমূলক কাম-কাজ ৰূপায়ণ কৰা সম্ভৱ নহয়। দেশে সকলো দিশৰে প্ৰগতি সাধন কৰিবলৈ বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ প্ৰচুৰ পৰিমাণে পুঁজিৰ প্ৰয়োজন হয়। সেই পুঁজি ভাৰতৰ দৰে দেশে যোগাৰ কৰা সম্ভৱ নহয়। গতিকেই বিদেশী পুঁজি বিনিয়োগৰ প্ৰয়োজন হয়। ভাৰততকৈ পিছত বিশ্ববাণিজ্য সংস্থাত সদস্য ভৰ্তি হোৱা চীন দেশে যোৱা দশকত বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ উন্নত দেশ আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা ব্যাপক হাৰত পুঁজি লাভ কৰিছিল। তাৰ ফলস্বৰূপে চীনৰ আৰ্থিক উন্নয়ন দ্ৰুত হৈছিল। বৰ্তমান বিদেশী পুঁজিৰ সাৰ্থক বিনিয়োগ কৰি বাৰ্ষিক উন্নয়নৰ হাৰৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে অত্যন্ত উন্নত দেশৰ লগত সমানে ফেৰ মাৰিব পৰা হৈছে।

বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰেও নৱৈৰ দশকৰ প্ৰাৰম্ভৰে পৰাই অৰ্থনৈতিক সংস্কাৰৰ কাৰ্যসূচী গ্ৰহণ আৰু ৰূপায়ণ কৰি আহিছে। ভাৰতে অৰ্থনৈতিক উদাৰীকৰণ কৰাৰ প্ৰথম পদক্ষেপ হিচাপে ১৯৯১ চনতে প্ৰথম ঔদ্যোগিক নীতি গ্ৰহণ কৰিছিল। দেশৰ

*যতীন শইকীয়া অসমৰ সমবায় বিভাগৰ প্ৰাক্তন কৰ্মচাৰী

সংস্কাৰ সাধনৰ প্ৰথম পদক্ষেপ হিচাপে গ্ৰহণ কৰা ঔদ্যোগিক নীতিৰ প্ৰথম খণ্ডতে উল্লেখ আছে এনেদৰে (1) The stated object of the New Industrial Policy is to invite and facilitate foreign investments and accordingly, simplified mechanisms have been installed for providing expedites approvals. Under the new policy, all foreign investments and returns on them are fully repatriable, except where the condition of dividend balancing is applicable.

তেতিয়াৰে পৰা আমাৰ দেশৰ বিভিন্ন ক্ষেত্ৰত বিদেশী পুঁজিৰ বিনিয়োগ হৈ আহিছে। কিন্তু যি হাৰত দেশত অৰ্থনৈতিক উন্নয়নৰ দ্ৰুত বিকাশৰ স্বাৰ্থত পুঁজি বিনিয়োগ হ'ব লাগিছিল ঠিক তেনেদৰে বিনিয়োগ হোৱা নাই বুলি এই বিষয়ৰ প্ৰতি সূক্ষ্মভাৱে দৃষ্টি ৰখা লোকসকলে মন্তব্য কৰা দেখা যায়। তাৰে দুটামান মন্তব্য উল্লেখ কৰা হ'ল— নতুন দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক ড° চৈঈদ নাজিৰ আজিজ ৰিজবিয়ে তেওঁৰ 'গ্ল'বেল ইনভেষ্টমেণ্ট এণ্ড ডি ডব্লিউ টি অ" নামৰ এটি মূল্যবান প্ৰবন্ধত ভাৰতৰ বিদেশী পুঁজি বিনিয়োগ আশানুৰূপ নোহোৱাৰ কাৰণ সম্পৰ্কে উল্লেখ কৰি লিখিছিল— "The biggest stumbling block is India's bloated bureaucracy. Approximately only 20 percent of FDI approvals translate into actual investment".

"There is the political uncerntainity at the central and the state levels, and of the centre state relations. Infrastructure reforms are moving very slowly".

বৰ্তমানৰ চৰকাৰ গঠন হোৱাৰ আগলৈকে ১৯৯১ চনৰ পৰাই মানে বিশ্বত অৰ্থনৈতিক আঁচনি ৰূপায়ণ হোৱাৰ প্ৰাক্ কালৰ পৰাই ভাৰতত বিভিন্ন ৰাজনৈতিক দলৰ সন্মিলিত চৰকাৰ গঠন হৈছিল। তেনে সন্মিলিত চৰকাৰ এখন চলি থাকিলে বিদেশী পুঁজি বিনিয়োগকাৰীসকলে বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰে। কিন্তু চলিত বছৰত নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে বিজেপি তথা এন ডি এ চৰকাৰ গঠন হৈছে। গতিকে দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে বিদেশী পুঁজি বিনিয়োগকাৰীসকলক নিশ্চয়তা প্ৰদান কৰি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। নতুন চৰকাৰে দেশৰ দ্ৰুত উন্নয়নৰ কাৰণে প্ৰশাসনীয় কাম-কাজ ক্ষিপ্ৰতাৰে সম্পন্ন হোৱাটো বিচাৰে। তদুপৰি দেশৰ বহু আইন-কানুন বৃটিছৰ আমোলৰ। তেনে আইন-কানুন, প্ৰশাসনীয় ব্যৱস্থাৰ দ্বাৰা দ্ৰুত আৰু অৰ্থবহ উন্নয়ন সাধন সম্ভৱ নহয়। গতিকে নতুন চৰকাৰে দেশৰ ২৮৭ খন পুৰণি আৰু প্ৰায় অপ্ৰচলিত আইন পৰ্যালোচনা কৰি ইয়াৰ বিলুপ্তি সাধন অথবা পৰিৱৰ্তন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সময়ৰ লগে লগে আইন-কানুন, শাসনৰ বিধি ব্যৱস্থা পৰিৱৰ্তন হোৱা খুবেই আৱশ্যক। বিশ্বায়ন ব্যৱস্থাটোৱেই নতুন আৰু পৰিৱৰ্তনশীল ব্যৱস্থা। সকলো বিধি ব্যৱস্থা সময় আৰু পৰিস্থিতি সাপেক্ষ হ'ব লাগে। প্ৰসংগত উল্লেখ কৰা যায় যে চীন দেশে ১৯৫০ চনৰ পৰা চাৰিবাৰ দেশৰ সংবিধান সলনি কৰিছিল। শেষৰ বাৰ বোধহয় সংবিধান সংশোধন কৰিছিল বিশ্ববাণিজ্য সংস্থাৰ বিধি ব্যৱস্থাসমূহ ৰূপায়ণৰ উপযোগী কৰি তুলিবৰ কাৰণে। আমাৰ দেশত চৰকাৰসমূহ স্থায়িত্বৰ শংকাত ভুগি থকাৰ কাৰণে আজি পৰ্যন্ত বৈপ্লৱিক সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই। ভাৰতত বিদেশী পুঁজি বিনিয়োগৰ ক্ষেত্ৰত আন এটা অন্তৰায় হৈছে কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক। বহুদিন ধৰি কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বহুতো গুৰুত্বপূৰ্ণ বিষয়ত সংঘাতৰ সৃষ্টি হৈ আহিছে। কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক উন্নত আৰু গতিশীল কৰিবৰ কাৰণে এসময়ত ন্যায়াধীশ চাৰকাৰিয়াক লৈ এখন আয়োগ গঠন কৰা হৈছিল। উক্ত আয়োগে বহু বছৰৰ পূৰ্বেই প্ৰতিবেদন দাখিল কৰিছিল। সেই গুৰুত্বপূৰ্ণ পৰামৰ্শাৱলী আজিও গ্ৰহণ কৰা নহ'ল। তেনেবোৰ কাৰণতে ভাৰতত বিদেশী পুঁজিৰ বিনিয়োগৰ গতি লেহেমীয়া হৈছে। তথাপিও দেশৰ বহু ক্ষেত্ৰত বিদেশী পুঁজি বিনিয়োগ হৈ আছে। ভাৰতত বিদেশী পুঁজি বিনিয়োগৰ ক্ষেত্ৰসমূহ হ'ল— (১) শক্তি খণ্ড (২) কয়লা (৩) টেলি কমিউনিকেশ্যন (৪) ক্ষুদ্ৰ উদ্যোগ (৫) বিত্তীয় খণ্ড অৰ্থাৎ বেংকিং আৰু নন-বেংকিং খণ্ড (৬) পৰিবহন (৭) ড্ৰাগছ আৰু ফাৰ্মাচিউটিকেল উদ্যোগ (৮) তৈল ক্ষেত্ৰ (৯) ৰিয়েল এষ্টেট পৰ্যটন উদ্যোগ (১০) বন্দৰ উন্নয়ন। এনে ক্ষেত্ৰত প্ৰত্যক্ষ বিদেশী পুঁজি বিনিয়োগৰ কাৰণে চৰকাৰে অনুমতি প্ৰদান কৰি থৈছে। এনেবিলাক ক্ষেত্ৰত বিদেশী পুঁজি দুটা উপায়েৰে বিনিয়োগ কৰা হয়। তাৰে এটা হ'ল স্বয়ংক্ৰিয় আৰু আনটো হ'ল চৰকাৰী অনুমোদনৰ দ্বাৰা।

বিদেশী পুঁজি বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰি চীনৰ বাদেও এছিয়া মহাদেশৰে আন বহু দেশ উপকৃত হৈছে। তাৰে কেইখনমান হ'ল— মালয়ছিয়া,

থাইলেণ্ড, ফিজি ইত্যাদি। বস্ত্র উদ্যোগৰ ক্ষেত্ৰত বিদেশী পুঁজি বিনিয়োগ কৰি আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশো লাভৱান হৈছে। প্ৰসংগত উল্লেখ কৰা যায় যে এই ক্ষেত্ৰত বাংলাদেশে এগৰাকী কেবিনেট মন্ত্ৰীক দায়িত্ব অৰ্পণ কৰি থৈছে। আমাৰ দেশত বাণিজ্য মন্ত্ৰীয়েই এই বিভাগটো চোৱা-চিতা কৰে।

অসমত কেৱল বিদেশী পুঁজি বিনিয়োগৰ ক্ষেত্ৰখনেই নহয়, সেই বিষয়ৰ ধ্যান-ধাৰণা অতি সীমিত হৈ আছে। অসমৰ ভৌগোলিক অৱস্থান, জলবায়ু আৰু জনসাধাৰণৰ অজ্ঞতাৰ কাৰণে বিদেশী পুঁজি বিনিয়োগৰ ক্ষেত্ৰখন বহু পিচপৰি আছে। কিন্তু উত্তৰ-পূবৰ সৰু ৰাজ্য ছিকিম, মিজোৰাম ইত্যাদি ৰাজ্যই এই ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। এখন ৰাজ্যিক চৰকাৰৰ সদিচ্ছা আৰু কাৰ্যকুশলতাৰ ওপৰতো ৰাজ্যৰ পুঁজি বিনিয়োগৰ সফলতা-বিফলতা নিৰ্ভৰ কৰে। অসমত বিদেশী পুঁজি বিনিয়োগৰ সঠিক তথ্য পাবলৈ নাই। কিন্তু পুঁজি বিনিয়োগ কৰি লাভৱান হ'ব পৰা ক্ষেত্ৰখন খুবেই ব্যাপক। যিবিলাক ক্ষেত্ৰত ৰাজ্যখনত বিদেশী পুঁজি বিনিয়োগৰ অত্যন্ত প্ৰয়োজন আছে তাৰ বিনিয়োগৰ দ্বাৰা দেশী-বিদেশী বিনিয়োগকাৰীসকল লাভৱান হোৱাৰ সম্ভাৱনা আছে।

উল্লেখিত প্ৰতিটো ক্ষেত্ৰৰ অৱস্থা অতিশয় শোচনীয় অৱস্থাত আছে। বাট-পথৰ সুবিধা, শক্তিৰ সুষম প্ৰয়োগৰ ব্যৱস্থা নাথাকিলে কোনো দেশী-বিদেশী বিনিয়োগকাৰী অসমত পুঁজি বিনিয়োগ কৰিবলৈ নাহে। নৈ, বিল, জান-জুৰিৰে ভৰপূৰ ৰাজ্যখনত মৎস্য উৎপাদনৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰিব পৰাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰতো বিদেশী পুঁজি বিনিয়োগ কৰাব পৰা যায়।

ৰাজ্যসমূহক আৰ্থিকভাৱে সমৃদ্ধিশালী কৰি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বিশেষ দায়িত্ব আছে। বিশেষকৈ অসমৰ দৰে আয়ৰ বিশেষ উৎস নথকা ৰাজ্যসমূহৰ কাৰণে ৰাজ্যৰ ভৌগোলিক অৱস্থান, জলবায়ু আৰু যোগাযোগ ব্যৱস্থাৰ পৰ্যালোচনা কৰি সুকীয়া আঁচনি প্ৰস্তুত কৰিব লাগে। উপযুক্ত ক্ষেত্ৰত বিদেশী পুঁজি বিনিয়োগ কৰি উন্নয়নৰ কৰ্মসূচী গ্ৰহণ কৰিব পাৰিলে অসমো এদিন উন্নত ৰাজ্য হৈ পৰিব বুলি আশা কৰিব পৰা যায়। ❒

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

জানুৱাৰী ২০১৫ — **অনাময়, বিকাশ আৰু সামাজিক পৰিৱৰ্তন**

ফেব্ৰুৱাৰী ২০১৫ — **যুক্তৰাষ্ট্ৰীয় আৰু ভাৰতৰ শাসন ব্যৱস্থা**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

### ৩নং বেটুপাতৰ পৰা

সম্প্ৰতি, কেন্দ্ৰীয় চৰকাৰৰ পৰাই ৫০ লাখ লোকে পেন্সন আদায় লৈ আছে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ চৰকাৰৰ পৰাও সমসংখ্যক পেন্সনাৰে পেন্সন লাভ কৰে। সামৰিক বাহিনীৰ পৰা ২৫ লাখৰো অধিক লোকে পেন্সন পাই আছে। 'আধাৰ ভিত্তিক ডিজিটেল লাইফ চাৰ্টিফিকেট'ৰ জৰিয়তে জ্যেষ্ঠ নাগৰিক-সকলে প্ৰতিবছৰে জীয়াই থকাৰ প্ৰমাণ পত্ৰ দাখিল নকৰিলেও হ'ব।

এই 'ছফট্‌ৱেৰ এপ্লিকেচন ছিষ্টেম' কোনো ব্যয় অবিহনে ব্যাপক হাৰত পেন্সনাৰ অথবা পেন্সনভোগীসকলে সহজতে লাভ কৰিব পাৰিব। ইয়াক স্মাৰ্টফোন বা কম্পিউটাৰ যোগে পৰিচালনা কৰিব পৰা যাব, লগত থাকিব কম খৰচী 'বায়'মেট্ৰিক ৰিডিং ডিভাইচ'। সমূহীয়া সেৱা কেন্দ্ৰসমূহত এই ব্যৱস্থা থাকিব। ৰাষ্ট্ৰীয় ই-প্ৰশাসন আঁচনিৰ অধীনত দূৰ-দূৰণিত বা আওহতীয়া ঠাইত বাস কৰা পেন্সনাৰসকলৰ বাবে ই বৰ লাগতিয়াল ব্যৱস্থাৰূপে পৰিগণিত হ'ব।

### 'মেক ইন ইণ্ডিয়া' কাৰ্যক্ৰমৰ অংশৰূপে ১২টা উন্নত (উচ্চ) প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হ'ব

শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়ৰ নিয়োগ আৰু প্ৰশিক্ষণ সঞ্চালকালয়ে (ডি জি ই এণ্ড টি) ভাৰতৰ ১২খন বিভিন্ন ঠাইত ১২টা উন্নত প্ৰশিক্ষণ কেন্দ্ৰ (এ টি আই) স্থাপন কৰিব বুলি প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই প্ৰকল্প নিৰ্মাণৰ বাবে ২০০ কোটি টকাৰো অধিক ধনৰ প্ৰয়োজন হ'ব। 'ক্ৰাফ্‌ট্‌ ইন্‌ষ্ট্ৰাকটৰ স্কীম' (চি আই টি এছ)ৰ অধীনত এয়া হ'ল কৰ্ণধাৰ স্তৰ। ইয়াত পোনতে ৯,২০০ বৃত্তিগত প্ৰশিক্ষকক প্ৰশিক্ষণ প্ৰদানৰ বাবে সঞ্চালকালয়ে ব্যৱস্থা কৰিব। এই আঁচনি 'মেক ইন ইণ্ডিয়া'ৰ অংশ আৰু দক্ষতা বিকাশৰ বাবে ইয়াক যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে।

বৃত্তিগত প্ৰশিক্ষকৰ প্ৰয়োজন পূৰাবলৈ 'ডি জি ই এণ্ড টি'য়ে প্ৰশিক্ষকৰ প্ৰশিক্ষণৰ বাবে ২৭টা উন্নত প্ৰশিক্ষণ প্ৰতিষ্ঠান (এ টি আই) স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। 'ডি জি ই এণ্ড টি'য়ে এই প্ৰতিষ্ঠানসমূহৰ আৰ্হিৰূপে ব্যক্তিগত ৰাজহুৱা অংশীদাৰিত্বৰ সহায় ল'ব। 'ডি জি ই এণ্ড টি' হ'ল দেশৰ বৃত্তিগত প্ৰশিক্ষণৰ বিকাশ আৰু সমন্বয় গঢ়ি তোলাৰ বাবে শীৰ্ষ সংগঠন।

### বাল স্বচ্ছ মিছন প্ৰৱৰ্তন

ৰাষ্ট্ৰীয় বাল স্বচ্ছ মিছন অলপতে নতুন দিল্লীত আৰম্ভ কৰা হয়। বাল স্বচ্ছ মিছন হ'ল দেশজোৰা 'স্বচ্ছ ভাৰত' মিছনৰ অন্তৰ্গত চাফাই অভিযানৰ অংশ। ২০১৪ চনৰ ২ অক্টোবৰত এই অভিযান আৰম্ভ কৰা হয়। দেশজোৰা বাল স্বচ্ছ মিচনত ছটা বিষয় থাকে ঃ (১) অংগনবাড়ীসমূহ পৰিষ্কাৰ কৰা, (২) চাৰিওকাষৰ যেনে খেলপথাৰৰ পৰিৱেশ চাফ-চিকুণকৈ ৰখা, (৩) নিজকে পৰিষ্কাৰকৈ ৰখা (ব্যক্তিগত পৰিচ্ছন্নতা/শিশুৰ স্বাস্থ্য), (৪) খাদ্যবস্তু চাফ-চিকুণকৈ ৰখা, (৫) খোৱাপানী পৰিষ্কাৰ কৰা, (৬) শৌচাগাৰ পৰিষ্কাৰ কৰা। বিভিন্ন ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ বিভাগসমূহত বাল স্বচ্ছ মিছন বিদ্যালয় শিক্ষা, নগৰ উন্নয়ন, খোৱাপানী আৰু চাফাই, তথ্য আৰু প্ৰচাৰ বিভাগৰ সহযোগত সফল কৰি তুলিবলৈ নিৰ্দেশ দিয়া হৈছে। ❐

**(৩৫ পৃষ্ঠাৰ পৰা)**

ইয়াৰ ফলস্বৰূপে, কম ব্যয়ৰ এনড্ৰয়দ অপাৰেটিং ছিষ্টেম থকা স্মাৰ্ট ফোনে যি ফোনে প্ৰথমতে ভাৰত আৰু চীনৰ বজাৰক লক্ষ্য হিচাপে লৈ তৈয়াৰ কৰা হৈছিল, সি গৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশৰ নিম্ন আয়সম্পন্ন বজাৰ দখল কৰিছেগৈ। তেনেদৰে চীনৰ কম মূল্যৰ জিও'মি স্মাৰ্টফোনে স্মাৰ্টফোনৰ বজাৰখনৰ ৰেহ-ৰূপেই সলনি কৰি দিছে।

এনেদৰে নিম্ন আয়ৰ অথচ বৃহৎ বজাৰৰ অনুধাৱন কৰি নিৰ্মাণ কৰা সামগ্ৰী কেৱল কম আয়সম্পন্ন দেশৰ ভিতৰতে সীমাবদ্ধ হৈ নাথাকিবও পাৰে। ভাৰতৰ সাধাৰণ ঔষধৰ বজাৰখনে নিম্ন আয়ৰ বজাৰৰ পৰা উচ্চ আয়ৰ বজাৰলৈ কৰা গতিয়ে ইয়াৰ উৎকৃষ্ট নিদৰ্শন। এনেদৰে সীমিতভাৱে অভিযান্ত্ৰিক কৌশল খটুৱাই উদ্ভাৱন নীতিৰ অন্বেষণ কৰাটো ভাৰতীয় বজাৰৰ বাবে গুৰুত্বৰ বিষয় হোৱা উচিত। ইয়াৰ বাবে গৱেষণা কেন্দ্ৰ আৰু ব্যৱসায়িক সংস্থাসমূহৰ মাজত ভাল সম্পৰ্ক থকাটো খুবেই জৰুৰী। ❐